ডিছেম্বাৰ ১৯৯৯ - ১০.০০ টকা

চান্দমামা

Colgate Dr. Rabbit's Puzzle

Smita has an appointment for her dental checkup.
Can you find the way for her in 20 seconds or less ?

An Amazing Trip!

Colgate
Bright Smiles, Bright Futures™

Copyright © 1994 Colgate-Palmolive Company.
All rights reserved. A Global Oral Health Initiative.

চান্দমামা

ডিছেম্বাৰ ১৯৯৯

বছৰ : ২৩ সংখ্যা : ৯

শেহ শৰ ...	৭
বুকাৰ-বঁটা ...	৯
আত্মজ্ঞান ...	১০
সম্রাট অশোক ...	১৭
নৱ-জীৱনৰ মন্ত্ৰ ...	২৫
দেখিলে চোৰ-নেদেখিলে সাধু ...	৩০
নৈ পাৰে নৈ পাৰে ...	৩৩
অনন্তৰ ছো ...	৩৭
বৃটিছ-বিৰোধী যুঁজাৰু ...	৪১
মহাভাৰত ...	৪৫
সম্বাদ-বি-সম্বাদ ...	৫২
চান্দমামাৰ কোলাৰ-কাকত ...	৫৩
দূৰদৃষ্টি ...	৫৬
বিদ্রোহৰ বীৰগাথা ...	৫৭
কথা-কোৱা ফল ...	৬২
ফোটা-নামকৰণ ...	৬৬

আত্মজ্ঞান
১০

নৱ-জীৱনৰ মন্ত্ৰ
২৫

মহাভাৰত ৪৫

Printed and published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd, Chennai-600 026 on behalf of Chandamama India Limited, Chandamama Buildings, Vadapalani, Chennai 600 026. Editor: Viswam

খনে : ১০.০০

বছৰি : ১২০.০০

THE MOST
ENDEARING GIFT
YOU CAN THINK OF FOR YOUR NEAR AND DEAR ONES FAR AWAY

CHANDAMAMA

GIVE THEM A MAGAZINE IN THE LANGUAGE OF THEIR CHOICE

ASSAMESE, BANGLA, ENGLISH, GUJARATI, HINDI, KANNADA, MALAYALAM, MARATHI, ORIYA, SANSKRIT, TAMIL AND TELUGU

AND LET THEM ENJOY THE WARMTH OF THE HOME AWAY FROM HOME

SUBSCRIPTION

BY AIR MAIL TO ALL COUNTRIES

Six issues Rs. **300**
Twelve issues Rs. **500**
by surface mail within India
Twelve issues Rs. **120**

Send your remittances by Demand Draft or Money Order favouring 'Chandamama India Limited'

to:

PUBLICATION DIVISION
CHANDAMAMA INDIA LIMITED
CHANDAMAMA BUILDINGS, VADAPALANI, CHENNAI–600 026

Founded by
CHAKRAPANI
B. NAGI REDDI
Editor
VISWAM
Editorial Advisors
RUSKIN BOND
MANOJ DAS
Designing & Technical Advisor
UTTAM
Publisher
B. VISWANATHA REDDI
Director Marketing
V. MADHUSUDHAN

HEAD OFFICE
Chandamama Buildings
Vadapalani, Chennai–600 026
Tel: 4841778 Fax: 4835298

OTHER OFFICES
BHUBANESWAR
116-B, B.D.A, Duplex House
Baramunda
Bhubaneswar-751 003
Orissa. Phone:450 534
DELHI
Flat No. 415, 4 th Floor
Pratap Bhawan
5, Bahadurshah Zafar Marg
New Delhi-110 002.
Phone: 2270199
MUMBAI
Nav Bhavna Co-op. Society Ltd.
IInd Floor, D-20
Near Siddhi Vinayakar Temple
Veer Savarkar Marg, Prabhadevi
Mumbai-400 025
Phone: 4370118, 4373251

The stories, articles and designs contained in this issue are the exclusive property of the Publishers and copying or adapting them in any manner/ medium will be dealt with according to law.

তোমাৰ সৈতে হাতত হাত মিলাই

তুমি কত আছা চান্দমামা ? যদি বুহুতে এইতো প্রশ্ন চিঞৰি সুধে, তেতিয়া বেছি ভাগেই নিশ্চুপ হৈ ৰয় । তেওঁলোকে তেওঁলোকৰ মৰমৰ সহযোগী **চান্দমামাক** হয়তো কিতাপৰ দোকানত বা ডাকেয়ালৰ বেগত চাই।

চান্দমামাই তোমালোকক লগ ধৰাৰ ইচ্ছা কাটাৰ দৰেই তীব্র আৰু আকুল আছিল। তোমালোকে যেনেকৈ আঘাট পাইছা সিও তেনেকৈ আঘাট পাইছে।

শেষত ই এটা আনন্দৰ দিন যে ই আকৌ তোমালোকৰ লগলৈ ঘূৰি আহিল। আৰু এটা শুভ দিনত শিশু সকলৰ প্রতি উৎসর্গিত কৰা হ'ল । যিতো নেকি (১৪ নভেম্বৰ) জৱাহৰলাল নেহেৰুৰ জন্মদিন।

"সৰ্বযাৰ ভাল তাৰ শেষ ভাল যায়। " আমাৰ এটাই এটাৰ পৰা আতৰি থকাত ই আমাক আমাৰ মাত্ৰ ভালপোৱাতো অতি তীব্র কৰি তুলিলে। **চান্দমামাই** এইতো স্বীকাৰ কৰিব লাগিব যে তেওৰ শুভইচ্ছা আৰু আতৰি থকাতোৰেই আলোচনীয় পূনৰ প্ৰকাশৰ বাবে এটা ডাঙৰ শক্তি।

চান্দমামাই তোমালোকক মৰম, পবিত্র উদ্দেশ্যাষে ব্যবহাৰে কৰা আৰু নিঃসন্দেহে কল্পনামুলক ভাবে বিলাই দিবলৈ ইচ্ছা কৰিছে। নতুন শতিকাই নিজকে মুক্ত কৰাৰ লগে লগেই আপোনাৰ আলোচনীও আপোনাৰ আগত নতুন সম্ভাৰ মুক্ত কৰিবলৈ লৈছে। দয়া কৰি আমাৰ এই সংখ্যাত ঘোষনা কৰা নতুন বৈশিষ্ট্য সমুহৰ ওপৰত এবাৰ চকু ফুৰুৰাওক।

চান্দমামাই আপোনালোকক সম্ভাযন আৰু নতুন দৃষ্টিৰে নতুন শতিকাক নতুন সহস্ৰ বছৰত আপোনালোকৰ সৈতে হাতত হাত মিলাই যাবলৈ সাজু হৈছে।

পৃথিবীৰ খিৰিকেৰে

পৃথিবীৰ সবাতোকৈ গণতন্ত্ৰ আগবাঢ়াৰ

দেশভিত্তিক নিৰ্ব্বাচনৰ পৰা ভাৰত জাগি উঠিল। ভাৰতবৰ্ষৰ স্বধীনতাৰ বুৰন্তীৰ এয়া আছিল ১৩ তম নিৰ্ব্বাচন। আমি আমাৰ প্ৰধানমন্ত্ৰী। তেখেনৰ কেন্দ্ৰীৰ মন্ত্ৰীসভা, সংসদীয় সদস্য আৰু শেষত কিন্তু সংক্ষাত ক্ষুদ্ৰতম নহয় যি হ'ল ভাৰতবৰ্ষৰ জনগণ।

নিৰ্বাচনে এখন স্থায়ী সংসদ স্থাপিত কৰিলে। দুইখলপীয়া সংসদৰ এইতোও এটা ভাগ। আনসন হ'ল ৰাজ্যসভা। আকৌ এবাৰ নচুন সংসদ স্থাপিত হ'ল। সাধৰণতে ই ইয়াৰ পাছবছৰীয়া কাক্ষকাল সম্পূৰ্ণ কৰিব লাগে। এইতো গণানাৰ মতে আমি এতিয়ালৈকে দহখন লোকসভা ২০ লাগিছিল। কিন্তু আমি বেছি পাইছো। ইয়াৰ কাৰন এয়ে যে বিগত বছৰত কোনো এখন লোকসবাই ইয়াৰ সম্পূৰ্ণ কাৰ্য্যকাল সম্পন কৰা নাই। আৰু কোনো দলৰেই যথেষ্ঠ পৰিমানৰ নিবাচিত প্ৰাৰ্থী সংসদত নাই। গিয়ে নেকি চৰকাৰ গঠন কৰিব পাৰে। তেনেঘৃলত কেইটামান দলে একগোট হৈ চৰকাৰ গঠন কৰে, কেতিয়াবা কোনোবা দলে বাহিৰৰ পৰা চৰকাৰক সমৰ্থন কৰে আৰু যদি কেতিয়াবা দলসমুহৰ মতাবিৰোধ হয় তেতিয়া চষকাৰৰ পতন হয়।

বৃটিছ শাসনৰ পৰা ভাৰতে ১৯৪৭ চনত স্বাধীনতা লাভ কৰে। কিন্তু ইয়াৰ বাবে ভাৰতমাতৃয়ে বহুতো দিবলগীয়া হয়। ১০ হাজাৰৰো অধিক মানুহ জাতীয় হিংসাত মৃত্যুবৰন কৰিবলগীয়া হয় আৰু ভাৰতবৰ্ষৰ এটা অংশ ভাগি গৈ পাকিস্থান হিচাবে চিহ্নিত হয়। ভাৰতবৰ্ষ আৰু পাকিস্থান দুয়োখন দেশেই গণতন্ত্ৰ গ্ৰহণ কৰে। পৃথিবীৰ বহুতো নিৰিক্ষণজাৰীয়ে ভাবিছিল যে দুয়োখন দেশৰ কোনো এনেও গণতন্ত্ৰক বেছি দিন ধৰি ৰাখিব নোৱাৰে। তেখেতসকলৰ চিন্তাতভাবনাই

জাৰ্মান সাহিত্যৰ ত'ৰা

১৯৯৯ চনৰ সাহিত্যৰ নোবেল পুৰস্কাৰ এইবাৰ পায় জাৰ্মান সাহিত্যিক গ্ৰৰেন্টাৰ গ্ৰাছে (Guenter Grass) ১৯২৭ চনত ডেনজিগত এখেনৰ জন্ম হয়। প্ৰায় ৩০ বছৰকাল ধৰি এজন প্ৰতিভাসম্পন্ন উপন্যাসসিক হিচাবে জাৰ্মানীত বিদ্যমান। "টিন ড্ৰাম" হ'ল এখেতৰ সকতোকৈ জনপ্ৰিয় উপন্যাস। এই উপন্যাসখনত লিখকে এজন ওচকাৰ নামৰ বাওনাৰ দৃষ্টিৰে পৃথিবীক চাই। যি নেকি ডেনাজগত বসবাস কৰে। যি হ'ল লিখকৰ জন্মস্থান। সাধৰন ল'ৰাব দৰেই ওচকাৰৰ বুদ্ধি বৃত্তি, অনুভব প্ৰবনতাই জন্ম লৈছিল, কিন্তু ই সব লৰাৰ দৰেই আছিল্।

সবলৰাৰ দৰেই সি টিন-ড্ৰাম এটা বজাইছিল। হিটলাৰৰ উৎপত্তি আৰু পতনৰ সময়তোই এইতো বজাইছিল।

যেতিয়া ১৯৪৫ চনত দ্বিতীয় বিশ্বযুদ্ধৰ সমাপ্ত হয়। তেতিয়া ওচকাৰৰ ভাৰিয়ে পূনৰ গঠন

পাকিস্থানৰ ক্ষেত্ৰত সত্য হিচাবে পৰিগণিত হয়, কাৰন পাকিস্থানৰ বেছি ভাগ সময়েই আছিল। সৈন্যবাহিনীৰ দ্বাৰা বা 'ডিকটেটৰ' দ্বাৰা শাসিত আছিল। কিন্তু ভাৰতবৰ্ষৰ এতিয়া এখন সৰ্বশ্ৰেষ্ঠ গণতান্ত্ৰিক দেশ হিচাবে উজলি আছে। যদি আমাৰ জণগন আৰু ৰাজনীতিবিদসকল বেদি পৰিমানে দায়িত্বশীল হয় তেতিয়াহ'লে ভাৰতবৰ্ষ শিক্ষা, টকা-পইছা আৰু উদ্যোগৰ ক্ষেত্ৰত যথেষ্ঠ আগবাঢ়ি যাব। এচিয়ান ডেভলপয়েন্ট বেংকৰ মতে যচ্ছি ভাৰতবৰ্ষত এখন সুস্থিৰ চেৰকাৰ হয় তেনেহলে অহা ২০০০ চনৰ ভিতৰত ভাৰতবৰ্ষ এচিয়াৰ ভিতৰতে এখন প্ৰগতিশীল দেশ হিচাবে পৰিগণিত হব। জনগন, ৰাজনীতিবিদ আৰু চৰকাৰী কৰ্মচাৰী সকল বেছি পৰিমানে দেশভক্ত হব লাগিব। এইবোৰেই আমাৰ লাগতিয়াল।

ধৰিলে, কিন্তু সেইভোৰসিমানতে সমাপ্তি হয়। হয়তো এইতোৱেই ওচকাৰৰ সহনশীলতা সিনেকি মানবীয় আছিল হয়তো বাস্তধৰ্মী নাছিল। উপন্যাসখন পৰিসম্পাপ্তি এটা ভাষাত শেষ পহিল। 'ওচকাৰ ' যিযে নেকি স্কুলত বন্ধীতকৈও কম নাছিল, এৰি দিয়াগ'ল। কিন্তু যি এতিয়া কি কৰিব। কোনফালে এতিয়া যি যাব। যি আকৌ ট্ৰামতো বগাটলে ধৰিলে, ঠিবাং কৰিব নোৱাৰিলে যি যি ফালে ট্ৰামৰ শব্দ যায় সেইফালেই সি যাব।



গ্ৰহৰ আকৌ এখন জনপ্ৰিয় উপন্যাস হ'ল 'দি ফ্লোওনদাৰ', ইয়াৰ আৰম্ভনি নবপ্ৰস্তৰীয় যুগৰ এদিন আগতে হয় আৰ আদিৰ সময়ও শেষ হয়। লিখকে হাস্যকৰ হিচাবে সজতাক পৰিবেক্ষণ কৰে। এজন মাছমৰীয়াৰ চকুৰে। এটা মাছৰ সহায়ত এজন ভাল মানুহলৈ পৰিবৰ্ত্তিত হয় ফ্লাওনদৰৈ উৎপত্তিৰ যোগেদি কি হে বাৰ যথেষ্ঠ পৰিবৰ্তন আনিলে, যি নেকি মতা আৰু তিৰোতো মানুহৰ, মাজত বশ কৰাৰ কাৰনে কাজিয়া লগালে আৰ বন্ধনত নতুন প্ৰয়োগ কৰালে। জিতাপ মনে এইখিনি কথাকে বায়।

গ্ৰাছে ভাৰতবৰ্ষ এবাৰকৈও বেছিবাৰ ভ্ৰমন কৰিছে। এবাৰ কলকাতাত এখন নাটকো পৰিচালনা কৰে।

তেও যষ্ঠতম জাৰ্মান সাহিত্যিক যিয়ে নেকি নোবেল পুৰস্কাৰ পায়। আগৰ সকল আছিল থিওদৰ মমচেন্ (১৯০২), ৰুডল্ফ ইওকেন (১৯০৮), পল ভন্ হেয়চি (১৯১০), গাৰহাৰ্ড হিপট্‌মেন (১৯১২) থমাচ্ মান (১৯২৯) আৰু হেনৰিখ্ বল্ (১৯৭২)।

CHANDAMAMA
চান্দমামা

প্ৰিয় পটুৱৈ, পৃষ্ঠপোষক, আৰু হিতকংক্ষী সকল,

মই এই চিঠিখন এটি আচতিত আনন্দ আৰুদুখেৰে সৈতে লিখিব লৈছো । এইতো এটা আনন্দৰ কথা যে আপোনালোকৰ মৰমৰ লগৰীয়া **চান্দমামাক** আকৌ ঘূৰাই পাইছো । আমাৰ দুখ এয়ে যে আমি ইয়াৰ পৰা প্ৰায় এবছৰকাল ধৰি বঞ্চিত হৈ আছিলো ।

ভাগ্যপৰীক্ষাৰ টৌৰ দ্বাৰা মই আপোনালোকক কোনো অসুবিধাত পেলাব খোজা নাই। যিয়ে নেকি অতি সোনকালে অহা সফলতাই প্ৰচাৰকক "গো-গ্ৰাসে" গলি পেলালে । কোনো মানুহৰ প্ৰচেষ্টা নাই, কিন্তু ইশ্বৰীয় 'মা' ৰ আশীবাদত এই আকাল ইমান ওচৰলৈ নগল । সেয়ে আপোনাৰ আলোচনীৰ দ্বাৰা প্ৰচাৰিত জ্ঞানৰ পোহৰ আকৌ এবাৰ আমাৰ হাতত পৰিল । এইটোৱেই এই প্ৰমাণ কৰে যে ঈশ্বৰীয় শক্তিয়ে আমাৰ প্ৰচেষ্টাক, হয়তো ই অতি দূৰ্ব্বল তথাপিও ই এটা মূল্যবান কাবক ৰূপে সিদ্ধ হল । এইতোৱেই এটা কাৰণ যিয়ে নেকি ভাৰতবৰ্ষৰ সৰু সৰু শিশু সকলক তেওঁলোকৰ নিজৰ নিজৰ ভাষাত (ইংৰাজী আৰ সংস্কৃতৰ বহিৰে) আনন্দপূৰ্ণভাবে আৰু লগতে উদ্দেশ্যপূৰ্ণ ভাবেও পঢ়িব পাৰে। এইটোৱেই তেওঁলোকক ভৌগলিক আৰু ভাষাৰ অসুবিধাই তেওলোকক পঢ়াৰ আৰু সীমাক বান্ধিব নোৱাৰে।

মানুহৰ পৃথিবীত কেতিয়াবাহে ঈশ্বৰীয় শক্তিয়ে শক্তিপ্ৰদত্ত মানুহৰ দ্বাৰা কাম কৰে । এইটো ক্ষেত্ৰত **চান্দমামাৰ** বিনোদ শেঠীয়ে এই কামটো কৰিছে । এখেত এনে এজন ব্যক্তি যিয়ে নেকি অতিশয় আকুল ভাবে **'চান্দমামাক'** ভাল পায় । আৰু এজন ভাব প্ৰবণতা ভাল পোৱা সংগঠক । মই তেখেতক অভিনন্দন জনাও আৰ আশাকৰো যে তেখেতৰ এই প্ৰচেষ্টাই শিশু আলোচনী জগতত এটি উল্লেখযোগ্য কাম কৰিব ।

আৰু লগতে মই ধন্যবাদ জনাও **"চান্দমামাৰ"** পুনৰ প্ৰকাশনৰ কাৰনে, যিয়ে নেকি *চান্দমামাক* গভীৰভাবে ভাল পাই। তেওঁলোকৰ শুভইচ্ছা আমাৰ মূল্যবান মূলধন ।

আলোচনীখন অকল তাৰ বিষয়বস্তুৰ বিবিধতা আৰ বহুলতাতে ধনী নহয় তাৰ লগতে ইয়াৰ বেটুপাত খনো দেখিবলৈ ধুনীয়া । আলোচনী খন এতিয়া ইলেকট্ৰনিক (বৈদ্যুতিক) ছপাতো ওলাইছে, যেনে "কমপেক্ট ডিস্ক" আমি একেসময়তে আন আন প্ৰচাৰক সকলৰ দ্বাৰা প্ৰচাৰিত হৈ থকা সকলৰ লগতো চিনাকী কৰাই দিছো।

পৰিচালন গোষ্ঠীৰ তৰফৰ পৰা যোৱা আধাশতিকা ধৰি চলি অহা আলোচনীখনৰ হঠাৎতে বন্ধ হৈ যোয়াত মই ক্ষমা মাগিছো। সময়ৰ লগত খোজ মিলাই মই আৰু মোৰ সহযোগী সকলে আলোচনীখনক এটি নতুন ৰূপত প্ৰকাশ কৰিম।

আপোনাৰ বিশ্বাসী

B. Viswanatha Reddi

বি. বিশ্বনাথ ৰেড্ডী

প্ৰকাশক

তৃতীয় বাৰৰ বাবে প্ৰধানমন্ত্ৰী

শ্ৰী অটল বিহাৰী বাজপেয়ী ১৩ অক্টোবৰৰ দিনা তৃতীয় বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে কৰ্তব্য আৰু গূঢ়তাৰ প্ৰতি শপত গ্ৰহন কৰিছিল। তেঁও প্ৰথমবাৰ ১৯৯৬ চনৰ মে মাহত কেবল ১৩ দিনৰ বাবে প্ৰধানমন্ত্ৰী আছিল। তাৰ পিছত তেঁও সংখ্যালঘু চৰকাৰ হিচাপে পৰিগণিত হৈছিল। ১৯৯৮ চনৰ মাৰ্চ মাহৰ পৰা তেঁও ১৮টা দলৰ শতধীনত নেতৃত্ব কৰে। দূভাৰ্গ্য বশঃত তেঁওৰ চৰকাৰ কেবল ১৩ মাহহে চলে আৰু দেশে ১৯৫০ চনৰ চেপ্তেম্বৰৰ পৰা ১৩ তম বাৰৰ বাবে সাধাৰণ নিৰ্বাচনলৈ অগ্ৰসৰ হয়। পঞ্চেন্দ্ৰীয়ই সূচায় যে দূৰ্চিন্তামূক্ত হলেও আকৌ যদি তেঁও শাসনত ঘূৰি আহে তেন্তে তেওঁৰ চৰকাৰ আৰু তেৰ বছৰ কাল ৰাজত্ব কৰিব।

এইবাৰ তেঁওৰ দল "ভাৰতীয় জনতা পাৰ্টি" ত আৰু তেইশটা বেলেগ দলে যোগ দিয়ে। এই সকলো দলেই ভাবিছিল যে কেবল বি.জে.পি. ৰ লগত বন্ধুত্বই নিৰ্বাচনত সফল হবলৈ সমৰ্থ কৰিব আৰু এটা স্থায়ী চৰকাব গঠন হব। অক্টোবৰৰ ১০ তাৰিখে হোৱা তেৰ তম লোকসভাৰ ৫৪০ টা আসনৰ ভিতৰত ৩০০ আসন গ্ৰহণ কৰি সম্মিলিত ৰাষ্ট্ৰীয় গণতন্ত্ৰই জয়লাভ কৰিছিল।

প্ৰায় আধাডৰ্জন দল সহ ভাৰতীয় জাতীয় কংগ্ৰেছ মূখ্য প্ৰতি দ্বন্ডী হিচাপে কেবল ১৩৫টা আসহে গ্ৰহণ কৰিছিল।

সম্ভবত ১৯৯৮ চনত প্ৰথমবাৰৰ বাবে ১৮ টাকৈ দল সম্মিলিত ভাবে শাসনভাড়ত আহিছিল। স্পষ্টভাবে গবেষণা আৰম্ভ হৈছিল আৰু দেশে আগলৈ এক দৃঢ় চৰকাৰৰ আশা কৰিছিল। দ্বিতীয় ৰাজনীতি বিদ হিচাপে অটল বিহাৰী বাজপেয়ীৰ এইটো বৈশিষ্ঠ যে তেঁও তেঁওৰ দলক সম্মিলিত ভাবে পৰিচালনা কৰিছিল এবছৰৰ বাবে এইটো ভাবি যে তেখেতৰ চৰকাৰ যিকোনো সন্ধিক্ষণতে বিপদ মূকলাই যাব। প্ৰায় সকলো দিশতে দেশ উন্নতিৰ প্ৰতক্ষ্যদৰ্শী আৰু শ্ৰী অটলবিহাৰী বাজপেয়ী এজন সুদক্ষ্য শাসক আৰু দেশ নায়ক হিচাপে কেবল দেশতে নহয় ভাৰতৰ বাহিৰতো ভাৰতৰ দৰেই জয় জয় কৰে হৈছিল। তেঁও সকলো সমস্যাৰ সমাধান কৰিছিল বৰ ধীৰতাবে। যি হউক তেখেতৰ সমদলে পালে এটা কাৰণ আৰু যিয়ে নেকি তেখেনৰ সম্মিলিত চৰকাৰ ভঙ্গ কৰিব বাধ্য কৰিলে যাৰবাবে দেশে পুনৰ নিৰ্বাচনৰ সম্মূখীন হৈছিল। এই বাৰ মাহে বনোৱা তেঁওৰ প্ৰতিবিম্ব অবশেষত ১৯৯৮ চনৰ মাৰ্চ মাহত উঠাৰ লগীয়া হল কিন্তু ভাৰতৰ বেছিভাগ জনগণে তেঁওক পুনৰ প্ৰধানমন্ত্ৰীৰ পদত ওভতি অহাটো বিচাৰিলে।

অটলবিহাৰী বাজপেয়ী সৰুকালৰে পৰা বৰ চোকা বুদ্ধিৰ আছিল। ১৯৫১ চনত তেঁও প্ৰসাদ মূখাৰ্জীৰ দাৰা গঠিত "জন সংঘত" যোগদান কৰে। ১৯৫৭চনত তেঁও সংসদীয় নিৰ্বাচনীৰ বাবে প্ৰতিদ্বন্দিতা কৰি "জন সংঘ" ৰ চাৰিজন সদস্যৰ ভিতৰত এজন হিচাপে নিৰ্বাচিত হয়। ১৯৬২ চনটোত ভাগ্যাই তেঁওৰ লগ নিদিলে কিন্তু ১৯৬৭, ১৯৭১, ১৯৭৭ আৰু ১৯৮০ চনত একেৰাহে তেঁও গোৱালিঅ'ৰৰ পৰা জয়লাভ কৰে। ১৯৮৪ চনত তেঁও সেই নিৰ্বাচন কেন্দ্ৰ হেৰু যায় আৰু লক্ষ্ণৌ আৰু বিদিশাত ১৯৮৯ চনত থিয় হয়, দুয়োটা আসনত জয় লাভ কৰে। ১৯৯১, ১৯৯৬ আৰু ১৯৯৮ চনত তেঁও লক্ষ্ণৌৰ পৰা জয়লাভ কৰে। এই বছৰ পুনৰায় তেঁও সেই অল্লেখনীয় ঘূৰাই পায়।

১৯৭৭ চনত মোৰাজী দেশাই এ তেঁওক কেবিনেটত যোগদান কৰিবৰ বাবে তেঁওক আমন্ত্ৰন জনায়। আৰু তেখেনক এটা সুযোগ দিছিল আৰু তেখেতে নিজৰ বাবে বহিঃ দেশীয় পদটো লৈছিল।

১৯৭৭চনত মোৰাজী দেশাই এ তেঁও কেবিনেটত (কেন্দ্ৰীয়ত) যোগদান কৰিবৰ বাবে তেওঁক আমন্ত্ৰণ জনায়। আৰু তেখেনক এটা সুযোগ দিছিল আৰু তেমেতে নিজৰ বাবে বহি:দেশীয় পদতো লৈছিল। যত তেত এটা মন্তব্য দিছিল যিতোনেকি বিশেষবাবে পাকিস্থানৰ সৈতে হোৱা বন্ধুতৰ ওপৰত। ১৯৭১ চনৰ যুদ্ধৰ পিছতো দুয়োসন দেশেই শত্ৰু হিচাবে শপত লয়। শ্ৰী বাজপেয়ীয়ে ইউনাটেড নেচনত হিঁছিত দিয়া ভাষণেও ৰেকৰ্ড কৰে।

আমাৰ দৰে, আমাৰ প্ৰধানমন্ত্ৰীয়েও মেলপথাৰত ফুটবল হকীখেল চাউলে আৰু চিত্ৰগৃহত চিনেমা চাই ও ভাল পাই। তেখেতে কুকুৰ আৰু মেকুৰীদ ঘৰচীয়াজীৱ হিচাবে ভাল পাই আৰু সুবিধা দিয়ে। আৰু বিদনাত যোৱৰ আগতে পঞ্চতন্ত্ৰ সাধুকথা পঢ়ি ভাল পাই।

তেখেতৰ সক্ষম নেতৃত্বত ভাৰতবৰ্ষই তখন উজ্জল দেশ হিচাবে পাৰগণিত হব



আত্ম-জ্ঞান

সুদৰ্শনক বহুতেই চেৰা-বলিয়া বুলি ভাবিছিল। আঁকোগজা তো হয়েই। ডাঙৰহঁতৰ কথালৈ হেনো সি কাণসাৰকে নকৰে। নিজে যি ভাবে তাকে কৰে, কাৰো মানা নুশুনে, কৰিহে এৰে। তাৰ এই স্বভাৱৰ কাৰণে তাৰ পিতাক প্ৰভাকৰৰ মনত বৰ দুখ।

প্ৰভাকৰ বুদ্ধিমান মানুহ, আচাৰ-ব্যৱহাৰো ভাল। কিন্তু—গাঁৱৰ ৰাইজৰ মতে—প্ৰভাকৰো হেনো আঁকোগজা-চেৰাবলিয়া, আৰু তাৰ ফলতে সুদৰ্শনো তেনেকুৱা হ'ল। বিৰিখ চাইহে ফল।

প্ৰভাকৰে তেওঁৰ পৰিবাৰ প্ৰণতিক কৈছিল, "ওঁ, ঠিক, ময়ো কিঞ্চিত আপোন-নামাবিধৰ। কিন্তু—তথাপি মই বুজ-বিবেচনা এৰি পোলোৱাবিধৰ নহয়। মোৰ মাজত যি পিতৃভক্তি আছিল, তাৰ জহতে মই আগম-পুৰাম চাই আগবাঢ়িব পৰা হৈছিলোঁ। কিন্তু তোমাৰ পো-টিৰ মাজত পিতৃভক্তিৰ প-টোও নেদেখোঁ। মোৰ অনুভৱ-উপলব্ধিলৈ তাৰ কোনো মন-কাণেই নাই।"

কথাটো হয়ও। সুদৰ্শনে আনৰ চকুৰে নেদেখি আনৰ কাণেৰে নুশুনি নিজেই দেখি-শুনি সিদ্ধান্ত লৈছিল। আৰু—এইদৰে যি-সিদ্ধান্ত লৈছিল, তাৰপৰা তাক কোনেও ৰখাব পৰা নাছিল। প্ৰভাকৰেও পৰা নাছিল।

সকুতে তাক জুইৰ কাষলৈ যাবলৈ বা জুইত হাত দিবলৈ হাক দিয়া হৈছিল। কিন্তু জুইত হাত দি পৰীক্ষা কৰি চোৱাৰ পাছতহে সি সেই হাক-বচনলৈ কাণসাৰ কৰা হৈছিল। তাক পুখুৰীত নামিবলৈ নিষেধ কৰা হৈছিল আৰু কোৱা হৈছিল যে পুখুৰীত এটা বিৰাট ঘঁৰিয়াল আছে। কিন্তু পুখুৰীৰ পানীত

চৈতন্য চহৰীয়া

সঁচাকৈয়েই ঘঁৰিয়াল আছেনে নাই সেই কথাৰ পৰীক্ষাৰ মনেৰে সি পুখুৰীৰ পানীলৈ জঁপিয়াই পৰিছিল, আৰু কথমপিহে ডুবি তল পৰাৰপৰা সাৰিছিল।

কিন্তু—তাৰ এই স্বভাৱৰ কাৰণে সদায় যে বেয়া হৈছিল—কথা তেনেকুৱা নহয়, ভালো নোহোৱাকৈ নাছিল। সেইখন গাঁৱৰে এচুকত মঙলা নামেৰে এজনী বাঁৰী তিৰোতা আছিল। হঠাৎ এদিন কিবা এক টান বেমাৰত পৰি মঙলা ঢুকাল। কিছুদিনৰ অন্তত মঙলাৰ প্ৰকাণ্ড ঘৰটো মঙলাৰ ওচৰ-সম্পৰ্কীয় মানুহ এজনে বেচিব বুলি ক'লে। কিন্তু মঙলাৰ ঘৰটো কোনেও নিকিনা হ'ল। যি দামকে নাপাওক বেচিব বুলি কোৱাতো কোনো কিনোতা নোলাল। কিয়নো—তিমানতে এই উৰা-বাতৰি বিয়পি পৰিছিল যে—মৰি যোৱা মঙলাই ভূতুনী হৈ ৰাতিৰপৰতে তাইৰ ঘৰতে থাকেহি, কান্দি কান্দি ৰাতি পাৰ কৰেহি।

ঘৰটো সুদৰ্শনে কিনিবলৈ কোৱাত তাৰ দেউতাক প্ৰভাকৰে মত নিদিলে। এৰা বাৰী কিনি বিপদ চপাই ল'ব নালাগে।

তেতিয়া সুদৰ্শনে অকলেই মঙলাৰ প্ৰকাণ্ড ঘৰটোত তিনি ৰাতি খপিলেগৈ। আৰু তাৰ পাছত—তাত কোনো ভূত পিশাচৰ চিন-মোকামো নাই বুলি কোৱাত—প্ৰভাকৰে পানীৰ দামতে ঘৰটো কিনিব পাৰিলে।

প্ৰভাকৰৰ দহ হালিচাতকৈয়ো অধিক মাটি আছিল আৰু তেওঁ অতি দক্ষতাৰে খেতি-বাতি কৰি পৰিয়ালৰ বাবে যথেষ্ট খৰচ-

বিৰচ কৰাৰ অন্ততো ভালেখিনিয়েই সাঁচিব পাৰিছিল। তেওঁ ভাবিছিল যে—পুতেক সুদৰ্শনেও এইদৰে খেতি-বাতি পাৰিব আৰু এই কামত তেওঁক সহায় কৰিব, আৰু তেতিয়া আজিৰ এই দহ হালিচা কালিলৈ বিছ হালিচা হ'বগৈ।

কিন্তু সুদৰ্শন খেতি-বাতিৰ কাষেদিও নগ'ল। তাৰ বক্তব্য হ'ল যে—খেতি-বাতিতনো কি পোৱা যায় ? দিনে-নিশাই হাড়-ভঙা খাটনি খাটি কথমপি চলি যায় মাথোন, আন একোৱেই নহয়। তাৰ মতে—খেতি-বাতিত গাধৰ খাটন খাটি শেহলৈ থাকেগৈ সেই মাটি। গতিকে—এইবোৰ খেম-খাটানিত সি নাই। তাতকৈ সি—অলপ-অচৰপ মূলধন পায় যদি—বেহা-

বেপাৰত ধৰিব, আৰু বছৰ-দুবছৰতে হাজাৰ হাজাৰ লাখ-লাখ টকা আৰ্জিব পাৰিব।

কিন্তু প্ৰভাকৰে পুতেকক ক'লে, "বোপা, বেহা-বেপাৰ আমাৰ কাম নহয়। আমি হ'লোঁ—খেতিয়ক। খেতি-বাতিয়েই আমাৰ বংশ পৰিয়ালৰ পৰম্পৰা। আমাৰ মাজত নীতি আছে, ইমানদাৰী আছে, আছে সত্যবাদিতা। কিন্তু বেহা-বেপাৰত নানান চালাকি কৰিব লাগে, মিছা মাতিব লাগে, ছল-কপট কৰিব লাগে। কিয়নো মৰ্য্যদাৱান খেতিয়ক-পৰিয়ালৰ ল'ৰা হৈ তেনেবোৰ কাম কৰিব লাগে?"

আঁকোগজা সুদৰ্শনে ক'লে, "তথাপি মই—কমেও এবছৰলৈ বেহা-বেপাৰ কৰি চাওঁ। যদি বৰ বেছি ছলাহী-মলাহী কৰিব লাগে বুলি বুজি পাওঁ—এৰি দিম; কিন্তু মৰাৰ আগতেই মই নমৰোঁ, বেপাৰ কৰাৰ আগতেই এই ব্যাপাৰ নেৰোঁ।"

প্ৰভাকৰে পাছত পৰিবাৰ প্ৰণতিৰ ওচৰত এই বুলি খেদ প্ৰকাশ কৰিলে যে—পুতেকে তেওঁক কেৰেপেই নকৰে, আৰু তাৰ মাজত পিতৃভক্তি বোলা কোনো পদাৰ্থ নায়েই।

কিন্তু সুদৰ্শনৰ মাকে আওপাকে সুদৰ্শনকে সমৰ্থন কৰিলে আৰু সুদৰ্শনেও বেহা-বেপাৰ আৰম্ভ কৰিলে।

বেপাৰৰ আৰম্ভণীতেই লাভেই লাভ হৈ থাকিল। কিন্তু এই অপৰিমিত লাভৰ বাবে লোভ চম্ভালিব নোৱাৰি মিছাকথা, আসৈ মতা, পোনে-গুছিয়ে ডুব মৰা, আভুৱা ভঁৰা আদি অপকৰ্মৰ জোৱাৰ বোৱাবলগীয়া হ'ল। কি কৰিম—যি কামৰ যি ধাৰা তাৰপৰা নাই এৰা —সুদৰ্শনে ভাবিলে।

যি কি নহওক, প্ৰভাকৰে বাধ্যত পৰি যিখিনি মূলধন পুতেকক দিছিল, পুত্ৰ সুদৰ্শনে তাৰ পিতাকক সেই মূলধনৰ তিনিগুণ—এবছৰতে ঘূৰাই দিয়াত অবাক হৈ পৰা পিতাকে পুতেকলৈ শলাগৰ শৰাই আগবঢ়ালে আৰু তাক মিঠাকৈ ক'লে, "তুমি যে ইমান সমৰ্থৱান—মই বুজা নাছিলোঁ—মোৰ বুজাত ভুল হৈছিল। তোমাৰ প্ৰকৃত মূল্য মই ঠাৱৰ কৰিব পৰা নাছিলোঁ। মই—মাটিখিনি বেচি তোমাৰ কাৰবাৰৰ ভাগীদাৰ হ'ম বুলি—দ'কৈ ভাবিছোঁ।"

সুদৰ্শনে গম্ভীৰতাৰে ক'লে, "তুমি

কেৱল মোকেই নহয়—গাঁৱৰ বহুতকে সদভাবে আৰ্জি—আনকি আধা-নাৰ্জি হৈও—সততাৰে জীৱন যাপিবলৈ, লাগিলে আধাপেটীকৈ খাবলৈকো সদায় উপদেশ দিয়া। কিন্তু—এতিয়া দেখিছোঁ—তোমাৰ মাজতো—ধনেই ধৰ্ম। মই কিন্তু মোৰ কাৰবাৰত কোনো ভাগীদাৰ নলওঁ।"

কিন্তু পৰৱৰ্তী ডেৰ দুই বছৰৰ মাজত সুদৰ্শনে সত্যৰ বাটেৰে বেহা-বেপাৰ কৰি আনকি মূলধনো হেৰুৱালে।

তেতিয়া সুদৰ্শনে খেতি-বাতিকে কৰিব খুজিলে। সুদৰ্শনে ক'লে যে সি ধানৰ সলনি ধঁপাতৰ খেতি কৰিব, আম কাটি নাৰিকলৰ পুলি পুতিব। কিয়নো—ধানতকৈ ধঁপাতত ঢেৰ বেছি লাভ, আমৰ ওপজ বছৰি এবাৰ, কিন্তু নাৰিকলৰ ওপজ বাৰবাৰ।

দেউতাকে তাক বুজালে, ক'লে যে—ধানখেতিত ধানেই হৈ থাকক, আম খেতিত আম। যদি নতুনকৈ কিবা কৰিবই লাগে—নতুনকৈ মাটি কিনিলেই হ'ল। কিন্তু দেউতাকৰ কথা পুতেকে একোপধ্যে মানি নল'লে।

পৰিবাৰ প্ৰণতিয়ে ক'লে, "অদৃষ্টত যি আছে হ'বই। তাৰ মনত দুখ নিদিয়াই ভাল।"

প্ৰভাকৰে পুতেকক বুজাই-বৰাই পোনাবলৈ বহু চেষ্টা কৰিলে। কিন্তু সুদৰ্শনে ক'লে, "মই জীয়াই থকালৈকে মোৰ মতেৰেহে কাম কৰিম, যেই মন সেই ছন কৰিম, বছ।"

"তেনেহ'লে তুমি তোমাৰ মাটি কিনি লোৱা, আৰু যি কৰা কৰি থাকা।" প্ৰভাকৰে পুতেকক খাৰাংখাচকৈ ক'লে, "ধাৰে ধাৰে

সুদৰ্শনক সুন্দৰীয়ে ভাল পাই পেলাইছিল।

পৰশুৱে সুদৰ্শনে কোৱা কথাখিনি একাণপতীয়া হৈ শুনিলে। শুনি—ভাবি-গুণি ক'লে, "চোৱাঁ, বোপা, তুমি যেনেকৈ বিচাৰা খেতি কৰা, যিমান মাটি লাগে লোৱা। কিন্তু এটি চৰ্ত আছে। চৰ্তটি হ'ল—আমাৰ সুন্দৰীজনীক বিয়া কৰাব লাগিব। যদি মান্তি—তেনেহ'লে ওম্ শান্তি।"

কিন্তু এই ধনেৰে মঠ বন্ধা পৰশু আছিল প্ৰভাকৰৰ দুৰ্ঘোৰ শতুৰু। সিহঁতৰ মাজত মাত-বোল বাদেই—আনকি মুখ দেখা-দেখিও নাই। গতিকে—পৰশুৱে সুদৰ্শনক ক'লে, "তুমি যদি তাইক বিয়া কৰোৱা, তেনেহ'লে কিন্তু তোমাৰ ঘৰলৈ লৈ যাব নোৱাৰিবা, বেলেগে থাকিব লাগিব। যি কৰিবা যা কৰিবা—বিয়াৰ আগতেই ভাবি চাবা, পাছত বুকু থপৰিয়াই নপস্তাবা।"

সুদৰ্শনে আটাইখিনি কথা তাৰ মাকক ক'লেগৈ। শুনি মাক অতি দুশ্চিন্তিত হ'ল। সুদৰ্শনৰ বিয়া পাতি এজনী ফুটফুটীয়া বোৱাৰী ঘৰলৈ লৈ আহিব—চাৰিও মিলি মিলাপ্ৰীতিৰে থাকিব—এবছৰ-দুবছৰৰ অন্তত এটি কেঁচুৱাই ঘৰ পোহৰ কৰিব—তেওঁৰ এই বহুদিনীয়া ইচ্ছা দেখোন মাষিমূৰ হোৱাৰ উপক্ৰম!

ভাবি ভাবি—তেওঁ চুবুৰীয়া গাঁৱলৈ গ'ল। তাত স্বামী আত্মানন্দ আছে—যিগৰাকী মহাত্মাই মন কৰিলে কেৱল লতা-পাত-শিপাৰে যিকোনো মানুহ-মুনিহৰ মনৰ

পিতলৰ বিৰি পিন্ধাগৈ—তেনে।"

এনেবোৰ ইতিকিঙীয়া কথা হজম কৰি দেউতাকৰ ভৰিত দীঘল দি পৰাবিধৰ ভকত—সুদৰ্শন কোনো দিনেই নাছিল। সি তৎক্ষণাৎ গাঁৱৰে উত্তৰসীমাত থকা এক অতি ধনৱান খেতিয়ক পৰশুৰ ওচৰলৈ বুলি খোজ ল'লে।

পৰশু আছিল কমেও এশ হালিচা মাটিৰ গৰাকী। কিন্তু তেওঁৰ ইমান সা-সম্পদ ভোগ কৰোঁতাহে নাই। পৰিবাৰ, আৰু একদম শেহ বয়সত ওপজা এজনী ছোৱালী মাথোন। ছোৱালীজনী নামতো সুন্দৰী, দেখাতো। সুদৰ্শন যেতিয়া পৰশুৰ ঘৰলৈ আহিল, তেতিয়া সুন্দৰীয়ে ঘৰৰ দুৱাৰমুখতে ঘূৰি ফুৰিছিল। আৰু—প্ৰথম দেখাতেই সুন্দৰ

পৰিৱৰ্তন কৰিব পাৰে বুলি কয়।

সকলো কথা মন পুতি শুনাৰ অন্তত স্বামী আত্মানন্দই সুদৰ্শনৰ মাকক ক'লে, "কথা হ'ল — পুলি যেনেকৈ তুলিবা—ফল তেনেকৈয়েই পাবা। ইয়াৰ অন্যথা নহয়-নহ'ব। যি শুনিলোঁ—তোমালোকৰ ল'ৰাটো এতিয়া গিয়ানবুধীয়া সিয়ান হ'ল। গতিকে—সৰিয়হৰ জনম লৈ বেটেৰিৰ চেপাৰে ভয় কৰি কি লাভ? একো লাভ নাই। আৰু—তুমিয়েই ক'লা—অদৃষ্টৰ আখৰ কোনেও খণ্ডাব নোৱাৰে। ঠিক কথা। যদি সেই কথা বিশ্বাস কৰা—তেনেহ'লে ফলাফল ভগৱন্তত সমৰ্পি শুই থাকিলেও হ'ব। আৰু—তথাপি যদি কিবা কৰিব লাগে বুলি ভাবা—তোমালোকে নিজকে সলাই পেলোৱা, আৰু ল'ৰাৰ মতে মত দিয়া। তাৰেও কিজানি তোমালোকৰ ভালেই হ'ব— ।" স্বামী আত্মানন্দই আত্মগতভাৱে কথাখিনি কৈ গ'ল।

"মই কিন্তু এই বিষয়ত আলচ-বিলচ কৰিবলৈ আপোনাৰ কাষ চপা নাই। আপুনি মোৰ ল'ৰাটোৰ মনত পৰিৱৰ্তন আনি দিব লাগে—কথা মুঠতে ইমানেই। তাৰ কাৰণে যা লাগে যি লাগে আমি দিবলৈ সাজু।" সুদৰ্শনৰ মাকে আত্মানন্দক ক'লে।

"ঠিক আছে, মই কৰিব পৰা কৰিম, কিন্তু সি এদিনমাত্ৰ আহিলেই নহ'ব, দুই দিনলৈ আহিব লাগিব।" স্বামী আত্মানন্দই ক'লে, "পিছে—মই যিমানে যি নকৰোঁ—তাৰ বুদ্ধিৰে জোখাৰেহে ফল হ'ব।" আত্মানন্দই

খাৱাংখাচ কৈ দিলে।

ঘৰলৈ উভতি সুদৰ্শনৰ মাকে তেওঁৰ গিৰিয়েকলৈ সকলোখিনি কথা ভাঙি-পাতি ক'লে। ক্ষন্তেকমান ৰৈ প্ৰণতিয়ে পুনৰ ক'লে, "এতিয়া চিন্তাৰপৰা নিঃচিন্ত হওক, এতিয়া আপোনাৰ চিন্তা আঁতৰক।"

"শুনা, আচলে কথাটোলৈ তুমি কোনোদিনে মনেই কৰা নাই যে—তাৰ মাজত পিতৃভক্তি বোলা একো নাই। তোমাৰ ধাৰণা যে—সি মোতকৈ বহুগুণে বুধিয়ক। এতিয়া বুজিলানে? বুজ পালানে তোমাৰ গিয়ানবুধীয়া সিয়ান ল'ৰাৰ ?" প্ৰভাকৰে পৰিবাৰক পানী পানী কৰি শিকাবৰ মনেৰে পোতা কথা উজাৰি চেপেনাৰে চেপিলে।

"সময়েই কৈ দিব—কোন কি হয় আৰু

কোন কি নহয়।" প্ৰণতিয়ে প্ৰভাকৰক শুদাই নেৰিলে আৰু আওপাকে বেদান্তৰ সাৰকথা শুনালে।

তাৰ পাছত পতি-পত্নীয়ে পৰস্পৰক সংযত কৰি লৈ সুদৰ্শনক মতাই অনাই ক'লে, "বোপা, তোমাৰ ইচ্ছাক আমি কেতিয়াও অস্বীকাৰ নাই কৰা, এইবাৰো নকৰোঁ। তোমাৰ যদি ইচ্ছা আছে—তাতেই বিয়া কৰাবা—আমি কোনো ধৰণৰ আপত্তি-বিপত্তি নদৰ্শাওঁ। পিছে—আজি স্বামী আত্মানন্দৰপৰা আশীৰ্বাদ লৈ আহাঁ যদি—আমি নথৈ সুখ পাম।"

সুদৰ্শনে মাতৃ-পিতৃৰ কথা মনে-চিতে মানি ল'লে আৰু সেই দিনাই স্বামী আত্মানন্দৰ কাষ চাপিল।

স্বামী আত্মানন্দই সুদৰ্শনক ক'লে, "চোৱাঁ, বোপা, সঁচা কথা হ'ল এয়ে যে—তোমাৰ মাতৃয়ে যে তেওঁৰ বোৱাৰীলৈ ভাল চকুৰে চাব—সেই আশা নকৰাই ভাল। তেওঁ হ'ল উগ্ৰস্বভাৱৰ নাৰী। আৰু তোমাৰ পিতৃৰ কথা যিমান কম কোৱা যায়—সিমানেই ভাল। তেওঁ হ'ল এক দাম্ভিক অপৰিপক্ক বুদ্ধিৰ মানুহ। এনেহেন মানুহে বৃদ্ধাৱস্থাত তোমাৰ দৰে সজবো সজ ব্যক্তিৰ— "

সুদৰ্শনে হাত দাঙি স্বামী আত্মানন্দক ৰখালে আৰু ক'লে, "মোৰ মাতৃ-পিতৃয়ে মোক আপোনাৰপৰা আশীৰ্বাদ ল'বলৈ পঠাইছিল, তেওঁলোকৰ নিন্দা-অপযশ শুনিবলৈ নহয় নহয়— ?" এই বুলি কৈয়েই সুদৰ্শন তাৰপৰা দুপদুপাই গুচি গ'ল।

ঘৰ পাই সুদৰ্শনে তাৰ মাক-দেউতাকক কথাখিনি কোৱাৰ অন্তত মন্তব্য কৰিলে, "থিয়ৈ থিয়ৈ মাতৃ-পিতৃৰ নিন্দা-অপযশৰ কীৰ্তন শুনাত মই নাই। মোৰ নিজৰ বুজ-বিবেচনা বোলা পদাৰ্থ—ব্যক্তিত্ব বোলা বস্তুবো কিঞ্চিত দাম আছে। গতিকে—কোনোবা আত্মানন্দক পাত্তা দিয়াৰ কোনো আৱশ্যকতা নাই। মই তোমালোকৰ সন্তান, তোমালোকে যি ক'বা—সেয়ে হ'ব। তোমালোকেই মোক আশীৰ্বাদ দিয়া।" এই বুলি কৈ একালৰ আঁকোগজা সুদৰ্শনে মাতৃ-পিতৃৰ চৰণধূলি মূৰত ল'লে।



সম্ৰাট অশোক

[আগৰ কথা: মহাৰাজ বিন্দুসাৰৰ মৃত্যুৰ অন্তত অশোকে সুশেম আদি শত্ৰুক নিধন কৰিলে। সাম্ৰাজ্যৰ সেনাধিপতি, মহামন্ত্ৰী আৰু ৰাজ-পুৰোহিতৰ পৰামৰ্শক্ৰমে তথা অনুৰোধক্ৰমে যুৱৰাজ অশোকে মগধ সাম্ৰাজ্যৰ সিংহাসনতো উপবেশন কৰিলে আৰু দ্বিতীয় দাৰপৰিগ্ৰহও কৰিলে। বিদিশাদেৱীক উজ্জয়িনীৰ পৰা ৰাজধানী পাটলিপুত্ৰলৈ লৈ আহিবলৈ ব্যৰ্থ হৈ ৰজা অশোক মৰ্মাহত হ'ল আৰু ইমান বিশাল মগধ সাম্ৰাজ্যৰ মহাৰাজ হোৱা সত্বেল তেওঁৰ জীৱন যেনিবা বিষাদময় হৈ উঠিল। আৰু—এই অৱস্থা চাই মহামন্ত্ৰী আৰু সেনাধিপতিয়ে যুৱৰাজ অশোকক কলিঙ্গ বিজয়লৈ উদগালে। আৰু তাৰ পাছত....]

১৪

মহাৰাজ অশোকক যশে ক'লে, "আমি, অকস্মাৎ কলিঙ্গ আক্ৰমণ কৰিলোঁ, কিন্তু তথাপি কলিঙ্গৰ প্ৰজাবৰ্গই অতি দৃঢ়তাৰে আমাৰ আক্ৰমণ প্ৰতিহত কৰিব ধৰিছে যে—ৱাস্তৱিকেই অবাক-কথা, কলিঙ্গৰ প্ৰজাবৰ্গৰ দেশপ্ৰেম আৰু সাহসৰ কোনো তুলনা নাই। এওঁলোকক সঠিক বাটেৰে পৰিচালনা কৰিবলৈ কোনো ৰজা-মহাৰজাও নাই। অথচ সুশৃংখলভাবে শৌৰ্য্যৱান মগধ সৈন্যৰ মুকাৱলা যে কেনেকৈ কৰিছে—মন কৰিবলগীয়া অতীতৰ বুৰঞ্জীত এনেহেন অসম যুদ্ধৰ কোনো বিবৰণ পোৱা নাযাব। যদিও এওঁলোক সামান্য প্ৰজামাত্ৰ, তথাপি অপৰিসীম বীৰতাৰে-দৃঢ়তাৰে কেনেকৈ যে যুঁজিছে—নেদেখিলে বিশ্বাস কৰা টান। আমাক প্ৰতিহত কৰিবলৈ—দেশক শত্ৰুৰ আক্ৰমণৰপৰা ৰক্ষা কৰিবলৈ এই

'বিজয়-বেদনা'

সাধাৰণৰো সাধাৰণ হালোৱা-জালোৱা কুমাৰ-কমাৰ প্ৰজাহঁত কেনেকৈ যে প্ৰতিজ্ঞাৱদ্ধ হ'ল—ভাবিলে আচৰিত মানিব লাগে। "এতিয়া এওঁলোকৰ দেশ ৰজাহীন, সাধাৰণ ৰাজকৰ্মচাৰীসকলেই দেশৰ শাসনভাৰ চম্ভালি আছে। তথাপি—ইমান শৃংখলা ? ইমান একতা ? ইমান দৃঢ়তা ?" মহাৰাজ অশোকেও বিস্ময় প্ৰকাশ নকৰি নোৱাৰিলে।

সেনাধিপতি মৌন হৈ থাকিল।

তেওঁলৈ চাই যশে ক'লে, "আমি কিন্তু আপোনালৈ কোনো দোষাৰোপ কৰা নাই, কলিঙ্গৰ সাধাৰণ প্ৰজাৰ মাজত থকা দেশাত্মবোধ আৰু অপাৰ সাহসৰহে আমি যথোচিত শলাগ লৈছোঁ।"

সেনাধিপতিয়ে ধীৰ কণ্ঠেৰে ক'লে, "শত্ৰু নিধনৰ কাৰ্য্যত—দয়া-মায়া প্ৰদৰ্শনৰ স্থান থাকিব নোৱাৰে। অথচ—আমাৰ সৈন্যবাহিনীৰ প্ৰতি আমি নিৰস্ত্ৰ প্ৰজাক নবধিবলৈ টানি আদেশ দি থৈছোঁ। এই আদেশ প্ৰত্যাহাৰ কৰিবলৈ মহাৰাজে ব্ৰৱস্থা ল'লেহে ভাল...।"

যশেও কৈ উঠিল, "ঠিক। শত্ৰু—শত্ৰুৱেই। যুদ্ধ দিয়াৰ বাবে ওলাই দয়া-মায়া-মানৱতা প্ৰদৰ্শন—অৰ্থহীন। যি-শত্ৰু সমুখলৈ আহিব—তাকেই কুচুকটা দিব লাগিব, নহ'লে বিজয়লাভ হ'ব সুদূৰপৰাহত, মহাৰাজ ! আৰু— "

ঠিক এনেতে সুতীব্ৰ স্বৰেৰে ৰণভেৰী ধ্বনিত হ'ল। কাঁড়ৰ গতিৰে যশ তম্বুৰপৰা বাহিৰলৈ ওলাল, আৰু এজন দল-নায়কক লগত লৈ পুনৰ তম্বুৰ ভিতৰলৈ আহিল।

"তোষালী দুৰ্গৰ চাৰিওফালে তয়াময়া যুদ্ধ চলি আছে। আমাৰ পাঁচহেজাৰ সৈন্য নিহত হ'ল আৰু অৰ দুগুণ কলিঙ্গ সেনা মৰিল। কিন্তু তথাপি এক অতি আচৰিত কথা এয়ে যে—আমাৰ দুৰ্দ্ধৰ্ষ সৈন্যবাহিনীৰ আক্ৰমণক প্ৰতিহত কৰা কলিঙ্গৰ সৈন্যবাহিনীত—কিছুমান সৈনিক দলনায়ক বাদে প্ৰকৃততে কোনো সৈন্য নাই—সিহঁত দৰাচলতে কলিঙ্গৰাজ্যৰ সাধাৰণ প্ৰজা মাথোন—সিহঁতে যুদ্ধ কাক বোলে একোবাৰেই নাজানে।" সেইজন দল নায়কে ক'লে।

"কলিঙ্গৰ প্ৰকৃত সৈন্যবাহিনীয়ে আমাৰ সৈন্যবাহিনীক আক্ৰমণ কৰাৰ আগতে আমাক যিমানখিনি সম্ভৱ বলহীন কৰি তোলাৰ বাবেহে

কলিঙ্গৰ বৰ্তমান শাসকহঁতে এই কৌশল লৈছে। এতিয়া আৰু অযথা বিলম্ব নকৰি যুদ্ধ-পৰিচালনাৰ দায়িত্ব আমিয়েই লোৱা উচিত হ'ব। যশ, আমিয়েই মগধ সেনাৰ নেতৃত্বত থাকিম। —আগ বাঢ়া....।" দৃঢ় কণ্ঠেৰে অশোকে আদেশ জাৰী কৰিলে।

আৰু লগে লগে সকলোতে সকলোটি যেনিবা মন্ত্ৰবলেৰে উজ্জীৱিত হৈ উঠিল।

চৰিয়াহঁতে এই সম্বাদ কঢ়িয়াই আনিলে যে—যুদ্ধক্ষেত্ৰৰ সমীপস্থ এখন গাঁৱত হাজাৰ হাজাৰ নাৰীয়ে কলিঙ্গৰ যুঁজাৰুহঁতৰ বাবে আহাৰ্য্য বন্ধন কৰিছে, আৰু সেই নাৰী সকলেই আহত যুঁজাৰুহঁতৰো আলপৈচান ধৰিছে।

এই সম্বাদ পোৱামাত্ৰেই মগধৰ সেনাধিপতিয়ে জনাদিয়েক সৈন্য লগত লৈ সেই দিশলৈ লৰৰি গ'ল, আৰু গৈয়েই গাঁও-কে-গাঁও জ্বলাই ভস্মীভূত কৰি পেলালে।

কিন্তু তথাপি সেই বীৰ ৰমণীসকল নডৰিল। তেওঁলোকে জ্বলন্ত খৰিকাঠ জোঁৰৰ দৰে হাতত লৈ মগধ সৈন্যক ভেটি থাকিল আৰু চিঞৰি-চিঞৰি কৈ থাকিল, "আমিনো তোমালোকৰ কি অনিষ্ট কৰিছিলোঁ যে আমাক এইদৰে অন্যায় আক্ৰমণ কৰিলা ? আমাৰ দেশে মগধ আক্ৰমণ কৰিছিলনেকি ? কিয়নো তোমালোকে আমাৰ সেউজীয়া গছে-বনে ভৰপূৰ দেশখনত জুই লগাইছা ? আমাৰ দেশৰ এচিকুট মাটিও তোমালোকে নোপোৱা। তেজৰ নৈ বৈ যাওক তথাপি আমাৰ দেশ আমাৰ মাটি বৈ যাওক। আমাক একোপধ্যে তোমালোকে তোমালোকৰ তলতীয়া কৰিব নোৱাৰা—

নোৱাৰা—একোপধ্যেই নোৱাৰা !"

কিন্তু মগধৰ সৈন্যহঁতে অতি নিৰ্মমতাৰে এই বীৰ নাৰীসকলক কাটি ছোৱা ছোৱা কৰি পেলালে। তোষালীৰ দুৰ্গক আগুৰি ধৰি সাগ্ৰাম দিন সংগ্ৰাম চলি থাকিল।

পাছদিনা, যশে মহাৰাজ অশোকক ক'লেগৈ, "মহাৰাজ, এটি শুভ-সম্বাদ দিওঁ। তোষালীৰ দুৰ্গৰ এখন প্ৰাচীৰ অলপমান টুটাব পৰা গ'ল। মই—কিছুমান নিপুণ সৈনিকক সেই ফাটেদি যেনেতেনে তোষালীদুৰ্গৰ ভিতৰলৈ সোমাবলৈ আৰু কলিঙ্গৰ দল নায়কবিলাকক নিৰ্বিচাৰ হত্যা কৰিবলৈ আদেশ দিলোঁ। তোষালী দুৰ্গস্থ কলিঙ্গৰ দলনায়কবিলাকক বধিব পৰা হ'লে তোষালীৰ দুৰ্গ আমি নিশ্চয়েই অধিকাৰ কৰিব

এই ঘটনাৰ অন্তত যশ আৰু মহাৰাজ অশোক তোষালী দুৰ্গৰ ভিতৰলৈ আহিল। মহাৰাজ অশোকক দেখা পাই এগৰাকী মুমূৰ্ষু বৃদ্ধ কলিঙ্গ দল-নায়কে ক'লে, "আমাক যে তুমি মাৰি পেলাব পাৰিলা—সত্য। কিন্তু আমাৰ আত্মাক আৰু আমাৰ দেশাত্মবোধক তুমি মাৰি পেলাব নোৱাৰা, আমাৰ দেশাত্মবোধ শাশ্বত হৈ থাকিব। যেতিয়ালৈকে আমি তোমালোকৰ শেষ সৰ্বনাশ কৰিব নোৱাৰিম—আমাৰ এই শাশ্বত আত্মা জুৰ নপৰিব। তোমালোকে আমাৰ নিৰ্দোষী-নিৰস্ত্ৰ নাৰীসকলকো যেনেকৈ নিৰ্দয় নিৰ্মমতাৰে মাৰি পেলালা—তেনেকৈ তোমালোকৰ নাৰীসকলকো মাৰি পেলাব পাৰিলেহে আমি কথঞ্চিত শান্তি পাম।"

মহাৰাজ অশোকে সেই মুমূৰ্ষু বৃদ্ধক সুধিলে, "হে বৃদ্ধ, আপোনালোকৰ নিৰ্দোষী নিৰস্ত্ৰ নাৰীসকলক কোনে মাৰিলে?"

কিন্তু মহাৰাজ অশোকৰ এই প্ৰশ্নৰ উত্তৰ নৌ দিবলৈ পাওঁতেই সেই বৃদ্ধ দল-নায়ক ঢুকাল।

যশে অশোকক ক'লে, "বিখ্যাত তোষালীদুৰ্গ আমাৰ কৰতলগত হ'ল।"

"কিন্তু— " মহাৰাজ অশোকে ক'লে, "অধিকৃত এই দুৰ্গত দেখোন প্ৰাণৰ কোনো স্পন্দনেই নাই!"

"কলিঙ্গৰ যিমান দল-নায়ক দুৰ্গত আছিল — বধ কৰা হ'ল। প্ৰজাবিলাকৰ কিছুমান মৰিল, কিছুমান আহত হ'ল, আৰু কিছুমানক বন্দী কৰি লৈ যোৱা হ'ল। এইবিলাকক দয়া পাৰিম। আৰু নিশ্চয়েই অধিক কৰিম।"

"হে মিত্ৰ, তুমি প্ৰকৃততেই শুভ সম্বাদ শুনালা।" অশোকে হৰ্ষোৎফুল্ল কণ্ঠেৰে ক'লে, "মই সেই ক্ষণলৈ প্ৰতীক্ষা কৰি আছোঁ—যি-ক্ষণত কলিঙ্গত মগধৰ ৰাজপ্ৰতিনিধিৰূপে তোমাৰ নাম ঘোষণা কৰিম।"

মহাৰাজ অশোকৰ এই কথা শুনি যশ আবেগত অভিভূত হৈ পৰিল।

যশৰ আদেশত মগধৰ সেনাধিপতিয়ে তোষালীৰ দল-নায়কহঁতৰ বাসস্থান আগুৰি ধৰিলে। তাত সৰ্বমুঠ এঐকেছজন দল-নায়ক আছিল। এওঁলোকৰ মাজত কেইগৰাকীমান বৃদ্ধ দল-নায়কো আছিল। শত্ৰুসৈন্যৰ বিৰুদ্ধে দেশপ্ৰেমৰ আবেগমথিত পৰাক্ৰমৰে সৈতে যুঁজি এওঁলোকে অকাতৰে প্ৰাণ বিসৰ্জিলে।

নৈৰ পাৰলৈ পঠোৱা হৈছে।" যশে ক'লে, "এই কথাৰ অৰ্থ হ'ল এয়ে যে—আমি এক জনহীন দুৰ্গ অধিকাৰ কৰিব পাৰিলোঁ।" অশোকে ক'লে।

"ওঁ—" যশে সেমেনা-সেমেনকৈ ক'লে, "জনহীন—কিন্তু ধনপূৰ্ণ। কলিঙ্গৰ সমুদ্ৰী বণিজাৰহঁতে সিহঁতৰ ধনৰাশি ইয়াতেই সুৰক্ষিত কৰিছিল। অৱশ্যে—সদ্যহতে সেই সামুদ্ৰিক বাণিজ্য বন্ধ।"

"কলিঙ্গৰ বণিজাৰসকলৰ বাণিজ্যত বাধা দি আমাৰ কি লাভ? তেওঁলোকে আমাৰ দেশৰ প্ৰতিনিধি বণিজাৰৰূপে বাণিজ্য কৰে যদি কৰি থাকক।" অশোকে ক'লে।

"আপোনালোকৰ অধীনস্থৰূপে কলিঙ্গৰ কোনো এজন বণিজাৰেও বাণিজ্য নকৰিব।"

কোনোবা এজনে মহাৰাজ অশোকৰ কথাৰ উত্তৰত কৈ উঠিল। অশোকে ঘূৰি চালে। দেখা পালে—এক মৃত্যুপথযাত্ৰী কলিঙ্গ দলনায়কে এই কথা কৈ আছে।

"তুমি এতিয়ালৈকো জীয়াই আছানে—" এই বুলি কৈয়েই মগধৰ দলনায়ক এজনে এপাট ধাৰাল অস্ত্ৰেৰে সেই মৃত্যুমুখী দলনায়কৰ ডিঙি কাটি পেলালে।

"কিয় তুমি অনাৱশ্যক কামটো কৰিলা?" মহাৰাজ অশোকে দল-নায়কক সুধিলে।

"মহাৰাজ, য'ত স্বয়ং আপুনি আছে—তাত আমি কোনো সামান্যমান ত্ৰুটিও ৰাখিব নোৱাৰোঁ। তাৰ ইমানেই হিম্মত হ'ল যে—আপোনাৰ মাতৰ ওপৰত মাত মাতিলে। যদি তাৰ ওচৰত কিবা অস্ত্ৰ-শস্ত্ৰ থাকে—আৰু



আপোনালৈ দলিয়ায়—সেই ডৰতে তাক খতম কৰি পেলালোঁ।" দল-নায়কে নিজৰ কাৰ্য্যৰ সমৰ্থনত ক'লে, আৰু দলনায়কৰ এই বক্তব্যক সেনাধিপতিয়েও সমৰ্থন কৰিলে।

"তথাপি—মহাৰাজ যিস্থলত উপস্থিত—সিস্থলত মহাৰাজক নোসোধাকৈ যে কোনো কাম খৰখেদাকৈ কৰি পেলোৱা অনুচিত—সেই কথাটোও নিশ্চয় জানেই?" যশে দল-নায়কক সুধিলে।

"ক্ষমা প্ৰাৰ্থনা কৰিছোঁ। মহাৰাজৰ নিৰাপত্তাৰ কথা ভাবিহে মই অনুচিত কামটো কৰি পেলালোঁ।" দলনায়কে ক'লে।

অশোকে যশক ক'লে, "এনেকৈ আমি অতি নিৰ্দয়-নিৰ্মম নহওঁ যেন—তাকো চাব লাগিব, মিত্ৰ।" তাৰ পাছত তেওঁ

দুৰ্গৰপৰা ওলাই অহাৰ লগে লগেই উপ-সেনাধিপতিয়ে মহাৰাজ অশোকক ক'লে, "মহাৰাজ, লক্ষ লক্ষ কলিঙ্গপ্ৰজা মৰিল। তাতোকৈ অধিক বন্দী কৰা হ'ল। কলিঙ্গ-যুদ্ধৰ অন্ত পৰিল যেনেই পাইছোঁ।"

মহাৰাজ অশোকে উপ-সেনাধিপতিৰ এই কথাৰ কোনো উত্তৰ নিদিলে, তেওঁ তেওঁৰ অশ্ব চালনা কৰি আগ বাঢ়িল আৰু সেনাধিপতি আৰু যশ অশোকৰ পিছে পিছে গৈ থাকিল।

গৈ গৈ মহাৰাজ অশোকে সেই ঠাই পালেগৈ। তাত তেতিয়া হৃদয়বিদাৰক দৃশ্য দেখি তেওঁ বিচলিত হৈ পৰিল। গাঁও-কে-গাঁও ভস্মীভূত, আৰু সেই নিৰল-নিৰ্জন নিমাওমাও ঠাইত শিয়াল-শগুণবিলাকে দহিত মৃতদেহ আহাৰৰত।

এই দৃশ্য অৱলোকন কৰি মহাৰাজ অশোক মোহ্যমান হৈ পৰিল। এই বিজয়—বিজয়নে পৰাজয়—সেই কথাই তেওঁৰ হৃদয়ক কাড়ে বিন্ধাদি বিন্ধি থাকিল।

সেনাধিপতিলৈ চাই সুধিলে," আমাৰ সৈন্যসকলে নিৰপৰাধ—নিৰস্ত্ৰ নাৰীসকলকো নিৰ্মমভাবে হত্যা কৰাৰ সম্বাদ—সত্য নে ?"

"এই কথা সত্য যে—সেই নাৰীসকল নিৰস্ত্ৰয়েই আছিল। কিন্তু সিহঁতে কলিঙ্গৰ সশস্ত্ৰ সৈন্যহঁতৰ বাবে খাদ্যান্ন বন্ধন কৰি আছিল আৰু কলিঙ্গৰ শত-সহস্ৰ আহত সৈন্যক শুশ্ৰূষা-পৰিচৰ্য্যা কৰিছিল।" সেনাধিপতিয়ে ক'লে।

"সেই নাৰীসকল ক'ৰ আছিল ?" মহাৰাজ অশোকে সুধিলে।

"কলিঙ্গৰ সকলো ঠাইৰেপৰাই দলে দলে তোষালীলৈ আহিছিল।"

মহাৰাজ অশোকে ক্ষন্তেকমান চিন্তাৰ অন্তত ক'লে, "য'ত সেই নাৰী সকলক নিহত কৰা হৈছে—মোক তালৈ লৈ ব'লক।"

বহুতোপৰলৈকে মৌন হৈ থকাৰ অন্তত মহাৰাজ অশোকে দীঘলীয়া হুমুনিয়াহ কাঢ়ি প্ৰায় আত্মগত কণ্ঠেৰে যশক ক'লে, "যশ, আমি কলিঙ্গ বিজয় কৰিলোঁ। এতিয়াৰপৰা তুমি এই ৰাজ্যৰ শাসনভাৰ গ্ৰহণ কৰাঁ। মই—"

অশোকে তেওঁৰ কথা সম্পূৰ্ণ নৌ কৰোঁতেই এক নাৰীকণ্ঠৰ হাঁহি উঠাত মহাৰাজ অশোক উচপ খাই উঠিল আৰু পাছ মুহূৰ্ততে যশ অশ্বপৃষ্ঠৰপৰা ভূমিলৈ বাগৰি পৰিল। যশৰ বুকুত এডাল বিষাক্ত কাঁড় বিন্ধি থকাত যশ অস্থিৰভাবে ছটফটাই আছিল।



অশোক আৰু সেনধিপতি মুহূৰ্তকে অশ্বৰ পিঠিৰপৰা নামি আছিল। সেনাধিপতিয়ে সেই নাৰীজনীক বিচাৰি উলিয়াই বন্দী কৰিবলৈ সৈন্যহঁতক আদেশ দিলে।

"মোক বিচাৰিব নালাগে, মই ইয়াতে আছোঁ।" এই বুলি কৈ কৈ সেই কাঁড়ী নাৰীগৰাকীয়ে ধনুকাঁড় হাতত লৈ ধীৰ খোজেৰে তালৈ আহিল। এই নাৰীগৰাকী দেখাত ক্ৰুদ্ধা দেৱী দুৰ্গা যেন আছিল। এজন দল-নায়কে কাঁড়ী নাৰীগৰাকীক বন্দী কৰিলে।

ক্ষণকালৰ বাবে স্তব্ধ অশোকে নিজক সংযত কৰি ল'লে, আৰু সেই যুৱতী নাৰীক সুধিলে, "কিয় তুমি এই পাপ কৰিলা ?"

"নিজৰ অপাৰ পাপ লুকুৱাবলৈহে মোৰ ওপৰত পাপৰ দোষাৰোপ কৰিছেনে ? কলিঙ্গক যে কোনেও কদাপি জয় কৰিব নোৱাৰে—মই সেই কথা সাব্যস্ত কৰিলোঁ। পৰৰাজ্যৰ কোনোবায়েই—যিমানেই ক্ষমতাৰ অধিকাৰী নহওক—আমাৰ দেশৰ শাসক হ'ব যে নোৱাৰে—সেই কথা—হে পৰৰাজ্যৰ ৰজা—তোমাক মই প্ৰত্যক্ষভাবে দেখুৱাই দিলোঁ। আমাৰ ভূমিক কোনোবা অনধিকাৰীয়ে অধিকাৰ কৰিবলৈ আহিলে, তেওঁৰ কি অৱস্থা হ'ব—মাত্ৰ সেই কথা কাঁড়েৰে ক'লোঁ।" যুৱতী নাৰীগৰাকীয়ে দৃঢ়তাৰে ক'লে।

"মহাৰাজ, এই পাপিনীক বধিবলৈ অনুমতি প্ৰদান কৰক।" দল-নায়কে ক'লে।

"নহয়— " যশে কাতৰ কণ্ঠেৰে কৈ উঠিল, "দলনায়ক, এনেহেন কাৰ্য্য নকৰা। এই যুৱতীনাৰীয়ে মোক হত্যা কৰাৰ সলনি—মন কৰিলে—আমাৰ মহাৰাজকো হত্যা কৰিব পাৰিলেহেঁতেন। কিন্তু তেওঁ জানি-বুজিও সেই ঘৃণ্য কাৰ্য্য কৰা নাই।"

মহাৰাজ অশোকে পৰম বন্ধু যশক পানী পান কৰাবলৈ চেষ্টা কৰি চালে। কিন্তু তিমানতে যশে সিপুৰী পালেগৈ।

তাত তেতিয়া নিথৰ নীৰৱতা। যেনিবা বায়ুও বন্ধ হৈ গ'ল। মহাৰাজ অশোক তেওঁৰ প্ৰিয় বন্ধু যশৰ কাষত প্ৰস্তৰমূৰ্তিৰ দৰে বহি থাকিল। তেওঁ ভাবি থাকিল : এই ভয়ঙ্কৰ ৰক্তাক্ত যুদ্ধই মোক কি দিলে ? বিজয় লাভ ? এয়ানো কি বিজয় ? এয়া দেখোন এক বিৰাট পৰাজয় ! মহাৰাজ অশোক বিজয়ৰ বেদনাৰে বেদনাৰ্ত হৈ পৰিল। [অহা সংখ্যাত অন্ত

নৰ-জীৱনৰ মন্ত্ৰ

তথাপি ৰজা বিক্ৰমাদিত্য নদমিল। তেওঁ তেওঁৰ প্ৰতিজ্ঞাত অটল হৈ থাকিল আৰু পুনৰ সেই গাছৰ ডালৰপৰা শৱদেহ কঢ়িয়াই আনি কান্ধৰ ওপৰত পেলাই লৈ ঘোৰ অমানিশাৰ দুৰ্ঘোৰ অন্ধকাৰৰ বুকু ফালি ফালি প্ৰতিজ্ঞা-পূৰণাৰ্থে ভূত-প্ৰেতৰ আবাসস্থল মৰিশালিলৈ বুলি গৈ থাকিল। কিন্তু সেই শৱদেহত থকা নাছোৰবান্দা বেতালেও পুনৰ কৈ উঠিল, "হে ৰজা, তোমাৰ শক্তি-সামৰ্থ্য, ধৈৰ্য্য-সহ্য যে ত্ৰিজগততো অতুলন, সন্দেহ নাই। কিন্তু তথাপি, ইমান দুখ-ভাগৰ সহিওবা শেহলৈ তুমি কি পাবা? জীৱন—মাত্ৰ এটিবাৰলৈহে। বাৰে বাৰে জনম ল'লেও প্ৰত্যেকবাৰেই নৱ-জীৱনৰ দুখ-ভাগৰৰে ভৰা নতুন জীৱনৰ পাতনি আৰু সেই জীৱনজোৰা নাকনি-কাননি। এই বিষয়ে তোমাক আজি এটা দুৰ্দ্ধৰ্ষ লুটিয়াৰৰ—এক দুৰন্ত ডকা দিয়াৰ কাহিনী ক'ম।" এই বুলি বেতালে পুনৰ ক'বলৈ ধৰিলে ঃ

বেতাল-কথা



মন্দাৰদেশৰ শাসক মণিধ্বজ আছিল বিবেকৱান, ধৈৰ্য্যৱান আৰু ন্যায়ৱান ৰজা। তেওঁ তেওঁৰ ধৰ্মসম্মত শাসনৰ বাবে খ্যাত হৈছিল। কিন্তু তেতিয়াৰ কালৰ শাসনবিধি আছিল কঠোৰতো কঠোৰ। চোৰৰ হাত কাটি পেলোৱা হৈছিল, ডকা দিয়াহঁতক শূলত দিয়া হৈছিল। কিন্তু তথাপি সমগ্ৰ দেশতে দিনক দিনে চোৰ- ডকাইত-লুটিয়াৰৰ অত্যাচাৰ ক্ৰমাত বাঢ়িহে গৈছিল।

মন্দাৰদেশ আৰু চুবুৰীয়া সাবীৰদেশৰ মাজত আছিল এক মহাৰণ্য। আৰু—এই মহাৰণ্যয়েই আছিল দেশৰ চোৰ-লুটিয়াৰহঁতৰ গুপ্তি—অৰ্থাৎ লুকাই থকা ঠাই। ৰজা মণিধ্বজৰ সৈন্যহঁতে এই অৰণ্যৰ বুকু ফালি ফালি চোৰ-লুটিয়াৰহঁতক ধৰাৰ চেষ্টা কৰিও ব্যৰ্থ হৈছিল।

এই মহাৰণ্যতে আছিল ভৈৰৱ নামৰ ভয়ংকৰ এক ডকাইত। ডকা দিয়াত ভৈৰৱৰ তুলনা ভৈৰৱেই। তাৰ দেউতাকৰ মৃত্যুৰ পাছত—সকলোৰে সৈতে সি ডকা-দিয়াহঁতৰ চৰ্দাৰৰ দায়িত্ব লৈছিল আৰু এই কামত দক্ষতা প্ৰদৰ্শন কৰিছিল। বাটৰুৱাহঁতৰ যথাসৰ্বস্ব লুট কৰি লৈ যোৱাৰ বাবে সি কেতিয়াও একেই উপায় নলৈছিল, অতি নিপুণতাৰে বিধোবিধ উপায় আৱিষ্কাৰ কৰিব পাৰিছিল।

এবাৰ ভৈৰৱৰ অনুচৰহঁতে মহাধনী বুলি ভাবি এগৰাকী মহামুনিক ভৈৰৱৰ ওচৰলৈ ধৰি লৈ গ'ল। ভৈৰৱে চাই-চিঁতি—মুনিক ৰজাৰ ছদ্মবেশী চোৰাংচোৱা বুলি ভাবিলে। কিন্তু যেতিয়া ফটফটীয়াকৈ বুজি পালে যে—এই মানুহজন—কাৰোবাৰ মিঠা পুখুৰীত বিহ দিয়া বিধৰ নহয়—মুনিয়েই—তেতিয়া মুনিক অৰণ্যৰ সিমূৰে নিৰাপদে থৈ আহিবলৈ ভৈৰৱে তাৰ অনুচৰহঁতক আদেশ দিলে।

কিন্তু মুনিয়ে তিমানতে মন বান্ধিছিল। তেওঁ ভৈৰৱ ডকাইতক ক'লে, "বোপা, মই জানি-বুজিয়েই এই অটব্য অৰণ্যৰ সোঁমাজলৈ সোমাইছিলোঁহি। মই সদ্যহতে এক বিশেষ যোগ-সাধনা কৰি আছোঁ। এই যোগ-সাধনাত একাগ্ৰতা একান্ত আৱশ্যক। মই য'তেই সাধনাত বহোঁ, যেতিয়াই ধ্যানমগ্ন হওঁ, বাটৰুৱাহঁত কাষ চাপিব আৰু নানান কথা সুধিবহি। আৰু তাৰ ফলত মোৰ একাগ্ৰতা নষ্ট

হয়। তোমাৰ ইয়াত তুমি কিছুদিনৰ বাবে মোৰ কাৰণে একাগ্ৰ সাধনাৰ বন্দৱস্ত কৰিব পাৰিবানে বোপা ?”

ভৈৰৱে মুনিৰ ইচ্ছা মানি ল’লে আৰু স্বয়ং স্বহস্তে মুনিৰ সাধনাৰ বাবে যথোচিত ব্যৱস্থা-বন্দৱস্ত কৰি দিলে।

মুনিয়ে নিৰ্বিঘিনিৰে বহুদিন ধৰি যোগ-সাধনা কৰাৰ অন্তত এদিন ভৈৰৱক ক’লে, “পুত্ৰ, মোৰ এই যোগ-সাধনা সমাপ্ত হ’ল। তোমাৰ অতি সুন্দৰ ব্যৱস্থা-বন্দৱস্তৰ বাবে তোমালৈ আশীৰ্বাদ থাকিল। যাহওক—এতিয়া জহৰ দিন, মই হিমালয়লৈ গমন কৰিম। তোমাৰ সেৱা-যত্নত মই তোমাৰ প্ৰতি অতি প্ৰসন্ন হৈছোঁ। কিন্তু মোৰ অন্তৰত মাত্ৰ এটি দুখ—তোমাৰ এই ডকা-দিয়া জীৱিকা। আনৰ বস্তু কাঢ়ি লোৱা যে নাৰকীয় পাপ—তুমিও নিশ্চয় নজনা নহয়। এইহেন হীন কৰ্ম এৰি জীৱিকাৰ বাবে অন্য কৰ্ম কৰিব নোৱাৰানে ?”

মুনিৰ প্ৰশ্নৰ উত্তৰত ভৈৰৱে ক’লে, “হে মহাত্মা, মোৰ মাজত পাপ-পুণ্যৰ প্ৰভেদ-বোধ নাই। এই কাম মই জন্মসূত্ৰে পোৱা কাম। আমাৰ বোপা-ককায়ো—আনকি আজোককায়ো এই একেই কামকে কৰিছিল। হালোৱাৰ পো হালোৱা জলোৱাৰ পো জালোৱা কমাৰৰ পো কমাৰ হোৱাৰ দৰে—ময়ো ডকা দিয়াৰ পো ডকা-দিয়া হৈছোঁ। এই কথাত, বা এই কামত কোনো দোষ আছে বুলিও মই কেতিয়াও ভবা নাই, এই কাম হীন কাম বুলিও ভবা নাই। আৰু—মই আন কোনো কামও



নাজানো। কেৱল তৰোৱালহে চলাব জানো। দেশৰ ৰজাই মোক তৰোৱাল চলোৱা কাম দিবনে ? তেওঁৰ সৈন্যদলত মোক ল’বনে ? নলয়। ৰজাই কেৱল চোৰ-লুটিয়াৰহঁতক দণ্ড দিবলৈহে জানে। ৰজাই আন একো জানিবলৈ চেষ্টাও নকৰে, আন একো জনাৰ ইচ্ছাও তেওঁত নেদেখোঁ।”

মুনিয়ে ক’লে, “বোপা, মই তোমাক হিতবোধ দিবলৈ চেষ্টা কৰিলোঁ মাথোন। এতিয়া—তুমি কি কৰা-নকৰা—তোমাৰ ইচ্ছা। যি কি নহওক—মই তোমাক এটি মন্ত্ৰ শিকাই দিম। এই মন্ত্ৰ আওৰোৱাৰ লগে লগেই তুমি এটি শিশুলৈ ৰূপান্তৰিত হ’ব পাৰিবা আৰু পুনৰ নতুন জীৱনৰ পাতনি তৰিব পাৰিব। কিন্তু



এটা কথা জানি থ'বা যে—এবাৰ শিশু হোৱাৰ পাছত আৰু কিন্তু ডকা-দিয়া ভৈৰৱ হ'ব নোৱাৰিবা । এই কথা মনত ৰাখি—কেৱল নিতান্ত আৱশ্যক হ'লেহে এই মন্ত্ৰ মাতিবা ।" এই বুলি কৈ মুনিয়ে ভৈৰৱক সেইন নৱ জীৱনৰ মন্ত্ৰ শিকাই দিলে।

এবাৰ সাবীৰদেশৰ ৰজাই মন্দাৰদেশৰ ৰজাৰপৰা বুজন পৰিমাণৰ ধন ধাৰলৈ বিচৰাত —মন্দাৰ-ৰাজ মণিধবজে সেই ধন কেইজনমান সুদক্ষ সৈন্যৰ হতুৱাই সাবীৰদেশলৈ পঠালে । কিন্তু সেই বিৰাট পৰিমাণৰ ধন সাবীৰদেশৰ ৰজাই নাপালে । ৰজা মণিধবজে ভাবি ভাবি এই সিদ্ধান্তলৈ আহিল যে—এই ধন সেই অৰণ্যৰ লুটিয়াৰহঁতে লুট কৰিলে আৰু তেওঁৰ সৈন্য কেইজনকো নিশ্চয় মাৰি পেলালে।

বিৰাট এক সৈন্যবাহিনীৰে সৈতে স্বয়ং ৰজা মণিধ্বজ সেই অৰণ্যলৈ বুলি ওলাল, আৰু সেই মহাৰণ্যক চাৰিওফালপৰা কটকটীয়াকৈ আগুৰি ধৰা হ'ল আৰু অন্যান ডকা-দিয়াহঁতৰ লগতে ভৈৰৱকো ধৰিব পৰা হ'ল।

কিন্তু ৰজাৰ জেৰাৰ উত্তৰত ভৈৰৱে ৰাজকীয় ধনৰ বিষয়ে একোৱেই নাজানে বুলি ৰজাক ক'লে।

ৰজা মণিধবজে ডকাইত ভৈৰৱৰ কথা বিশ্বাস নকৰিলে, আৰু তাক ফাঁচিৰ জৰীত ওলোমাবলৈ আদেশ দিলে।

ভৈৰৱক সাতদিনৰ সময় দিয়া হ'ল । সাতদিনৰ ভিতৰত সি যদি ৰাজকীয় ধনৰ উৱাদিহ দিয়ে—তাক ফাঁচিৰপৰা ৰেহাই দিয়া হ'ব। কিন্তু সি যদি একো নকয়, আঠদিনৰ দিনা তাক ফাঁচি দিয়া হ'ব।

কাৰাগাৰত আটক হৈ থকা ভৈৰৱে প্ৰমাদ গণিলে । মৃত্যু—ফাঁচিৰ জৰীত মৃত্যু—অনিবাৰ্য্য যেনেই লাগিল । পলাই সাৰিবৰ কোনো উপায়েই দেখা নাই সি। কিন্তু—কিন্তু সাতদিনৰ শেষ সন্ধিয়া হঠাৎ তাৰ মূৰত এটা উপায়ে মূৰ দাঙি উঠিল। আৰু গভীৰ নিশাৰ পৰতে ভৈৰৱে মুনিয়ে শিকাই দিয়া মন্ত্ৰ আওৰাই এটি শিশুলৈ পৰিৱৰ্তিত হৈ কম্বলৰ তলত শুই থাকিল।

ৰাতি পুৱাল। আজি ভৈৰৱক ফাঁচি দিয়া হ'ব। কাৰাগাৰৰ ভাৰপ্ৰাপ্ত ৰজাৰ বিষয়াই দুৰ্দ্ধৰ্ষ

ডকাইত ভৈৰৱক কটকটীয়াকৈ বান্ধি বধ্যভূমিলৈ লৈ যাবলৈ আহিল। কিন্তু কাৰাগাৰত ভৈৰৱৰ সলনি শিশু এটিক দেখা পাই সেই বিষয়াই কিছুপৰলৈ হতভম্ব হৈ থকাৰ অন্তত লৰবি-ধাপৰি ৰজাক ঘটনাৰ কথা ক'লেগৈ।

ৰজা মণিধ্বজে এনেহেন অভিনৱ ঘটনাৰ কথা জীৱনতো আনকি শুনাও নাছিল। তেওঁ দ'কৈ ভাবি ভবি অৱশেষত এই সিদ্ধান্ত ল'লে যে—সেই ভৈৰৱেই এই শিশু। ভৈৰৱে নিশ্চয় কিবা ধৰণৰ মন্ত্ৰ-তন্ত্ৰ শিকিছিল নহ'লে—এনেহেন নোহোৱা কথা হ'বই নোৱাৰে।

ৰজাই ৰাজসভাত এই ঘটনাৰ বিষয়ে বিৱৰি মহামন্ত্ৰী-মন্ত্ৰী আৰু গণ্যমান্য ব্যক্তি আদিৰপৰা মতামত আহ্বান কৰাত তৎকালীন সুপ্ৰসিদ্ধ ব্যক্তি প্ৰমোদগুপ্তই ৰাজসভাত থিয় হৈ ক'লে, "মহাৰাজ, আমাৰ দুৰ্ভেদ্য কাৰাগাৰৰপৰা অপৰাধী পলাই যোৱাৰ কোনো ঘটনা অদ্যাপি ঘটা নাই, আৰু এইবাৰো, ভৈৰৱ ডকাইতৰ ক্ষেত্ৰতো ঘটা নাই। কিবা-নহয় কিবা মন্ত্ৰ তন্ত্ৰৰ সহায়ত ভৈৰৱেই যে শিশুৰূপ ধাৰণ কৰিছে আৰু এইদৰে মহাৰাজক ভাঁৰি মুক্তি ল'ব খুজিছে—সেই কথাত অণুমাত্ৰ সন্দেহ নাই। এতেকে—বিনা দ্বিধাই ফাঁচিৰ ৰাজকীয় আদেশ পালনেই পথ। নহ'লে—আজিৰ এই শিশুৱেই এদিন ডাঙৰ হৈ এক ভয়ংকৰ ডকাইত লুটিয়াৰ খুনী হ'ব যে—সেই কথা ধ্ৰুৱ।"

ৰজা মণিধ্বজ কিছু সময়ৰ বাবে মৌন থৈ থাকিল, আৰু পাছত ঘোষণা কৰিলে, "এই শিশুক কোনো দণ্ড দিয়া নহ'ব। এই শিশুটি আমাৰেই অন্তেষপুৰত পালিত হ'ব।"

ইমানলৈকে কোৱাৰ অন্তত বেতালে ৰজা বিক্ৰমাদিত্যক সুধিলে, "হে ৰাজন্! ৰজা মণিধ্বজ কি কাৰণে ভৈৰৱৰ নৱ-জীৱনৰ মন্ত্ৰক মানি লৈছিল—ক'বানে?"

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "একালৰ ডকা-দিয়া ভৈৰৱ নৱজীৱন লভি সন্মাৰ্গেৰে বাট বুলিব পাৰে—এই সদ আশাৰেই ধাৰ্মিক মহাৰাজে অযথা দণ্ডদানৰ সলনি ধৰ্মৰ বাটেৰে খোজ লৈছিল। মহামুনিয়েও ইয়াকেই বিচাৰি ভৈৰ-হেন দুৰ্দ্ধৰ্ষ ডকাইতক নৱ-জীৱনৰ মন্ত্ৰ প্ৰদান কৰিছিল।"

এই বুলি কোৱাৰ লগে লগেই বেতালে শ'টো লৈ সাউৎকৰে তাৰপৰা গুচি গৈ পুনৰ সেই গছৰ ডালতে ওলমি দিলে। [কল্পিত

দেখিলে চোৰ-নেদেখিলে সাধু

চৰবাহা নামৰ গাঁৱত চিন্তা নামৰ এজন কৃষক আছিল। চিন্তাৰ আছিল পাঁচ হালিচা মাটি। এই মাটিখিনি আছিল বৰ সাৰুৱা। বছৰি দুই-তিনিবাৰকৈ ওপজ ভালেই হৈছিল। যদিও খেতি বনুৱা দুই চাৰিকো কামত লগাইছিল, তথাপি— ঘাইকৈ চিন্তাই আৰু পুতেক চন্দনেই খেতি-বাতিৰ কাম চম্ভালিছিল।

এবাৰ মাহ-খেতি কৰি বৰ ভাল ওপজ পালে। কিন্তু বজাৰত দাম তেতিয়া কম থকাত চিন্তাই প্ৰতিটো বস্তাত আঢ়ৈমোণকৈ মাহ ভৰাই অধিক দামত বেচিবৰ আশাৰে মাহৰ বস্তাবোৰ খেতি-পথাৰতে থৈ দিলে। পিছে—ৰাতিৰ পৰতে মাহৰ বস্তাবোৰ পৰ দিবলৈ পৰীয়া এজনকো কামত ল'লে।

এপষৰ অন্তত মাহৰ বস্তাৰ হিচাপ কৰিবলৈ চিন্তাই গন্তি কৰি চালে যে—মাহৰ দুটা বস্তা নাই। দুটা বস্তা মানে পাঁচ মোণ মাহ! চিন্তাৰ মূৰত যেনিবা বজৰপাতেই হ'ল। পৰীয়াক সোধাত পৰীয়াই ক'লে যে—সি দিনতহে টোপনি মাৰে, ৰাতিৰ পৰতে চকুৰ পিৰঠি এক নকৰে। কিন্তু পৰীয়াৰ কথাত পতিয়ন নগৈ চিন্তাই তেওঁৰ পুতেক চন্দনক ৰাতিৰ পৰতে খেতি-পথাৰত পৰ দিবলৈ ক'লে।

কিন্তু—চন্দনে পৰ দিয়া সত্বেও—সেই ৰাতিতো আঢ়ৈমোণীয়া মাহৰ বস্তা এটা নেহোৱা হ'ল যেতিয়া—তেতিয়া চিন্তাই গাঁৱৰ আক-তাক এই বিষয়ে কৈ-সুধি এজনৰপৰা গম পালে যে— আন কোনো নহয়—স্বয়ং পুতেক চন্দনেই এই কাম কৰিছে।

শুনি চিন্তাই চিন্তা কৰিবলৈকো পাহৰি গ'ল। কি কয়! নিজৰ ল'ৰায়েই মাহচোৰ! কয় কি?

যি কি নহওক—সাতে-সোতৰই ভাবি ভাবি—চিন্তাই বীৰ নামৰ চিনাকি পৰীয়া

বিনোদ বৰুৱা

এজনকো গুপুতে কামত লৈ—হাঁহৰ ওপৰত শিয়াল ৰজা পাতিলে।

সেই ৰাতি বীৰ পৰীয়াই পৰ দিয়াত চিন্তাই নিচিন্ত মনেৰে টোপানি মাৰিছিল। কিন্তু—ৰাতিপুৱা যেতিয়া শুনিছিল যে—আন এবস্তা মাহো নোহোৱা হ'ল—তেতিয়া বীৰক টান মাতেৰে সুধিলেহি, "কথানো কি — ? যিয়েই লঙ্কা পায়হি সিয়েই ৰাৱণ হয়নে ? কোৱা, কেনেকৈ চুৰি হ'ল ?"

বীৰে তালমূৰ হৈ ক'লে, "মই একো ক'বাৰ নৰু।"

"এয়া চোৱা, সেই একেটাই চোৰৰ ভৰিৰ পতাৰ ছাব। মাহচোৰ সেইটোৱেই—যিটোৱে আগতেও নিছিল, কিন্তু—আঢ়াইমোণীয়া বস্তা এটা আন কোনোবাই মূৰৰ ওপৰত উঠাই নিদিয়াহেঁতেন—সি-চোৰে কেনেকৈ'নো লৈ যাব পাৰেহে ? —সঁচা কথা কোৱা।" চিন্তাই বীৰক চেপেনাৰে চেপি ধৰিলে।

"মই যে একো ক'ব নোৱাৰোঁ বুলিক'লোঁ—মোৰ কথা আপুনি বিশ্বাস নাই কৰা কেলেই ?" বীৰে চন্দনলৈ চাই পঠালে। তেতিয়া চন্দনে গৰু এটাক পানী খুৱাই আছিল। বীৰে চিন্তাক ক'লে, "কোনে ইয়াৰপৰা মাহৰ বস্তা চুৰ কৰিলে— আপুনি বৰঞ্চ চন্দনকে সোধকচোন।"

হাত-বাউলেৰে কাষলৈ মাতি আনি চিন্তাই টান মাতেৰে চন্দনক সুধিলে, "ক', মাহৰ বস্তা মূৰত উঠবলৈ কোনে তোক সহায় কৰিছিল— ক'। তুৰন্তে ক'।"

চুৰিৰ কথা যে ওলাই পৰিল—চন্দনৰ



মনত সেই কথাত কোনো সন্দেহ নাথাকিল। চন্দনে চিন্তাৰ আগত তলমূৰ হৈ দিলে আৰু ক'লে, "কোনেও সহায়-কৰা নাছিল, মই নিজে-নিজেই উঠাই লৈছিলোঁ।"

চন্দনৰ কথাত চিন্তা এইবাৰ নিচিন্ত হ'ল যে—চোৰ কোন। কিন্তু—তেও বুলি—ইমান ডাঙৰ আঢ়ৈমোণীয়া বস্তা এটা সি-চন্দনে নিজে নিজেই মূৰত উঠাই লোৱাৰ কথাটো—মনে-চিতে মানি ল'ব নোৱাৰিলে।

চিন্তাই চিন্তা কৰি চন্দনক ক'লে, "তাৰ মানে—ই অকলেই এই আঢ়ৈমোণীয়া মাহৰ বস্তা মূৰত উঠাই ল'ব পাৰ— ? ঠিক আছে, কৰি-ধৰি দেখুৱাচোন চাওঁ। বুইছ—এয়া আঢ়ৈমোণীয়া বস্তা, আঢ়ৈআঙুলীয়া বিধৰী নহয় নহয়— ?" চিন্তাই ইতিকিং কৰিলে।

চন্দনে মাহৰ বস্তা এটা থিয় কৰাই—পোনতে পিঠিৰ ওপৰত পেলাই লৈ—দুয়োখন হাতেৰে বস্তাৰ পিছ ফালত সাৱটি ধৰি—তিনিটামান পাক মাৰি—চিন্তাৰ ঢেলুকাঢেলুক চকুৰ আগত অৱলীলাক্ৰমে আঢৈমোণীয়া বস্তাটো মূৰত উঠাই লৈ তাৰ দেউতাকৰ আগত থিয় দিলেহি।

চিন্তাৰ আমহেন হৈ পৰা মুখৰপৰা ওলাল, "যা, দোকানত বেচ্‌গৈ যা।"

কিন্তু চন্দন বস্তা মূৰত লৈ তাতেই থিয় হৈ থকাত চিন্তাই তাৰ পিঠিত থপথপাই ক'লে, "যা যা—মই সঁচাকৈ কৈছোঁ। তোৰ এই অসাধাৰণ শক্তি—কিয়নো তই চুৰিৰ কমত লগাবি? যা, মাহখিনি বেচি সোনকালে ঘৰলৈ ঘূৰি আহগৈযা। তোৰ লগত মোৰ ঢেৰ কথা আছে। তোৰ ইমান দেহশক্তি প্ৰাণশক্তিক তই আন কামত লগাবি, ঢেৰ উন্নতি কৰিবি।"

এইবাৰ চন্দনে আনন্দ-মনেৰে আঢ়ইমোণীয়া মাহৰ বস্তাটো মূৰত লৈ যেনিবা উৰিহে গ'ল।

চিন্তাই এইবাৰ বীৰক পাকৰাও কৰি সুধিলে, "কি অ'—কিয়নো তই জানিও নজনা বুজিও নুবুজাৰ ভাও জুৰিছিলি ক'চোন? আচল কথানো কি?"

"মালিক, আপোনাৰ ল'ৰায়েই মাহৰ বস্তা লৈ যোৱাত মই চুৰি হোৱা বুলি ভবাই নাছিলোঁ। গাঁৰ ঘৰে-ঘৰে চন্দনৰ সুনাম—অতি পৰিশ্ৰমী ডেকা হিচাপেই তাৰ সুনাম। সেই সুনামত চেকা দিয়াত—মই হুঁহকিছিলোঁ। কিয়নো—সি আনৰ বস্তু নিয়া নাছিল, নিজৰ বস্তুকে নিজে নিছিল।" আওপকীয়া কথাৰে বীৰে বাগতি খেলিলে।

"কিন্তু—তথাপি কিয় সি মোক নোকোৱা নোসোধাকৈ নিছিল?" চিন্তাই বগিয়া-বগি কৰা বীৰক ক'লে।

বীৰে ক'লে, "মালিক, কথা এটা কওঁনে? —ল'ৰা ছোৱালী ডাঙৰ হ'লে সিহঁতক কিছুখিনি পইচা-পাতি লাগে। দিওঁতাই যদি হয় দিন-কণা, মানুহৰ ভিতৰৰ মানুহটোৰে মেলিবই ফণা। কিয়নো—মানুহৰ সমাজখনত—দেখিলে বহুতেই চোৰ, নেদেখিলেহে সাধু।"

বীৰৰ বিদাপতি গোৱা কথা শুনি চিন্তাই গভীৰ চিন্তাত বুৰ গ'ল।



নৈ পাৰে নৈ পাৰে কাবেৰীৰ তীৰে তীৰে

যাত্ৰা

ৰচন ঃ জয়ন্তী মহালিঙ্গম ✱ চিত্ৰন ঃ গোপকুমাৰ

ভাৰতৰ সাতখন প্ৰধান নৈৰ অন্যতম কাবেৰী নৈক **দক্ষিণগংগা** বুলি মান্য কৰা হয়, দক্ষিণ ভাৰতৰ গংগা বুলি কোৱা হয়, **পন্নি** বুলিও মৰমৰে মতা হয়, আকৌ—**অখণ্ড**—অৰ্থাৎ অবিভাজ্য বুলিও অভিহিত কৰা হয়, আৰু প্ৰাচুৰ্য্য-প্ৰদানৰ প্ৰতিমূৰ্তিৰূপে **অন্নপূৰ্ণা** বুলিও শ্ৰদ্ধা জ্ঞাপন কৰা হয়। কাবেৰী নৈ হ'ল কৰ্ণাটক আৰু তামিলনাদুৰ ৭৬৫ কিল'মিটাৰ দীৰ্ঘ জীৱনধাৰা....।

পুৰাণকলীয়া কাবেৰী-কথা

কাবেৰীৰ উৎপত্তিৰ বিষয়ে বহুবিধৰ কিংবদন্তি প্ৰচলিত। যেনে ঃ

*স্কন্দ পুৰাণ*ৰ মতে ঃ কাবেৰীৰ স্ৰোতধাৰা দেৱাদিদেৱ মহাদেৱৰ আবাস কৈলাসলৈ প্ৰবাহিত হৈছিল। মহাদেৱে কাবেৰীক মহামুনি অগস্ত্যই য'লৈকে যাব কঢ়িয়াই লৈ যাব পৰাকৈ কমণ্ডলুত প্ৰবেশ কৰিবলৈ কৈছিল। পাছত, মহামুনি অগস্ত্যই বিন্ধ্য পৰ্বত অতিক্ৰমি দক্ষিণভাৰতলৈ গৈছিল। সেই সময়ত দক্ষিণ ভাৰতক প্ৰচণ্ড খৰাং বতৰে কোবাই গৈছিল আৰু বৰষুণবাহী মেঘক অসুৰে বাধা দিছিল। তেতিয়া দেৱৰাজ ইন্দ্ৰৰ অনুবোধত গণেশ দেৱতাই কাউৰীৰ ৰূপ ধৰি মহামুনি অগস্ত্যৰ কমণ্ডলুত ঠোঁটেৰে ঠুকৰি দিয়াত কমণ্ডলুত থকা কাবেৰীৰ জলধাৰা দক্ষিণ ভাৰতত সবেগে প্ৰবাহিত হৈছিল।

গণেশদেৱতাই কাউৰীৰূপত অগস্ত্যমুনিৰ কমণ্ডলুত ঠুকৰি দিয়াৰ দৃশ্য



তলকাবেৰীৰ দ'ল

কোড়াগুত কাবেৰী

কাবেৰী নৈৰ উৎসস্থলৰ সম্পৰ্কে কোৱা হয় যে—কৰ্ণাটকৰ কোড়াগু (কুৰ্গ) জিলাৰ তলকাবেৰী নামৰ ঠাইৰ ব্ৰহ্মগিৰি পাহাৰ হ'ল কাবেৰী নৈৰ উৎসস্থল।

প্ৰতি বছৰৰ আকট'বাৰ মাহৰ সাধাৰণতঃ ১৬ কি ১৭-ৰ দিনা—যি-দিনটোক *তুল সংক্ৰমণ* বুলি কোৱা হয়—পাহাৰৰ তলৰপৰা এক গৰমপানীৰ নিজৰা ওলায়। এই নিজৰায়েই হ'ল এমাহ জোৰা তুলসঙগম উছৱৰ আৰম্ভণী। এই নিজৰাৰ পানীয়ে *পুষ্কৰণী* বা পুষ্কৰিণী— অৰ্থাৎ এক বিৰাট চাৰিচুকীয়া পুখুৰীক নিৰ্মল ফটিক পানীৰে পৰিপূৰ্ণ কৰে।

বছৰৰ আন সময়ত শুই থকা, আৰু তুলসংক্ৰমণৰ সময়ছোৱাতে জাগি উঠা এই নিজৰাক চাবলৈ দূৰ-দূৰণিৰপৰাও মানুহ-মুনিহ দলে-বলে ঢপলিয়াই আহে আৰু নিজৰাৰ সোঁতৰ সৈতে আনন্দৰো সোঁত বোৱাই দিয়ে। এই অনগণিত ভক্তসৱে নিজৰাৰ কাকচক্ষু পানীৰে পূৰ্ণ পুষ্কৰিণীত অৰ্থাৎ পুখুৰীত পৱিত্ৰ স্নান কৰি তলকাবেৰী দ'ললৈ গৈ নৈ-দেৱীলৈ ভক্তি নিবেদে।

এই পাহাৰৰ বহুখিনি ওপৰত থকা *অগস্ত্যেশ্বৰ* মন্দিৰলৈকো ভক্তসৱে পূজা আগ কৰেগৈ। এই মন্দিৰ তলকাবেৰী পুষ্কৰিণীৰপৰা ৯০ মিটাৰ ওপৰত অৱস্থিত।

তুলসঙ্গমৰ *কাবেৰী-উৎসৱ* কুৰ্গ অঞ্চলৰ প্ৰধান জনজাতীয় সম্প্ৰদায় কোড়াৱাসকলৰ মানত অতি গুৰুত্বৱাহী। তুলা মাহত পুণ্যস্নান নকৰা হ'লে কোড়াৱাই জীৱন অৰ্থহীন যেন পায়। কোড়াৱা সকলৰ মাজত ভালেমানক কাবেৰী বা কাবেৰীয়াপ্পা বুলিও কোৱা হয়। একালৰ আঢ্যৱন্ত কোড়াৱা সকলে কাবেৰী নৈয়ে তেওঁৰ পতি সাগৰৰ সৈতে মিলিত হ'বলৈ গতি কৰোঁতে কাবেৰীলৈ সোণৰ মোহৰ উপহাৰ দিছিল, অৰ্থাৎ—কাবেৰীৰ বুকুলৈ সোণৰ মুদ্ৰা নিক্ষেপ কৰিছিল।

কোড়াৱাসকল অতি কৰ্মঠ সাহিয়াল, আৰু দেখাই-মেলায়ো ভাল। তেওঁলোক তেওঁলোকৰ সামাজিক অনুশাসনৰ প্ৰতি অত্যন্ত নিষ্ঠাৱান। কোড়াৱতীসকলে এক বিশেষ ধৰণে শাড়ীকাপোৰ পিন্ধে আৰু শাড়ীৰ পাতলি ভৰিলৈকে ওলমে।

কিংবদন্তি আছে যে—এসময়ত পাৰ্বতীয়ে কোড়াৱা ৰাজকোঁৱৰ দেৱকণ্ঠক সপোনত দেখা দিছিল, আৰু সকলো কোড়াৱা নৰ-নাৰীক এঠাইত সমৱেত হ'বলৈ কৈছিল আৰু পাৰ্বতী স্বয়ং সেই সমৱেত কোড়াৱাসকলৰ মাজত উপস্থিত হ'ব বুলি কৈছিল। সমৱেত হোৱাৰ ঠাই

আছিল এই ব্ৰহ্মাগিৰি পাহাৰ, আৰু এক খৰস্ৰোতা নৈৰ ৰূপত পাৰ্বতী তাত উপস্থিত হৈছিলহি।

মাড়িকেৰি (মাৰকাৰা) হ'ল আগৰ বৃটিছ-প্ৰশাসনৰ হেডকোৱাৰ্টাৰ কোড়াও জিলাৰ প্ৰধান চহৰ আৰু বীৰৰাজপেট হ'ল প্ৰাচীন ৰাজধানী। এই অঞ্চলৰ বতৰ—বছৰৰ অধিক ভাগ সময়তে অতি আৰামদায়ক। কেৱল জহকালি প্ৰায় ৩০ ডিগ্ৰি ছেন্টিগ্ৰেড পায়গৈ। এই জিলাৰ বিশেষ তিনি স্থানত প্ৰায় ৫০০০ মিলিমিটাৰ বৰষুণ দিয়ে।

মাড়িকেৰিৰ দুৰ্গ আৰু ৰাজপ্ৰসাদ অতি বিখ্যাত। এই দুৰ্গ আৰু প্ৰাসাদ—১৬৮১ চনত হ্যালেৰি বংশৰ ৰজা মুদ্দুৰাজাই নিৰ্মাণ কৰিছিল। সিদিনাৰ সেই ৰাজপ্ৰাসাদ এতিয়া জাদুঘৰ (মিউজিয়্যাম)। এই জাদুঘৰ সুপ্ৰাচীন শিল্প-ধাৰাৰ সামগ্ৰীৰে ভৰপূৰ। এই জাদুঘৰত কোড়াগুৰ বিভিন্ন অঞ্চলৰ ***বীৰাক্কল*** অৰ্থাৎ বীৰসকলৰ প্ৰস্তৰীভূত প্ৰতিমূৰ্তি আছে।

ব্ৰহ্মগিৰিৰপৰা ওলাই ভগমণ্ডল নামৰ ঠাইত কাবেৰী নৈয়ে কনক নামৰ শাখা নৈত লগ লাগিছেগৈ। জন-বিশ্বাস মতেঃ সুজ্যোতি নামৰ এক নেদেখা নৈও এই ঠাইত কাবেৰীৰ লগত লগ লাগিছেহি। এতেকে—এই *ত্ৰিবেণী সঙ্গমক* প্ৰয়াগৰ ত্ৰিবেণী সঙ্গমৰ দৰেই মান্য কৰা হয়। কোৱা হয় যে—স্বয়ং গঙ্গাই তেওঁক পবিত্ৰৰূপে ধৌত কৰিবলৈ—অৰ্থাৎ কোড়াগুসকল পাপ-মোচন কৰিবলৈ—এক অদৃশ্য স্ৰোতধাৰাৰূপে কাবেৰীৰ সৈতে ইয়াত যুক্ত হয়হি।

শ্ৰীভগন্দেশ্বৰ নামৰ শিৱ-দ'ল এই সঙ্গমৰ ওচৰতে অৱস্থিত। ১৭৯০ চনত, থলুৱা শাসক ডোডজ বীৰৰাজেন্দ্ৰ আৰু টিপ্পু ছুলতানৰ মাজত হোৱা যুদ্ধৰ কালত এই শিৱ-দ'ল যথেষ্ট ক্ষতিগ্ৰস্ত হৈছিল। টিপ্পু-ছুলতানে এই শিৱৰদ'ল অধিকাৰ কৰিছিল। দ'লৰ চালৰ তিনিখন তামৰ খাপৰি বিনষ্ট হৈছিল। সিদিনাৰ সেই তামৰ খাপৰি ইটাৰ সালনি বীৰৰাজেন্দ্ৰই ৰূপৰ খাপৰি লগাইছিল—যিবোৰ ৰূপৰ খাপৰি আজিও পৰিদৃষ্ট হয়।

ভগমণ্ডলত 'মধুবন' নামৰ এক মৌ-বিপণন-কেন্দ্ৰ আছে। ইয়াত মৌমাখি পালনৰো বিৰাট কেন্দ্ৰ আছে, আৰু আছে মৌ-পালনৰ তথা মৌ-পালনঘটিত অন্যান্য ঘটনাক্ৰম প্ৰদৰ্শনৰ মিউজিয়্যাম। এনে ধৰণৰ মিউজিয়্যাম—ভাৰতত বৰ বেছি নাই। এই ঠাইত বিবিধ ধৰণৰ সুগন্ধি মচলাও ওপজে।

কোড়াগু-মহীশূৰ সীমান্তত কুশীনগৰ অৱস্থিত। পুত্ৰ টিপুৰ জন্মৰ বাতৰি পাই তৎকালীন মহীশূৰৰ শাসক হায়দাৰ আলীয়ে এই চহৰখনৰ এই নামকৰণ কৰিছিল। কোড়াগু আৰু মহীশূৰৰ সীমাৰ মাজত কাবেৰী নৈ হ'ল প্ৰাকৃতিক সীমাৰেখা।

এজনী ৰূপৱতী কোড়াৱতী

মাড়িকেৰি মহীশূৰৰ মাজত থকা পেৰিয়াপত্তন একদা আছিল এতদঞ্চলৰ বাঘ-চিকাৰৰ কেন্দ্ৰস্থল। কিংবদন্তি মতেঃ এতদঞ্চলত থকা সকলো দ'ল-মন্দিৰ ডাঙৰ ডাঙৰ বিৰালীবোৰে আগুৰি থকা বাবে কোড়াগুৰ বিখ্যাত-বিখ্যাত চিকাৰী সকলে এই অঞ্চলক বাঘ মাৰি বসতিৰ বাবে নিৰাপদ কৰিছিল। পেৰিয়াপত্তনত থকা নৰ্থ কোড়াগু ক্লাবে আজিও স্যাৰ উইনস্টন চাৰ্চিলৰ পৃষ্ঠপোষকতাৰ গৌৰৱ কৰা হয়। এতিয়াৰ কোড়াগু জনসাধাৰণেও অতি গৰ্বৰে সৈতে কোৱা হয় যে—তেওঁ অৰ্থাৎ স্যাৰ উইনস্টন চাৰ্চিল হেনো ভাৰতীয় সৈন্যবাহিনীত থকাকালত ইয়াতেই অৰ্থাৎ আজিৰ এই পেৰিয়াপত্তনতে আছিল।

কফি-গুটি-বোটলা কোড়াৱা নাৰী

ফিল্ড মাৰ্শ্বাল কাৰিয়াপ্পা

কোড়াগুৰ কিছু কথা ঃ

- এই ঠাইৰ লোকসংখ্যাৰ অনুপাতে ভাৰতীয় সৈন্যবাহিনীত থকা কোড়াৱা লোকৰ সংখ্যা মন কৰিবলগীয়া। ফিল্ড মাৰ্শ্বাল কাৰিয়াপ্পা আৰু জেনাৰেল থিমায়া কোড়াগুৰ কোড়াৱা।
- কোড়াগুৱে বছৰি ৪ লাখ কিলো উৎকৃষ্ট মৌ উৎপাদন কৰে।
- ইয়ালৈ বৃটিছ আগমন কৰাৰ আগতে কোড়াগুত বাট-পথ বোলা একোৱেই নাছিল। মানুহে কেৱল খোজ-কাঢ়ি আৰু ঘোঁৰাৰ পিঠিত উঠি যাব পাৰিছিল। আক্ৰমণৰ আশঙ্কাত কোড়াগুৰ ৰজাসকলে বাট-পথ সজা নাছিল। পোন প্ৰথমতে কুশীনগৰৰপৰা মাড়িকেৰিলৈকে ৰাজআলি বৃটিছেই সাজিছিল। কাবেৰীৰ অন্যতম শাখা নৈ লক্ষ্মণতীৰ্থৰ তীৰত ৫৭১ স্কোৱেয়াৰ কিল'মিটাৰ-বিয়পা নগৰহোল ন্যাশ্বন্যাল পাৰ্ক অৱস্থিত।

অনন্তৰ ছো

ওঠৰ বছৰীয়াতে অনন্তই তাৰ লিখা-পঢ়াত আধ্যা দিবলগীয়া হ'ল, কিয়নো—তেতিয়া তাৰ দেউতাক ঢুকাইছিল। দেউতাক ঢুকুৱাৰ পাছত অনন্তই খেতি-বাতিৰ কাম আৰু লগতে চহৰত থকা জমিদাৰৰ চিৰস্তাত চাকৰি পোৱাৰ বাবেও প্ৰযত্ন কৰি থাকিল।

এবছৰ ধৰি নেৰা-নেপেৰা চেষ্টাৰে অৱশেষত অনন্তই জমিদাৰৰ চিৰস্তাতে চাকৰি এটা পালে। জমিদাৰ ডাঙৰীয়া আছিল অতি ধাৰ্মিক ব্যক্তি। তেওঁ তেওঁৰ কৰ্মচাৰীসকলক সিহঁতৰ কাম-কাজতো সদায় সহায় কৰিছিল, কৰ্মচাৰীসকলক পুত্ৰৱৎ জ্ঞান কৰিছিল।

চাকৰিত নিযুক্ত হোৱাৰ এপষমানৱ পাছত অনন্ত এদিন গাঁৱৰ ঘৰলৈ আহিল আৰু মাকক চহৰলৈ লৈ যাবলৈ প্ৰযত্ন কৰিলে।

কিন্তু অনন্তৰ মাক একোপধ্যেই চহৰলৈ যাবলৈ মান্তি নহ'ল। তেওঁ পুতেকক ক'লে, "মই গাঁও—বা গাঁৱৰ এই ঘৰ এৰি ক'লৈকো নাযাওঁ। এই ঘৰতে তোমাৰ দেউতাৰা ঢুকাল, ময়ো ইয়াতে শেহ উশাহ ল'ম। তুমি তোমাৰ কৰ্মস্থল চহৰলৈ যোৱা, যেতিয়াই মন হ'ব—আজৰি পাবা—গুচি আহিবা।"

অনন্তই তাৰ মাকক চহৰৰ সুবিধা আৰু গাঁৱৰ নানান অসুবিধাৰ কথা বুজালে, কিন্তু মাকে তথাপি চহৰলৈ যাবলৈ মত নিদিলে। তেতিয়া অনন্তই তাৰ নিজৰ খোৱা-বোৱাৰ অসুবিধাৰ কথা কোৱাত মাকে মিচিকীয়াই হাঁহি মাৰি ক'লে, "ক'বলৈহে দেৰি, টিকে-চুলিয়ে লগ লগাবলৈ দেৰি নহ'ব। বিয়া কৰাই লৈ যোৱা, ভালকৈ হ'ব খোৱা-লোৱা।"

গাঁৱৰে ভৰতশৰ্মাৰ ছোৱালী বাণীৰ সৈতে অনন্তৰ সৰুৰেপৰাই মনৰ মিল। ভালেমান দিনৰ আগতেই দুয়োৰো যোৱা পতাৰ কথা একপ্ৰকাৰে খাটাঙেই হৈছিল, পিছে—অনন্তৰ

বিনন্দ শৰ্মা

দেউতাকৰ অকালমৃত্যু, চাকৰি নোপোৱা আদি নানান ঘটনাৰ ফলত সাময়িকভাবে সকলো স্থগিত হৈ আছিল।

এতিয়া—মাকৰ কথাত অনন্তই যেতিয়া স্বীকৃতি দিলে—সাতদিনৰ ভিতৰতে সাধাৰণভাবে মাকে খৰখেদাকৈ চেষ্টা কৰি বিয়াখন পাতিয়েই দিলে।

আৰু—কেইদিনমানলৈ গাঁৱৰ ঘৰত থকাৰ পাছত এদিন অনন্তই তাৰ ন-ঘৈণী বাণীক লগত লৈ চহৰলৈ বুলি খোজ ল'লে।

চহৰত অতি সৰু কোঠা এটাত সিহঁতহাল থাকি ছিল। ৰান্ধনিকোঠা বোলা যি আছে—আচলতে ঘৰৰ বাৰান্দাহে। কিন্তু যেতিয়া কেঁচুৱা এটি কোলালৈ আহিব, তেতিয়া ইমান সৰু ঠায়ে নোজাৰা হ'ব। এতেকে ঘৈণী বাণীয়ে ডাঙৰ চাই কোঠা এটা ভাড়ালৈ ল'বলৈ জেউৰ ধৰিলে।

অনন্তই ক'লে, "কাপোৰ চাইহে চোলা। মোৰ যি আৰ্জন—তাৰে ইয়াতকৈ ডাঙৰ ঘৰ চহৰত ল'ব নোৱাৰিম।"

তেতিয়া বাণীয়ে ক'লে, "তেনেহ'লে আমাৰ নিজাকৈ ঘৰ সজা হওক।"

অনন্তই প্ৰায় চিঞৰিয়েই দিলে, "কি ! নিজা ঘৰ ? ধেমালি কৰিছানে কি ? এনেবোৰ সপোনো নেদেখিবা।"

"কিয় নেদেখিম ?" বাণীয়ে ক'লে, "সপোনত নহয়, দিঠকতে আমাৰ নিজৰ ঘৰ দেখি থাকিম।"

যিকি নহওক—তেতিয়াৰেপৰাই বাণীয়ে অনন্তৰ জেপ কাটিবলৈ ধৰিলে, আৰু লগতে নিজেই বজাৰ-সমাৰো কৰিবলৈ ধৰিলে, আৰু এইদৰে দিন-প্ৰতিদিন অলপ-অলপকৈ ধন সাঁচি—ভালেমান দিনৰ অন্তত বুজন পৰিমাণৰ ধন একাপ-দুকাপকৈ হ'লেও—গোটালে।

ইতিমধ্যে অনন্ত এটি সন্তানৰ পিতৃ হ'ল। বাণীয়ে পুনৰ নিজ ঘৰৰ কথা দাঙি ধৰিলে। কিন্তু অনন্তই খাৱাংখাচ পৈ দিলে, তাৰ ওচৰত কোনো জাদু-চাকি নাই যে লাগ বুলিলেই টিলিকিতে সকলো আহি যাব।

তাৰ কিছুদিনৰ পাছত এদিন দয়ালু জমিদাৰ ডাঙৰীয়াই তেওঁৰ কৰ্মচাৰী সকলক বাসস্থানৰ বাবে মাটিৰ বন্দৰবস্ত কৰি দিয়া হ'ল। ঘৰ নহয়, কেৱল মাটি বা ভেটি। কৰ্মচাৰীসকলে নিজ-নিজ ঘৰ সাজি ল'ব লাগিব।

এতিয়া বাণীক আৰু পায় কোনে ? বাণীয়ে

অনন্তক ক'লে, "আৰুনো কি লাগে— ? মাটি পালোঁৱেই যেতিয়া—ঘৰ সাজিবলৈ আৰু পলম কৰিব নালাগে। আজিৰ কেঁচুৱা কালিলৈ ডাঙৰ হ'ব, তেতিয়া তাকো ঢেৰ ঠাই লাগিব। গতিকে—এতিয়াই দেহে-কেহে লাগিব লাগে —নিজাকৈ ঘৰ এটা সাজিব লাগে।"

কিন্তু অনন্তই পুনৰ তাইৰ উছাহত চেঁচা পানী ঢালি দিলে আৰু ক'লে, "ঘৰ এটা সজোৱাটো—সুখৰ কথা হলেও মুখৰ কথা নহয়। এহেজাৰ এশ এটা লেঠা। ইটা-চূণ-বালি-কাঠ আনিব লাগিব, দুৱাৰ খিৰিকী লো তীখা আৰু যে কত কি লাগিব তাৰ হিচাপ নাই। আৰু এতিয়া মিস্ত্ৰীহঁতৰ টকা ভৰোঁতেই তোমাৰ সেই সাঁচনৰ ধন কাছনত যাব। সঁচা কথা ক'বলৈ হ'লে—ইটা-খাপৰিইটাৰ ঘৰৰ কথা বাদেই, এটা সৰুকৈ জুপুৰি সজাৰ যোগ্যতাও মোৰ নাই।"

বাণীয়ে ক্ষুব্ধ কণ্ঠেৰে ক'লে, "যোগ্যতা নাই—বুজিলোঁ। কিন্তু যোগ্যতা আৰ্জিব তো লাগিব। সদায়েই পৰৰ চকুৰে বাট বুলিব পাৰিনে ? পৰৰ ঘৰত থাকিব পাৰিনে ওৰে জীৱনলৈ ? আমাৰ যিখিনি ধন আছে—প্ৰথমতে তাৰে অন্ততঃপক্ষে ঘৰৰ দেৱাল চাৰিখন খাৰা কৰা হওক। তাৰ পাছত দুৱাৰ খিৰিকী, তাৰ পাছত চালৰ কথা ভবা যাব। সকলোখিনি যে একেলগে নহ'ব ময়ো জানো আৰু মানো। কিন্তু হাত সাৱটি বহি থাকিলে দেখোন একোৱেই নহ'ব।"

অনন্তই এই কথাৰ কোনো উত্তৰ নিদিয়াকৈ ঘৰৰপৰা ওলাই গ'ল।

বাণীয়ে যিখিনি ধন ইমান দিন ধৰি সাঁচিছিল, গন্তি কৰি চালে আৰু তাৰ পাছত ঘৰ সজা মিস্ত্ৰীহঁতৰ সৈতে কথা পাতি সিহঁতৰ সহায়ত লাগাতিয়াল বস্তুখিনি অনাই এদিন ঘৰৰ ভেটি খন্দালে। তাৰ পাছত চাওঁতে চাওঁতে ঘৰৰ চাৰিখন দেৱালো নিৰ্মিত হ'ল। ইতিমধ্যে বাণীয়ে তাইৰ ককায়েকলৈ খবৰ পঠাইছিল কিছুখিনি কাঠৰ বাবে। ককায়েক কাঠ কিছুখিনি লৈ এদিন আহিল।

সেই কাঠেৰে দুৱাৰ-খিৰিকী আদিও কথমপি বনোৱা হ'ল, আৰু এইখিনি কাম কৰোঁতেই বাণীৰ সাঁচনৰ ধন শেষ হ'ল।

কিন্তু তথাপি বাণী নদমিল। তাই চুবুৰীৰ ইজনী-সিজনীৰপৰা অলপ-অলপকৈ ধন ধাৰলৈ ল'লে আৰু এইদৰে লাহে-ধীৰেকৈ

হ'লেও ঘৰৰ দুৱাৰ খিৰিকীবোৰো লগালে।

এতিয়া মাত্ৰ চাল লগোৱাৰ কামহে থাকিলগৈ। সকলো হ'ল, কেৱল চালহে ৰ'ল।

এই পৰিস্থিতিত এদিন বাণীয়ে অনন্তক ক'লে, "তোমাক কিছুখিনি ধন ধাৰ হিচাপে দিব পৰা কোনোবা বন্ধু-বান্ধৱ নাইনে? এতিয়া আমাক কেৱল কিছুখিনি কাঠ বা বাঁহ, আৰু খাপৰিইটাহে লাগে। বছ, তেতিয়া আমাৰ নিজা ঘৰ হৈ যাব।"

অনন্তই খেচখেচাই কৈ উঠিল, "মই মগনিয়াৰৰ পো মগনিয়াৰনে কি যে— ভিক্ষালৈ ওলাব লাগিব? নিজা ঘৰ নহ'লেও হ'ব, মান হেৰুৱাই ঘৰ মোক নালাগিব।"

এই ঘটনাৰ দুই দিনৰ পাছত বাণীৰ সৰুকালৰ সখিয়েক পদুমী বাণীৰ ঘৰলৈ ফুৰিবলৈ আহিল। কথাই কথাই পদুমীয়ে বাণীৰ অসমাপ্ত ঘৰৰ বিষয়ত জানিলে আৰু ক'লে, "ঠিক আছে, আমাৰ বাগিচাত ঢেৰ তালগছ আছে। তিনিজোপামান তালগছ কাটি পঠাই দিম, হৈ যাব।"

পদুমীয়ে কথা ৰাখিছিল। সেই তালৰ কাঠেৰে চালৰ বন্দৱস্ত হৈ গ'ল। এতিয়া আৰু বাকী থাকিল—কেৱল খাপৰি ইটা।

বাণীয়ে বিচাৰি-খোচাৰি ইমানকে জানিব পাৰিলে যে—এই চহৰৰে এঠাইত খাপৰিইটাৰ কাৰখানাৰপৰা কিস্তিত খাপৰি ইটা পোৱা যাব। কিন্তু—কাৰখানাৰ মালিকে চিনি পোৱা মানুহ এজনে কিস্তিৰ টকাৰ জামিন হৈ থাকিব লাগিব। —কাকনো পোৱা যাব?

বাণীয়ে কথাটো কওঁ-নকওঁকৈয়ো অনন্তক ক'লে। এইবাৰ অনন্তই হাঁহি মাৰি ক'লে, "তুমিয়েই মোক শিকালা যে—শুই থকা শিয়ালে হাঁহ ধৰি খাব নোৱাৰে। চিন্তা নকৰা, মই আৰু শুই নাথাকোঁ।"

অনন্তৰ আন্তৰিক কথাত বাণীয়ে তাৰ আগৰ সকলো অৱহেলা-উপেক্ষা পাহৰি অনন্তৰ বুকুৰ মাজত সোমাই পৰিল। এইবাৰ তাই তাইৰ অনন্তৰ মাজতে অনন্তৰ ছো পোৱা যেন পালে।

খাপৰিইটা অনন্তয়েই লৈ আহিছিল, জমিদাৰ ডাঙৰীয়া আছিল কিস্তিৰ জামিন।

বাণীয়ে কেৱল পৰিপূৰ্ণ ঘৰেই পোৱা নাছিল, আগলৈ—পৰিশ্ৰমী অনন্তৰ মাজতে বিচাৰি পাইছিল বিশ্ব-চৰাচৰ।



বৃটিছ-বিৰোধী যুঁজাৰু

৬

কেৰলবৰ্মা পাঝাছি-ৰাজা

বচন : মীৰা উগ্ৰা ✻ চিত্ৰণ : গৌতম সেন

আৰু সেইহে—
ছাহাব—ক্ষম
কৰঁা—
কিন্তু—আমাৰ
পাগ...
আমাৰ তিলক...
আমাৰ কুন্তল...
দাড়ি আৰু গোঁফ
সকলো আমাৰ ধৰ্মীয়
খেতে-বি!
চিপাহীসকলে যেতিয়া ছাহাবহঁতৰ এই নতুন
লোৱা নহ'ব।
চিপাহীসকলক সৌকাৰে কোবোৱা হ'ল...।
এই বাতৰিয়ে যেতিয়া ভেল্লোৰ পালেগৈ—
সিহঁতে আমাৰ ধৰ্মতো
আমি সিহঁতৰ
এই আদেশ
নামানো...



*১৭৯৯ চনত শ্রীবঙ্গপতনত টিপু ছুলতানব পবাজয়ব পাছত টিপুব পুত্র মঈজউদ্দিনক নবাব পতা হৈছিল।

কৰ্নেল গিলেস্পিয়ে সৈন্য-বাহিনীৰে সৈতে আৰ্কটৰপৰা ভেল্লোৰলৈ বুলি ঢপলিয়াই গ'ল...
আৰু সপ্তম মাদ্ৰাজ ক্যাভালৰিও বৰতোপৰে সৈতে তালৈ লৰ্‌ৰি গ'ল...
বুমম্ !
আৰু—
কেৰ ৰ ৰ...
ক্ৰ্যাক্ক !
ইংৰাজৰ বাহিনী দুৰ্গৰ ভিতৰলৈ সোমাল আৰু বিদ্ৰোহীসকলক বন্দী কৰা হ'ল—
হে ভগৱান ! আমাৰ বিৰাশীজন মানুহ মৰিল !
আৰু—প্ৰায় এশমান বেয়াকৈ আহত হ'ল !
চাৰিশ বিদ্ৰোহীয়ে প্ৰাণ হেৰুৱালে আৰু অসংখ্য বিদ্ৰোহী-জনতা আহত হ'ল। টিপু ছুলতানৰ পুত্ৰ মঈজউদ্দিনক আৰু লগতে পৰিয়ালবৰ্গকো পোনতে মাদ্ৰাজলৈ পঠোৱা হ'ল, আৰু তাৰ পাছত পঠাই দিয়া হ'ল—দূৰ কলিকতালৈ ....

৪৫

নহুষ আগতে আছিল অতি সজ্জন। কিন্তু ইন্দ্র-পদ পোৱাৰ পাছত নহুষে বিলাস-বৈভৱৰ জোৱাৰত গা উটুৱালে। এদিন নহুষে অপ্সৰাহঁতৰ সৈতে বিহাৰ কৰি থাকোঁতে ইন্দ্র পত্নী শচীদেৱীক দেখা পাই মোহিত হ'ল। নহুষে শচীদেৱীলৈ এই বাৰ্তা প্ৰেৰণ কৰিলে যে এতিয়া যিহেতু তেৱেঁই ইন্দ্ৰ, সিহেতু শচীদেৱী তেওঁৰ পত্নী হওকহি। নহুষৰ মনোভাৱত ভীত শচীদেৱীয়ে বৃহস্পতিৰ শৰণ ল'লে।

এই বাতৰি পাই নহুষ অতিপাত ক্ৰোধিত হৈ উঠিল। নহুষে মুনি-ঋষিবগঁলৈ গালি পাৰি থাকিল। তথাপি মুনি-ঋষিসকলে নহুষক এই হিতবোধ দিলে যে পৰ পত্নীক বাঞ্ছা কৰাটো—মহাপাপ।

"ইন্দ্ৰয়ো যেতিয়া এনেবোৰ কাৰ্য্য কৰিছিল—তেতিয়া আপোনালোকে ইন্দ্ৰকো এই হিতবোধ প্ৰদানিছিলনে ?" ক্ৰুদ্ধ নহুষে হিতবোধ প্ৰদানকাৰীসকলক সুধিলে।

তেতিয়া সকলো দেৱতা একত্ৰিত হৈ বৃহস্পতিৰ কাষ চাপিল আৰু ক'লে, "হে মহাত্মা, শচীদেৱীক তাৰ পত্নী কৰিব—নহুষে এই পণ লৈছে। নহুষক যদি প্ৰতিৰোধ কৰিব পৰা নাযায়—সকলো লোকতে এক অভাৱিত বিপৰ্য্যয়ৰ সৃষ্টি হ'ব।"

"কিন্তু মই কোনো অৱস্থাতে নহুষৰ পত্নী হ'ব নোৱাৰিম, এই কথাৰ লৰচৰ নহ'ব। শত-সহস্ৰ আলৈ-আথানিতো এই কথা শিলৰ ৰেখা হৈ থাকিব।" শচীদেৱীয়ে ক'লে।

বৃহস্পতিয়েও একেই মতামত প্ৰকাশ কৰিলে, "মোৰ শৰণাগতাক মই সৰ্বতোপ্ৰকাৰে ৰক্ষা কৰিম—এয়ে মোৰ ধৰ্ম। আৰু এই ধৰ্ম-পালনৰপৰা কোনো অৱস্থাতে মই নিবৃত্ত নহওঁ—এই কথা ধ্ৰুৱ।"

এনেহেন সংকটজনক পৰিস্থিতিত কিবা

'যুদ্ধৰ পদধ্বনি'

এটা উপায় বিচাৰি নুলিয়ালেই নহয়—যি উপায়েৰে শচীদেৱীও ৰক্ষা পৰিব, আৰু নহুযো শান্ত হ'ব।

"গৰ্বান্ধ নহুষৰ পতন—অনিবাৰ্য্য। কিন্তু আমি তাৰ পতনৰ বাবে হাত সাৰটি বহি থাকিলে সেই পতনলৈ অকল্পনীয় বিলম্বৰ ফলত আমাৰ দুখ-দুৰ্গতিৰ অন্ত নাথাকিব। এতেকে—শচীদেৱীয়ে নহুষক কওকগৈ কিছুদিনলৈ প্ৰতীক্ষাৰ কথা, আৰু ইতোমধ্যে আমি কিবা নহয়-কিবা এটা উপায় উলিয়াই এই পৰিস্থিতিৰ পৰিৱৰ্তন কৰিম।" বৃহস্পতিয়ে দেৱতাসকলক বুজাই ক'লে।

বৃহস্পতিৰ অনুৰোধক্ৰমে শচীদেৱী নহুষৰ ওচৰলৈ গ'ল, আৰু নহুষক কোৱা হ'ল, "মোৰ পতিদেৱতা ইন্দ্ৰৰ কোনো সম্বাদেই নাই। সঠিক সম্বাদ পোৱালৈকে আপুনি প্ৰতীক্ষা কৰক, মই আপোনাৰ পত্নী হ'ম।"

ইতোমধ্যে মুনিবৰ্গই ইন্দ্ৰক বিচাৰি উলিয়ালে আৰু তেওঁৰ পাপক্ষয়ৰ বাবে অশ্বমেধ যজ্ঞ পাতিলে। ইন্দ্ৰ স্বৰ্গৰাজ্যলৈ উভতি আহিল, কিন্তু নহুষৰ তেজস্বিতা দৰ্শনান্তে ভীত-ত্ৰস্ত হৈ যঃ পলায়তি সঃ জীৱতিকৈ স্বৰ্গৰাজ্যৰপৰা নিমিষতে নোহোৱা হৈ পৰিল।

শচীদেৱীয়ে পতি ইন্দ্ৰক এঠাইত বিচাৰি পাই ক'লে, "নহুষক বধি আপোন ইন্দ্ৰত্ব পুনৰাধিকাৰ কৰক।"

"নহুষক এতিয়াই বধ কৰা সম্ভৱ নহয়। তাক বিশেষ উপায়েৰেহে বধিব পৰা যাব, আৰু সেই উপায় তুমিয়েই উলিয়াই দিব লাগিব।—তুমি নহুষৰ কাষ চাপি কোৱাগৈ যে—সি মুনিগণ বাহিত দোলাত উঠি তোমাৰ কক্ষলৈ আহিব লাগে। গৰ্বান্ধ নহুষে যেতিয়া মুনিগণৰদ্বাৰা এই হীন কাৰ্য্য কৰাব—তেতিয়া সি পাপবিদ্ধ হ'ব আৰু তাৰ অনিবাৰ্য্য পতন হ'ব।" ইন্দ্ৰই শচীদেৱীক ক'লে।

ইন্দ্ৰৰ কথামতে—শচীদেৱী—নহুষৰ ওচৰলৈ গ'ল, আৰু ইন্দ্ৰই কৈ দিয়া মতেই নহুষক কথাখিনি ক'লে।

শচীদেৱীৰ কথাত নহুষ নথৈ আনন্দিত হ'ল, তপিনাত গোৰ লগাই নাচিবৰ মন গ'ল তেওঁৰ। তেওঁ শচীদেৱীক কথা দিলে যে শচীদেৱীৰ ইচ্ছামতেই কাম হ'ব।

তাৰ পাছত—নহুষৰ আদেশ মতে চাৰিগৰাকী মুনিয়ে দোলাত বহি থকা নহুষক শচীদেৱীৰ গৃহলৈ কঢ়িয়াই লৈ যাবলৈ ধৰোঁতে

বাটত নৈতিকতা-অনৈতিকতাৰ বিষয়ে চাৰিও মুনিৰ মাজত মতভেদ সৃষ্টি হ'ল আৰু তৰ্কবাদ চলি থাকিল। নহুষৰ মন-প্ৰাণত তেতিয়া নাৰীদেহৰ উষ্ণ আলোড়ন। মুনিগণৰ কূটতৰ্কত নহুষে ইমানেই আমনি পালে যে ক্ৰোধান্ধ হৈ অগস্ত্য মুনিৰ মস্তকত গুৰিয়ালে। মহামুনি অগস্ত্যই নহুষক সৰ্পজন্মৰ অভিশাপ দিয়াত নহুষ তৎক্ষণাৎ স্বৰ্গভ্ৰষ্ট হ'ল আৰু লগে লগে ইন্দ্ৰই পুনৰ স্বৰ্গৰাজ্যলৈ উভতি আহি শচীদেৱীৰে সৈতে সুখে-শান্তিৰে বস-বাস কৰি থাকিল।"

শল্যই ধৰ্মৰাজক এই কথা শুনালে আৰু তাৰ পাছত দুৰ্য্যোধনৰ সৈতে মিলিত হ'বলৈ পুনৰ আগ বাঢ়িলে।

ইপিনে—দ্ৰুপদৰ পুৰোহিতে পাণ্ডৱৰ দূত হৈ হস্তিনাপুৰ পালেগৈ। তাৰ আগতে কৌৰৱৰ হৈ যুদ্ধ কৰিবলৈ অসংখ্য ৰজা-মহাৰজাই তেওঁলোকৰ বিপুল সৈন্যবাহিনীৰে সৈতে হস্তিনাপুৰ পালেহিয়েই।

পাণ্ডৱৰ ফলীয়া হৈ যুদ্ধ কৰিবলৈ সপ্ত অক্ষৌহিণী সৈন্য উপপ্লব্যলৈ আহিল। মহাৰথী যুযুধান, চেদিৰাজ ধৃষ্টকেতু প্ৰমুখই এক-এক অক্ষৌহিণী সৈনিকৰে সৈতে আহি পালেহি। পাণ্ড্যদেশৰ ৰজাই অতি শক্তিমান পাৰ্বত্য যোদ্ধসৈন্যহঁতক লৈ আছিল ধৰ্মৰাজক সহায় কৰিবলৈ। সসৈন্য দ্ৰুপদো আহিল, আহিল মৎস্যৰাজ। তাৰোপৰি কিমান যে আহিল—তাৰ লেখ-জোখ দিয়া টান।

আৰু ঠিক এই সময়তে কৌৰৱৰ ফলীয়া হৈ যুদ্ধ দিবলৈ এঘাৰ অক্ষৌহিণী সেনাৰে সৈতে নৰকাসুৰ-পুত্ৰ ভগদত্ত আহিল। শল্য



আহিল এক অক্ষৌহিণী সৈন্য লগত লৈ। আহিল সসৈন্য কৃতবৰ্মা। সিন্ধু আৰু সাৱীৰ দেশৰপৰা আহিল জয়দ্ৰথ। দক্ষিণৰ মাহিষ্মতীপুৰৰপৰা ভয়ংকৰ-ভয়ংকৰ আয়ুধৰে সৈতে অদ্ভুত ধৰণৰ যোদ্ধসৈন্য সমাৱিষ্ট হ'ল। অৱন্তীদেশৰ ৰজাই পঞ্চ অক্ষৌহিণী সৈন্যৰে সৈতে কৌৰৱ শিবিৰলৈ সমুপস্থিত হ'ল। এই সুবিপুল সৈন্যৰ উপৰিও জলধাৰাৰ দৰে সসৈন্য সৰু-বৰ ৰজা-মহাৰজা নিৰন্তৰ আহিয়েই থাকিল।

ইপিনে—তিমানতে দ্ৰুপদৰ পুৰোহিত পাণ্ডৱৰ দূত হৈ কৌৰৱৰ ৰাজসভা পাইছিলহিয়েই। তেতিয়া কৌৰৱৰ ৰাজসভা পোহৰাই—বিদুৰ, ভীষ্ম, ধৃতৰাষ্ট্ৰ প্ৰমুখো উপৱিষ্ট আছিল। তেওঁলোকে এই আগন্তুক বৃদ্ধ

ব্ৰাহ্মণলৈ যথোচিত আদৰ-অভ্যৰ্থনা জ্ঞাপি পাণ্ডৱসৱৰ কুশল-মংগল সুধিলে। আৰু তাৰ পাছত বৃদ্ধ ব্ৰাহ্মণ পুৰোহিতে কৌৰৱৰ ৰাজসভাত দণ্ডায়মান হৈ সকলোকে সম্বোধি ক'বলৈ ধৰিলে ঃ

"হে সভাসদবৰ্গ! ধৃতৰাষ্ট্ৰ আৰু পাণ্ডু ৰজা একেইহাল দম্পতিৰ সন্তান। এতেকে—বোপা-ককাৰ সা-সম্পদত উভয়ৰে অংশ একেই সমান। এই পৰিস্থিতিত—কেৱল ধৃতৰাষ্ট্ৰৰ পুত্ৰসৱে কিয় পিতৃ-সম্পদ ভোগ কৰাৰ অধিকাৰ পাব, আৰু পাণ্ডৱসৱে কিয় যে নাপাব—সেই কথা আমাৰ ক্ষুদ্ৰ বুদ্ধিয়ে ঢুকি পোৱা নাই। পাণ্ডৱসৱৰ এই অধিকাৰ নাই? আপোনালোকৰ মাজত কোনোবা আছেনে—যিজনে এই অনধিকাৰৰ হেতু বুজাই ক'ব পাৰিব? আপোনাসৱে নিশ্চয় এই কথা বিস্মৃত হোৱা নাই যে—দুৰ্যোধনে পাণ্ডৱসৱক কিখিনি আলৈ-আথানিত পেলাইছিল। পাণ্ডৱৰ অৰ্জিত পুণ্যয়েই পাণ্ডৱক ৰক্ষা কৰিলে, নতু তেওঁসৱৰ মৃত্যু আছিল অৱধাৰিত। পাণ্ডৱসৱে আপোন শক্তিৰে যি-ৰাজ্য পাইছিল, ধৃতৰাষ্ট্ৰৰ পুত্ৰই সেই ৰাজ্যও হস্তগত কৰি ল'লে—মায়াবী পাশটিৰ কূট-কৌশলেৰে আৰু পাপ-ভৈৰৱ শকুনিৰ প্ৰতাৰণাৰে। পাণ্ডৱসকলে ত্ৰয়োদশ বৎসৰলৈ পৰিবাৰসহিত অৰণ্যবাস কৰিলে, বৰ্ণনাতীত কষ্টৰ মাজেদি এবছৰলৈ অজ্ঞাতবাসো কৰিলে। কিন্তু তথাপি—মহতোমহান পাণ্ডৱসৱে কৌৰৱৰ সৈতে সুসম্পৰ্ক স্থাপনত আগ্ৰহী, শান্তিপূৰ্ণ সহাৱস্থানত ইচ্ছুক। কৌৰৱৰ বিৰুদ্ধে যুদ্ধ কৰাৰ ইচ্ছা—তেওঁলোকৰ নাই। কিয়নো—যুদ্ধৰ ফলত অনাৱশ্যক ক্ষয়-ক্ষতি আৰু অকাৰণ মনুষ্য-সংহাৰৰ কথাই পাণ্ডৱসাৱক বেদনাগধুৰ কৰি তুলিছে। তেওঁলোকে ন্যায়-বিচাৰ বিচাৰে, তেওঁলোকে তেওঁলোকৰ আপোন ৰাজ্য ওভোতাই পাবলৈ বিচাৰে। কিন্তু যদিহে তেওঁলোকে ন্যায়-বিচাৰ নাপায়—তেনেহ'লে যুদ্ধ বিনে অন্য কিমতে এই অন্যায়ৰ বিচাৰ-মীমাংসা হ'ব পাৰে—পাৰিলে আপোনাসৱেই কওক। মই—পঞ্চনদ, অহিজ্জত্ৰ, কালকূট, গংগাকূট, বাৰণ, নাটধান, বিস্তীৰ্ণ যমুনাতট আদি অতিক্ৰমি আহিছোঁ, আৰু সকলোতে কৌৰৱৰ বিশাল বিপুল অনগণিত সৈন্য সমাবেশ চাই আহিছোঁ। কিন্তু—কেৱল সৈন্য সংখ্যাৰেই পাণ্ডৱসৱক

পৰাজিত কৰিব পৰা হ'ব—এই ধাৰণা ভ্ৰমাত্মক প্ৰমাণিত হ'ব পাৰে। দুৰ্যোধনৰ ফলীয়া সেনাবাহিনী যিমানেই বিপুল-বিশাল নহওক —সেই বিশালত্বই কোনো গুণ নিদিবও পাৰে। পাণ্ডৱসেনাৰ মাজত—সাত্যকী, ভীম, নকুল, সহদেৱাদি এক-এক অক্ষৌহিণী সৈন্যৰ সমান। অৰ্জুন অকলেই অনেক অক্ষৌহিণী সেনাৰ সমান। কৃষ্ণও উচ্চকোটিৰ শূৰ-বীৰ। ইমান শক্তিমান পাণ্ডৱৰ বিৰুদ্ধে যুদ্ধ কৰাটো—মূৰ্খতাৰ নামান্তৰো হ'ব পাৰে। জগতৰ কোনো বুদ্ধিশালীয়েই যুদ্ধ নিবিচাৰে, কিয়নো—যুদ্ধ হ'ল সৰ্বশ্ৰেষ্ঠ মূৰ্খতা। যি কি নহওক—পাণ্ডৱসৱে কৌৰৱসৱলৈ বন্ধুত্বৰ হস্ত প্ৰসাৰিত কৰিছে। কিন্তু এই সুৱৰ্ণ সুযোগ দুনাই নাহিবও পাৰে, এতেকে, এতিয়াই এই সুৱৰ্ণ সুযোগ গ্ৰহণ কৰা উত্তম। এই প্ৰসাৰিত হস্তক ধাৰণহে কৰিব লাগে, বৰ্জন কৰিব নালাগে।"

দ্ৰুপদৰ পুৰোহিতৰ ভাষণ শেষ হোৱাৰ পাছত ভীষ্মই কৈ থাকিল, "হে ব্ৰাহ্মণোত্তম, আপোনাৰ কথাত কটুতা আছে, কিন্তু সত্যতাও আছে। এই কথা ঠিক যে কৌৰৱে যুদ্ধলৈ সাজু হ'ব ধৰিছে, আৰু লগতে শান্তিৰ বচনো আওৰাইছে। পাণ্ডৱসকলে যে আলৈ-আথানিত পৰিছিল, সেই কথাও সমভাবেই সত্য। সত্য—তেওঁলোকৰ অপাৰ প্ৰশংসনীয় সহ্যশক্তি। অৰ্জুনৰ অস্ত্ৰ-শ্ৰেষ্ঠত্বও অবিসম্বাদিত সত্য। অৰ্জুন—নিঃসন্দেহে মহাযোদ্ধা। বজ্ৰায়ুধধাৰী ইন্দ্ৰও অৰ্জুনৰ আগত তেনেই শক্তিহীন। আনকি শেহুৱা পাণ্ডৱো প্ৰকৃততেই মহাশূৰ—ইকথা এক অভ্ৰান্ত সত্য।"

ভীষ্মৰ ভাষণ সমাপ্ত হোৱাৰ পাছত কৰ্ণ দণ্ডায়মান হ'ল। কৰ্ণই কৈ থাকিল, "হে বিপ্ৰ, আপুনি আমাক যিখিনি কথা ক'লে, আমি আগৰেপৰাই জ্ঞাত আছোঁ। ধৰ্মৰাজ আৰু তেওঁৰ ভাতৃগণ সপত্নী অৰণ্যবাস ভুঞ্জিছিল যে—সেই কথা নজনা আমাৰ মাজত কোনো নোলাব। কিন্তু এই ঘটনাত কৌৰৱে পাণ্ডৱৰ সৈতে কোনো অন্যায় কৰিছিল বুলি আমি নাভাবোঁ। কিয়নো—পাশটি খেলৰ চৰ্ত অনুসাৰেই পাণ্ডৱে বনবাস ভুঞ্জিবলগীয়া হৈছিল। এতেকে—এতিয়া ৰাজ্য ঘূৰাই পোৱাৰ অভিলাষক—পাণ্ডৱৰ মূৰুখালিৰ বাহিৰে আৰুনো কি বুলি অভিহিত কৰিব পাৰি? পাণ্ডৱৰ বল-শক্তিসহায়-সাৰথি দেখি ভীত হোৱা ভকত—দুৰ্যোধন নহয়। এইদৰে

ডাবি-হুঁকিবে আনকি এপদ ভূমিও দুৰ্য্যোধনে পাণ্ডৱক দিয়াত নাই। তথাপি যদি পুনৰ ৰাজ্য ফিৰাই পাবলৈ ডবিয়ায়—পাণ্ডৱে পুনৰবাৰ বনবাসী হ'ব লাগিব। ৰাজ্যৰ লোভত পাণ্ডৱে ধৰ্ম ত্যজি যুদ্ধক সাৰোগত কৰা—আমি দেখি আছোঁ।"

কৰ্ণৰ কথাত ভীষ্ম বিতুষ্ট হ'ল। ভীষ্মই কৰ্ণক ক'লে, "কৰ্ণ, এনেবাৰ অৰ্থহীন কদৰ্য কথাৰেনো কি লাভ ? যদি যুদ্ধ লাগি পৰেই —আমি কীট-পতংগৰ দৰে ধ্বংস হৈ যাম।"

তেতিয়া ধৃতৰাষ্ট্ৰই হস্তক্ষেপ কৰি কৈ উঠিল যে ভীষ্মৰ কথাত সত্যতা আছে, আৰু তেওঁ আমাৰ মংগলৰ বাবেহে কৈছে। কৰ্ণই কদৰ্য্য কথাবোৰ কোৱা উচিত নহয়।

দ্ৰুপদৰ পুৰোহিতে ধৃতৰাষ্ট্ৰক ক'লে, "মহোদয়, মই এই সন্দেশ গভীৰতাৰে ভাবি চাম আৰু সঞ্জয়ৰ হতুৱাই পাণ্ডৱসৰলৈ এই সন্দেশ পঠাম।"

ধৃতৰাষ্ট্ৰই পুৰোহিতলৈ আদৰণী জনালে আৰু সঞ্জয়ক তেওঁৰ কাষলৈ মতাই নিলে আৰু ক'লে, "সঞ্জয়, তুমি অতি শীঘ্ৰে উপপ্লাব্যলৈ গমন কৰাঁ, ধৰ্মৰাজক লগ কৰাঁ, আৰু তেওঁৰ কুশল-মংগল সোধাগৈ। তেওঁ যে সফলতাৰে বনবাস-অজ্ঞাতবাস সামৰিলে—তাৰ বাবে তেওঁলৈ মোৰ কৃতজ্ঞতা জ্ঞাপিবা। তেওঁৰ হৈ যুদ্ধ কৰিবলৈ উপপ্লাব্যলৈ অহা কৃষ্ণলৈ মোৰ নমস্কাৰ জনাবা। আমাৰ কাৰণে পান্ডৱসৰে অনেক দুখ অবাবতেই ভুঞ্জিবলগীয়া হৈছে। এতিয়া যদি—বাস্তৱিকেই যুদ্ধ হয়—সেই যুদ্ধৰ কথা ভাবি মই এতিয়াই কঁপি উঠিছোঁ, বেদনাৰ্ত বোধ কৰিছোঁ। ভীম-অৰ্জুন আদি মহাশূৰ। যুদ্ধবিদ্যাত তেওঁলোকৰ সমান জগতত আন নাই। তেওঁলোকক কি ক'বা—হে সঞ্জয়—তুমি নিজেই ঠিক কৰি লোৱা। মোক যুদ্ধ নালাগে। এই বিষয়ে পাণ্ডৱক বুজাই কোৱাৰ সৰ্বদায়িত্ব তোমাতেই অৰ্পিলোঁ।

সঞ্জয়ে ৰথযোগে উপপ্লাব্য পালেগৈ।

কুশল-মংগল সোধাৰ অন্তত—সকলো পাণ্ডৱৰ সমক্ষে সঞ্জয়ে ধৰ্মৰাজক ক'লে, "ধৃতৰাষ্ট্ৰ শান্তিৰ আকাঙ্ক্ষী—এই সন্দেশ আপোনাসৰলৈ কঢ়িয়াই লৈ আহিবলৈ তেৱেঁই মোক আপোনাসৰৰ সমীপলৈ প্ৰেৰণ কৰিলে। জগতে ধৃতৰাষ্ট্ৰক আদৰ্শ পুৰুষৰূপে গণ্য কৰে মান্য কৰে। গতিকে—তেওঁৰ মাজত নিচেই সামান্যমান ত্ৰুটি হ'লেও সেই ত্ৰুটি বৃহদাকাৰ

বুলি বোধ হয়। যুদ্ধত কোন বিজয়ী হ'ব কোন পক্ষ হ'ব পৰাজিত—সেই কথাৰ চয় নিচয় এহিক্ষণ সম্ভৱ নহয়। কিন্তু—এই ক্ষেত্ৰত—আনকি বিজয়ো নিষ্প্ৰয়োজক। একান্ত আপোনজনৰ মাজত যুদ্ধ যদি হয়েই—তেনেহ'লে সেই ভ্ৰাতৃঘাতী যুদ্ধজনিত বিজয় একান্তভাবেই অৰ্থহীন। ভ্ৰাতৃঘাতী যুদ্ধত জয়-পৰাজয়ৰ স্থানেই নাই। সেই বিজয়ে কোনো পক্ষকে সুখ নিদিয়ে। মই আপোনাসৱলৈ হাত যোৰ্ কৰি কওঁ—আহক, আমি সকলোটিয়ে মিলি শান্তি স্থাপনাৰ্থ বাট বিচাৰি উলিয়াবলৈ কটিৱদ্ধ হওঁ। যেৱে যি ভাবে ভাবক—আমি শান্তিৰ বাট বিচাৰি উলিয়াই যুদ্ধ পৰিহাৰ কৰিম।"

ধৰ্মৰাজে আপোন অভিপ্ৰায় ব্যক্ত কৰি ক'লে, "সঞ্জয়, মই কদাপি যুদ্ধৰ নামোচ্চাৰণো কৰিছোঁনে ? যুদ্ধহেন মূৰ্খ কাৰ্য্য মোৰ কদাপি অভিপ্ৰেত নাছিল, আজিও নাই। কিন্তু মহাৰাজ ধৃতৰাষ্ট্ৰই যে কেনেকৈ যুদ্ধোন্মাদ দুৰ্য্যোধনলৈ সমৰ্থন জ্ঞাপিছে—তাকে ভাবি মই বিভ্ৰান্ত। যি কি নহওক—আগতে আমাৰ লগতে যি ছল-কপট কৰা হৈছিল, আমি সকলো বিস্মৃত হৈ যাম, অতীতক অতীতৰ মহাগৰ্ভলৈ নিক্ষেপ কৰিম, মাত্ৰ—ইন্দ্ৰপ্ৰস্থ আমাক দিয়া হওক, আন সৰ্বভূমিৰ ৰজা হওক দুৰ্য্যোধন।"

কৃষ্ণই সঞ্জয়ক ক'লে, "সঞ্জয়—তুমি যে শান্তি-শান্তি বুলি অধীৰ হৈছা, যুদ্ধও অন্যতম ৰাজকীয় ধৰ্ম নহয়নে ? ধৃতৰাষ্ট্ৰ-পুত্ৰই পাণ্ডৱসৱৰ সৰ্বস্ব হৰণ কৰিব, আৰু পাণ্ডৱে নিষ্ক্ৰিয়ৱৎ চাই থাকিব—এয়েনে শান্তিৰ স্বৰূপ ? আমি শান্তি স্থাপনত নিশ্চয় আগ্ৰহী, কিন্তু আমাক যদি কেৱল বঞ্চনা কৰা হয়, আমি যুদ্ধতো সমভাবেই আগ্ৰহী।"

সঞ্জয়ে সকলোটিৰপৰা এই বুলি কৰযোৰে ক্ষমা প্ৰাৰ্থনা কৰিলে যে—তেওঁৰ কথনত যদি কিবা ভুল হৈছে, ক্ৰুটি হৈছে—তেনেহ'লে তেওঁৰ অনভিজ্ঞতা তথা অজ্ঞানতাৰ কাৰণেহে হৈছে।

ধৰ্মৰাজে সঞ্জয়ক ক'লে, "সঞ্জয়, মোক যথাৰ্থতে শান্তি লাগে—এই বাতৰি মহাৰাজ ধৃতৰাষ্ট্ৰক দিয়াগৈ। আৰু—কৃষ্ণই কোৱা কথাখিনিও মহাৰাজ ধৃতৰাষ্ট্ৰক বুজাই ক'বা।"

তাৰ পাছত, সকলোটিৰপৰা বিদায় লৈ, সঞ্জয় পুনৰ হস্তিনাপুৰলৈ বুলি আগবাঢ়িল।

NEWS FLASH

বহু অধিক মানুহ

১৯৯৯ চনৰ অক্টোবৰ মাহত এটা নতুন নাম গ্ৰহন কৰা হৈছিল - "ছয়শত কোটিৰ দিন"। সেই দিনা আমেৰিকাৰ পৰিগণনা মতে তুমি আৰু মই এই পৃথিবীৰ সকলো সহকৰ্মী আছিল ৫,৯৯৯,৯৯৯.৯৯৯ সংখ্যক। সেইদিনটোত ১৯০০ চনৰ ১.৭ শতকোটি জনসংখ্যাৰ পৰা ৬০০ কোটিলৈ বৃদ্ধি হৈছিল। আজি কমেও ৯০০০ লাখ মানুহ ভোকাতুৰ আৰু প্ৰায় ১৩০ কোটিৰো অধিক মানুহ চৰম পৰ্য্যায়ত। ২০৫০ চনত এই জনসংখ্যা প্ৰায় ৮৯০ কোটি স্পৰ্শ কৰিব। তাৰে ৫৯ শতাংশ হবগৈ এচিয়াৰ ২০ শতাংশ আফ্ৰিকাৰ আৰু ৯ শতাংশ হবগৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ। (বৰ্তমান অকল চিনৰ জনসংখ্যা হ'ল ১৩০ কোটি)।

বেমাৰ তকৈও অতি বেছি ভয়ঙ্কৰ

নতুন দিল্লীত "ঔষধৰ ৰাষ্ট্ৰীয় ব্যবহাৰৰ উন্নয়নত দিল্লী সংগঠন" নামেৰে এটি প্ৰতিষ্ঠান আছে। বিশ্ব স্বাস্থ্য কেন্দ্ৰ "ৰ অনুৰুধ ক্ৰমে সিঁহতে ভাৰতীয় সকলৰ ঔষধ খোৱা অভ্যাসৰ পৰিচৰ্চা কৰিছিল। সিঁহতে যি দেখিছিল তাত সিঁহত আতঙ্কিত হৈছিল। ডক্তৰে ঔষধাদিৰ ব্যবস্থাপত্ৰ দিয়ে খুউব দ্ৰুতভাবে আৰু ৰোগীয়ে ত়াক গ্ৰহণ কৰে একেই বেগেৰে। আমাৰ ৰাজধানীৰ চিকিৎসালয়ৰ নেতৃত্বত দিয়া প্ৰায় ৬১ শতাংশ প্ৰতিষেধক আছিল প্ৰকৃতি আৰু স্বয়ংক্ৰিয় চিকিৎসা ক্ষমতা নোহাৱো। বহুতো ক্ষেত্ৰত সেইবোৰ আছিল অউপযোগী। হয়তো কেতিয়াবা সেই অভ্যাসে বেমাৰতকৈও গভীৰ ৰূপ ধাৰণ কৰিছিল। সেই অদৰকাৰী ঔষধৰ ব্যবহাৰৰ ফলত তাৰ দামৰ বৃদ্ধি পোৱাৰ ফলত দেশৰ লক্ষাধিক জনসংখ্যাই তাৰ ব্যবহাৰৰ ক্ষমতাৰ পৰা বঞ্চিত হৈছিল।

অশ্লীলতাৰ বিৰুদ্ধে ছাত্ৰ

এইটো ভাবা ভূল যে ছাত্ৰই অতি সহজে অশ্লীলতা আৰু অমাৰ্জিততাৰ বশবৰ্তী হয়। সদ্যহতে এক নতুন জনপ্ৰিয় লিক্ষকৰ উপন্যাসৰ পৰা এক অশ্লীল অধ্যায় ছপা হৈছিল এক জনপ্ৰিয় সপ্তাহিক আলোচনীয় । চন্ডীগড়ৰ জি.চি.জি. ৰ কলা শাখাৰ চুড়ান্ত মহলাৰ ছাত্ৰগণে সেই আলোচনীৰ সম্পাদকক এই বিষয়ে আপত্তি জনাইছিল। আমি সেই ছাত্ৰ সকলক অভিনন্দন জ্ঞাপন কৰো।

কুকুৰে অতিক্ৰম কৰে মেকুৰীক

সাধাৰণতে বিশ্বাস কৰা হয় যে মেকুৰীৰ জীৱন ৯টা আৰু কোৱা হয় যে সিহঁতৰ সহজে মৃত্যু নহয়। দুটো কুকুৰে সেইটো প্ৰমাণ কৰিলে যে বাকী জীৱতকৈ সিহঁত বেছি শক্তিশালী। টাৱাইনত এবাৰ বিধস্তকৰ ভূমিকম্প হৈছিল।

বহু সংখ্যক মানুহৰ মৃত্যু হৈছিল। কিন্তু সেই ভূমিকম্পৰ ৪৩৭ ঘন্টাৰ পিছত কুকুৰ দুটো তাৰ পৰা জীৱন্ত আৰু সুৰক্ষিত অবস্থাত ওলাই তননা হৈছিল। এখন চকিয়ে সিহঁতক ৰক্ষা কৰি ৰাখিছিল আৰু ওচৰতে থকা এটা ফ্ৰিজাৰৰ পৰা সিহঁতে পানী আৰু খোৱাবস্তু খাই জীয়াই আছিল।

চান্দমামা
কোলাৰ কাকত
১১২

শোভাময়
ভাৰত

বাঞ্জাৰা

একালত মোগল সম্ৰাট আওৰংজেবৰ আক্ৰমণত অতিষ্ঠ হৈ বাঞ্জাৰা নামৰ সম্প্ৰদায় ভগনীয়াৰূপে ৰাজস্থানলৈ আহিছিল বুলি জনা যায়। তাৰো আগতে—এই সম্প্ৰদায় ইউৰোপতো আছিল, তেতিয়া এওঁলোকক ৰোম্যান জিপছি বুলি কোৱা হৈছিল। অঘৰীৰ দৰে থকাটো এই সম্প্ৰদায়ৰ অভ্যাস। এঠাইত দীৰ্ঘকাললৈ থাকি এওঁলোকে ভাল নাপায়। আৰু—এই দৰেই এদিন আফগান পৰ্বত পাৰ হৈ বাঞ্জাৰাহঁত ভাৰতমূমি পাই—পোতনে আওৰংজেবৰ সৈন্যবাহিনীৰ অস্ত্ৰবাহকৰ কম কৰিছিল। এই সম্প্ৰদায়ৰ মানুহে টিপ্পু ছুলতানৰো কাম কৰিছিল।

কোনোবা বিশেষ দেশত দীৰ্ঘকাললৈকে নাথাকি এওঁলোকে দেশে-দেশে ঘৰ সাজিছিল, আৰু জীৱিকাৰ উপায় হিচাবে-মাটিৰে বনোৱাবচন-বৰ্তন, বাঁহৰ কামিৰে কৰা পাচি, ঢাৰি ইত্যাদি বনাই বেচিছিল।

হিন্দু ধৰ্মৰ কিছুমান ৰীতি-নীতিক এওঁলোকে ভাল পায়, অৰু আচৰে। তিৰুপতিৰ বালাজীক এওঁলোকে কুলদেৱতা বুলি মানে। বাঞ্জাৰা ছোৱালীহঁত বৰ প্ৰমোদপ্ৰিয় আৰু খেলা-ধেমালি কৰি ভাল পায়। এওঁলোকে ওৰণি লয় আৰু ভৰিৰ পতালৈকে ওলোমা দীঘল সাজ-পাৰ পিন্ধে। খাৰু, নাকফুল, গলপতা, কাণফুল আদি পিন্ধি ভাল পায়, বাঞ্জাৰা সম্প্ৰদায়ৰ মতামানুহহঁতে চুৰিয়া আৰু পাগুৰী পিন্ধে আৰু সিহঁতক দেখাত তেনেই সাধাৰণ হালোৰা যেন লাগে।

ময়ূৰধ্বজ

দ্বাপৰযুগৰ শেষৰ ফালে মণিপুৰ ৰাজ্যৰ ৰজা আছিল— ময়ূৰধ্বজ। তেওঁ আছিল ধৰ্মাত্মা আৰু প্ৰজাপ্ৰাণ ৰজা। প্ৰজাৰ সুখেৰে তেওঁ সুখী বোধ কৰিছিল, আৰু প্ৰজাৰ দুখেৰে দুখী।

ৰজা ময়ূৰধ্বজে এবাৰ এক মহাযজ্ঞ পাতি যজ্ঞৰ অশ্বক বিজয়যাত্ৰালৈ বুলি এৰি দিলে আৰু অশ্বৰ সৈতে— পৰৱৰ্তীকালত তাম্ৰধ্বজ নামেৰে খ্যাত—পুত্ৰ সুচিত্ৰকো প্ৰেৰণ কৰিলে।

আৰু ঠিক সেই কালছোৱাতে ধৰ্মৰাজেও যজ্ঞ পাতি যজ্ঞাশ্ব এৰিছিল আৰু অশ্বৰ লগে লগে কৃষ্ণ আৰু অৰ্জুনকো প্ৰেৰণ কৰিছিল।

উভয় অশ্ব যেতিয়া সমুখা-সমুখি হ'ল, সুচিত্ৰই আপোন ক্ষমতাৰে অৰ্জুন আৰু কৃষ্ণকো অচেতন কৰি পেলালে, আৰু তাৰ পাছত পুনৰ আগ বাঢ়িলে।

অলপ পাছত কৃষ্ণ আৰু অৰ্জুন পুনৰ চেতনাপ্ৰাপ্ত হ'ল, আৰু এই কথা জ্ঞাত হোৱাৰ বাবে উৎসুক হৈ উঠিল যে— তেওঁলোকক অচেতন কৰি পেলোৱাজন কোন আছিল, এইজন কাৰ পুত্ৰ।

কৃষ্ণ আৰু অৰ্জুনে ব্ৰাহ্মণৰ বেশ ধাৰণ কৰিলে আৰু গৈ গৈ মণিপুৰ পালে। মণিপুৰৰ ৰজা ময়ূৰধ্বজে দুয়োজন ব্ৰাহ্মণলৈ সহৰ্ষ আদৰ-অভ্যৰ্থনা জ্ঞাপন কৰিলে আৰু সুধিলে যে তেওঁলোকক কি লাগে।

তদুত্তৰত ব্ৰাহ্মণবেশধাৰী কৃষ্ণই ৰজা ময়ূৰধ্বজক ক'লে, "ইয়াৰপৰা বহু দূৰত— এক হাবিয়লীয়া বাটত সিংহ এটাই মোৰ পুত্ৰক আগ ভেটি ধৰিছে। মই—মোৰ পুত্ৰক এৰি দি মোক মাৰি খাবলৈ সিংহটোক কোৱাত সিংহটোৱে মোক ক'লে, "তোমাক মই নাখাওঁ, তোমাৰ পুত্ৰকো নেৰোঁ। কিন্তু— ৰজা ময়ূৰধ্বজৰ অৰ্দ্ধাঙ্গ যদি মোক আনি দিব পাৰা, তোমাৰ পুত্ৰক এৰি দিম।"

ব্ৰাহ্মণৰ কথা শুনি ময়ূৰধ্বজ ৰজাৰ ৰাণীয়ে ব্ৰাহ্মণক ক'লে, "অৰ্দ্ধাঙ্গৰ অৰ্থ হ'ল— পত্নী। গতিকে আপুনি মনত কোনো প্ৰকাৰৰ দ্বিধা-সংশয় নকৰি এইক্ষণ মোক সেই সিংহৰ ওচৰলৈ লৈ ব'লক।"

ব্ৰাহ্মণবেশী কৃষ্ণই ক'লে, "পত্নী হ'ল পতিৰ বাঁওভাগ। কিন্তু সিংহই মহাৰাজৰ সোঁভাগহে খাব বুলি কৈছে।"

"ঠিক আছে, হে ব্ৰাহ্মণ, মোৰ দেহৰ সোঁভাগ কাটি লওক আৰু সিংহটোক দিয়কগৈ।" ৰজা ময়ূৰধ্বজে অসঙ্কোচে ক'লে।

ব্ৰাহ্মণৰূপী কৃষ্ণই যেতিয়া এই কাম কৰিবলৈ ল'লে, তেতিয়া ৰজা ময়ূৰধ্বজৰ বাঁও চকুৰপৰা লোতক বাগৰিবলৈ ধৰাত কৃষ্ণই ৰজাক ক'লে, "হে ৰজা ক্ৰন্দনযুক্ত দান বিফল হয়। গতিকে—এনেহেন দান মোক নালাগে।"

"হে ব্ৰাহ্মণ মহাত্মা, মোৰ দেহৰ সোঁভাগক মহান পুণ্যকাৰ্য্যত নিয়োজিত হোৱা দেখি বাঁওভাগে চকুলো বোৱাইছে। নহ'লে এই অশ্ৰুজলৰ আন অৰ্থ নাই।" ময়ূৰধ্বজে ক'লে। পাছ মুহূৰ্ততে কৃষ্ণই স্বমূৰ্তি ধাৰণ কৰিলে আৰু ৰজা ময়ূৰধ্বজক আঁকোৱালি ল'লে। কৃষ্ণই ৰজা ময়ূৰধ্বজৰ দান-গুণ আৰু ধৰ্মবোধৰ ভৰপূৰ প্ৰশংসা কৰি তেওঁক ধৰ্মৰাজৰ যজ্ঞস্থললৈ আমন্ত্ৰণ কৰি লৈ গ'ল।



ইউনিকার্ন

জানন-মানন

ইউনিকার্ন হ'ল একশিঙীয়া ঘোঁৰাৰ দৰে কল্পিত এক জন্তু । বহু বহু কালৰ আগতে এনেহেন জন্তু সঁচাসঁচিকৈ আছিল ভবা হয়। বৃটিছ ৰাজবংশৰ চিহ্নত এফালে সিংহমূৰ্তি আৰু আনফালে ইউনিকার্নৰ মূৰ্তি পৰিলক্ষিত হয় । মূৰত এবিধ শিং থকা ঘোঁৰাৰ আকৃতিৰ এই বিচিত্ৰ জন্তু পৃথিৱীত কদাপি আছিলনে নাছিল যদিও কোৱা টানেই, তথাপি মহাৰাণী এলিজাবেথৰ ওচৰত থকা ইউনিকার্নৰ শিং আছিল মহামূল্যৱান ।

ইউনিকাৰ্ণৰ শিঙৰে হেনো মানুহক বিষমুক্ত কৰিব পৰা হৈছিল । কোৱা হয় যে—সিংহ আৰু ইউনিকাৰ্ণ হ'ল পৰস্পৰৰ দুৰ্ঘোৰ শত্ৰু । এই বিষয়ে জনশ্ৰুতি আছে যে—দুয়ো যদি কেতিয়াবা সমুখা-সমুখি হয়, তেনেহ'লে যুঁজি যুঁজি দুয়ো দুয়োকো ফালি পেলাব । এই কাৰণে চালতো অৰ্থাৎ ৰণুৱাৰ গা-ঢকা যতনতো সিংহ আৰু ইউনিকাৰ্ণৰ বাবে বেলেগ বেলেগ ঠাই থাকে ।

ৰাম-জখলা

কাচ-কথা

ক্ন-পৰ্ব্বত কোৱা হৈছেঃ '...কৰ্ণত বলয় গাৰে কাচ্-মণি গাছি...' বালি আৰু এবিধ খালোণেৰে সৈতে তৈয়াৰ কৰা টান ফটফটীয়া অথচ ঠুনুকা বস্তু হ'ল বেলোল বা কাচ । এই কাচেৰে কাচ-শিল্পী সকলে বিবিধ বৰণৰ বিবিধ ধৰণৰ কত কি যে সাজে । অতিকে মনমোহা ৰং-বিৰঙী খিৰিকী আদি কাচেৰে সজা হয়—ফিৰোৰ দেখাত হয় অপূৰ্ব । মধ্যযুগতেই কাচৰ আৱিষ্কাৰ হৈছিল । কাৰো কাৰো মতে—তাৰো বহু আগতে । মধ্যযুগত—যেতিয়া সচিত্ৰ পুস্তক নাছিল, তেতিয়া তেতিয়াৰ কাচ-শিল্পীসকলে ৰং-বিৰঙী কাচেৰে কাচৰ সচিত্ৰ পুস্তকো সাজিছিল ।

দূৰদৃষ্টি

গন্ধপুৰ গাঁৱৰ গৌৰহৰি আছিল অতি সাধাৰণ মানুহ। পৰিবাৰ আৰু এহাল ল'ৰা-ছোৱালীৰে সৈতে জীৱন কথমপি কটাই আছিল। গৌৰহৰিৰ ভনীয়েকৰো বিয়া হৈছিল এক সাধাৰণ পৰিয়ালত। ভিনিহীয়েক নৰহৰিৰ্মনৰ দিন আনে-দিন খায়বিধৰ অৱস্থা।

কিছুদিনৰ পাছত গৌৰহৰিৰ ভনীয়েকৰ গিৰিয়েক নৰহৰি টান বেমাৰত পৰিল আৰু গৌৰহৰিৰ পৰিবাৰ গিৰিবালাই তৎক্ষণাৎ নৰহৰিক ননন্দীৰে সৈতে আৰু লগতে তিনিটি ল'ৰা-ছোৱালীৰে সৈতে ঘৰলৈ লৈ আহিল আৰু ভাল বৈদ্যৰদ্বাৰা চিকিৎসা কৰাই সুস্থ কৰি তুলিলে। নৰহৰিহঁত গৌৰহৰিৰ ঘৰত প্ৰায় এমাহেই থাকিল, আৰু তাৰ পাছত পৰিপূৰ্ণ সুস্থ হোৱাৰ অন্তত এদিন গুচি গ'ল।

সিহঁতহাল গুচি যোৱাৰ পাছত গৌৰহৰিয়ে গিৰিবালাক ক'লে, "বাস্তৱিকেই—তোমাৰ দৰে ইমান ননন্দীপ্ৰেমীও যে ভূ-ভাৰতত আছে—ভাবিবই নোৱাৰি। তুমি নিজৰ ভাইৰ দৰে যে কেনেকৈ নৰহৰিৰ আলপৈচান ধৰিলা ইমান দিন ধৰি—ভাবি আচৰিতেই মানিব লাগে। তোমাৰ এই দয়া-গুণ এক স্বৰ্গীয় বস্তু।"

গিৰিবালাই হে-হেঁকৈ হাঁহি মাৰিলে আৰু তাৰ পাছত ক'লে, "আপুনি মোত কেৱল দয়া-গুণহে দেখা পালেনে ? বেমাৰ দূৰদৃষ্টিক দেখা নাপালেনে ?"

পৰিবাৰৰ কথাৰ অৰ্থ ধৰিব নোৱাৰি গৌৰহৰিয়ে অবাক দৃষ্টিৰে গিৰিবালালৈ চালে।

গিৰিবালাই ক'লে, "চাওক, নৰহৰি অতি সামান্য অৱস্থাৰ মানুহ, আমাতকৈয়ো বেয়া অৱস্থা। বেমাৰৰ চিকিচ্ছা কৰাব নোৱাৰি যদি কিবা—ক'ব নাপায়—তথাপি যদি কিবা হৈ গ'লহেঁতেন—ননন্দী বিদ্যাধৰীয়ে তাইৰ তিনিটি ল'ৰা-ছোৱালীৰে সৈতে আমাৰ ইয়াতে সোমাই নাথাকিলহেঁতেননে ? —এয়ে হ'ল মোৰ দূৰদৃষ্টি।



স্বাধীনতাৰ সুৱৰ্ণজয়ন্তীলৈ চান্দমামাৰ কথা

বিদ্ৰোহৰ বীৰগাথা



[কানপুৰ-বিদ্ৰোহৰ পাছত নানাছাহিব মৰাঠা ৰজা ৰূপে ঘোষিত হ'ল। এই ঘোষণাৰ ফলত বৃটিছে তথা ইস্ট ইণ্ডিয়া কম্প্যানিয়ে প্ৰমাদ গণিলে। তেতিয়া জেনাৰেল হেপলকৰ নেতৃত্বত বৃটিছে কানপুৰত ভয়াবহ অত্যাচাৰৰ ৰঙা ঘোঁৰা মেলি দিলে। কিছু দিনলৈ নানাছাহিবে বৃটিছৰ বিৰুদ্ধে বীৰতাৰে যুঁজিলে, কিন্তু পাছত পৰাজয় মানি লৈ হুঁহকিবলৈ বাধ্য হ'ল। কিন্তু বৃটিছৰ তথা ইংৰাজৰ বিৰুদ্ধে ভাৰতবৰ্ষত বিদ্ৰোহৰ জুই জ্বলিয়েই থাকিল। আৰু তাৰ পাছত .....]

মাহোৰ ইংৰাজ-শিবিৰত তেতিয়া আনন্দৰ জোৱাৰ প্ৰবাহিত হৈছে। কিন্তু দেশৰ বিভিন্ন ঠাইৰপৰা ইংৰাজ সৈন্যৰ পৰাজয়ৰ বাতৰিও আহিব ধৰিছে। ১৫৫৮ চনৰ প্ৰাৰম্ভত ইংৰাজৰ মনত এক নুতন উৎসাহৰ সঞ্চাৰ হ'ল।

এইকালছোৱাত স্যাৰ হিউ ৰ'জ নামৰ এজন অতি অভিজ্ঞ সেনাপতিক ইংৰাজ বাহিনীত নিযুক্তকৰা হৈছিল। স্যাৰ হিউ ৰ'জ ভাৰতৰ বিষয়ে হেনো অভিজ্ঞ, ভাৰতীয় জনসাধাৰণৰ মানসিকতাৰ বিষয়েও হেনো তেওঁ প্ৰাজ্ঞ।

এক বিৰাট ছাউনিৰ ভিতৰত থকা কিছুমান ভাৰতীয় চিপাহীক উদ্দেশি স্যাৰ হিউ ৰ'জে ক'লে, ''ঝান্সীৰ ৰাণী লক্ষ্মীবাঈয়ে সঁচাসঁচিকৈ নেতৃত্ব দিব পাৰিব বুলি তোমালোকে ভাবানে? মই আজিলৈকে এনেহেন কোনো নাৰীৰ কথা

'বিদ্ৰোহ আজি বিদ্ৰোহ চাৰিভিতি'



শুনা নাই—যিজনীয়ে যুদ্ধহেন ভয়ংকৰ বিষয় চম্ভালিব পাৰে। ৰাণী এজনীৰ স্থলত কোনোবা ৰজা হোৱাহেঁতেন বিষয়টো ঠিকেই আছিল। কিন্তু এজনী অবলা নাৰীয়েনো কি কৰিব ? তিৰোতা এজনীয়ে যুদ্ধ দিয়াৰ চিন্তা বাতুলতা মাথোন। বিজয়ৰ বাবে যুদ্ধ অৰ্থপূৰ্ণ, কিন্তু পৰাজয়ৰ বাবে যুদ্ধৰ অৰ্থনো কি ? ৰাণী লক্ষ্মীবাঈৰ কথা ভাবিলে মোৰ পুতৌ হয়।"

এজন চিপাহীয়ে ক'লে, "হুজুৰ, ঝান্সীৰ ৰাণীক—কোনো সাধাৰণ নাৰী বুলি নাভাবক। তেওঁৰ বীৰতা আমি নিজ চকুৰে চাই আহিছোঁ। তেওঁ প্ৰকৃততেই এগৰাকী মহান নেত্ৰী। দেশৰ প্ৰজাবৰ্গই তেওঁৰ কাৰণে আত্মাহুতি দিবলৈ সদা-প্ৰস্তুত। সঁচা ক'বলৈ হ'লে ঝান্সীৰ ৰাণীৰ দৰে অসাধাৰণ সাহিয়াল নাৰী—আমি এই জীৱনত দেখাও নাই, শুনাও নাই।"

স্যাৰ হিউৱে হো-হোৱাই হাঁহি মাৰি ক'লে, "অসাধাৰণৰ সাহিয়াল ! হয়নে ? তোমালোকৰ আগত অসাধাৰণ হ'ব পাৰে, কিন্তু প্ৰকৃত যুদ্ধক্ষেত্ৰত নহয়। প্ৰকৃত যুদ্ধক্ষেত্ৰ ৰাণীয়ে কিজানি অদ্যাপি দেখাও নাই। যুদ্ধক্ষেত্ৰত অসাধাৰণ ৰাণীৰ সাহ-পিত নিমিষতে কফুৰৰ দৰে উৰি যাব।"

আন এজন চিপাহীয়ে ক'লে, "ছাৰ, আমি হ'লোঁ আপোনালোকৰ বিশ্বস্ত সেৱক। কিন্তু—ঝান্সীৰ ৰাণী লক্ষ্মীবাঈৰ কথা যি কোৱা হৈছে—সাঁচে-কাটে সঁচা। আমি হিঁলৈৰে নিমিষতে যাকে-তাকে মাৰি পেলাব পাৰোঁ, হয়, কিন্তু ৰাণীয়ে সেই সুবিধা দিব বুলি ভাবিছেনে ? আৰু—আপুনি যদি যুদ্ধক্ষেত্ৰলৈ তোপ লৈ যায়, ৰাণীয়েও তোপেৰেই যুঁজিব।"

"ৰাণীৰনো কেইটা তোপ আছে ?" হিউৱে সুধিলে।

চিপাহীজনে গৌৰৱেৰে ক'লে, "আমি—সিমান কথা নেজানো। পিছে—খাৰ-বাৰুদৰ গুদামৰ ওচৰত ক'বাত তোপ-বৰতোপৰ গুদামো আছে বুলি শুনিছোঁ, ৰাজপ্ৰাসাদৰ পূবদিশত এই গুদাম আছে।"

বেচাৰা চিপাহীয়ে নিজৰ দেশৰ ৰাণীৰ গৌৰৱ-কথা প্ৰকাশ কৰোঁতে যে নক'বলগীয়া কৈ দিলে—আৰু হিউৱে যে এই উদ্দেশ্যেৰেই সিহঁতক নানান পটলে সোধ-পোছ কৰাৰ বাট ল'লে—সেই কথা সি সাধাৰণ চিপাহীয়ে সমূলি ঠাৱৰ কৰিব নোৱাৰিলে।

হিউ ৰ'জে ৰেখাচিত্ৰলৈ চাই চাই কৈ

থাকিল, "তাৰ মানে—তুমি এই বৰজোপা থকা ঠাইৰ কথা কৈছা। ৰাজপ্ৰাসাদৰ ওচৰত থকা বৰজোপাৰ কাষতে আছে খাৰ-বাৰুদ তোপ-বৰতোপৰ ভঁৰাল, নহয়নে— ?"

থলুৱা চিপাহীহঁতে পৰস্পৰলৈ চালে। ৰাণীৰ খাৰ-বাৰুদ তোপ-বৰতোপৰ কথা সদৰি কৰাত যে যথেষ্ট অপৰাধ হ'ল—সিহঁতৰ চকু-মুখত সেই কথা ফুটি উঠিল।

"মালিকৰ প্ৰতি বিশ্বস্ত হৈ থকাটো—তোমালোকৰ সাতামপুৰুষীয়া ৰীতি। মালিক যে মাতৃ-পিতৃৱৎ—তোমালোকে সেই কথা নিশ্চয় জানা। কম্প্যানি হ'ল তোমালোকৰ মালিক, কম্প্যানিয়ে তোমালোকক খানা-পিনা কাপোৰ-কানি দৰব-পাতি—সকলো দিয়ে, দি থাকিব। গতিকে—কম্প্যানিলৈ সহায়-সাৰথি আগবঢ়োৱাটো তোমালোকৰ অৱশ্যকৰ্তব্য। আৰু—তাৰ বাবে জোখে-জোখাৰে পুৰস্কাৰৰো বন্দৱস্ত কৰা হৈছে।" এই বুলি কৈয়েই হিউৰে সকলো থলুৱা চিপাহীক এটিকৈ জলমলীয়া সোণৰ মোহৰ (টকা) দিলে।

★

সিপিনে—ঝান্সীৰ ৰাণী লক্ষ্মীবাঈয়ে ৰাজপ্ৰাসাদত সন্মিলিত সেনাপতি আৰু অন্যান্য পদাধিকাৰীলৈ কৈ আছিল, "বন্ধু মিত্ৰসকল, সজ্জনবৰ্গ, ভাতৃগণ—আমাৰ নগৰত থকা ইস্ট ইণ্ডিয়া কম্প্যানিৰ কাৰ্য্যালয় ধ্বংস কৰি আমি যদি ভাবোঁ যে ইংৰাজক আমি খেদিলোঁ—আৰু আমি স্বাধীন হ'লোঁ, সেই ধাৰণা ভুল হ'ব। সাত সমুদ্ৰ পাৰ হৈ অহা সিহঁতে—নাও বুৰিলেও টিঙৰপৰা ননমা



ইংৰাজহঁতে—সিহঁতৰ সামান্য ক্ষয়-ক্ষতিও সহ্য নকৰিব বুলি আমাৰ দেশলৈ অহা নাই। সিহঁতে আমাক জোকৰ দৰে শুহি আমাক তেজহীন কৰাৰ অন্ততহে কিজানি যাব, নতুবা নাযায়। এইমাত্ৰ সম্বাদ পোৱা হ'ল যে—কম্প্যানিৰ সৈন্যহঁত ঝান্সীলৈ বুলি আগ বাঢ়িব ধৰিছে। এনে পৰিস্থিতিত আমাৰ কি কৰ্তব্য—আপোনালোকে কওক। মই আপোনালোকৰ মূল্যৱান পৰামৰ্শলৈ ৰৈ আছোঁ।"

ৰাণী লক্ষ্মীবাঈৰ কথাৰ উত্তৰ—কোনেও নিদিলে। তাত এক অখন্ড নীৰৱতাই বাহ ল'লে। কিছু সময়ৰ পাছত এগৰাকী বৃদ্ধই কৈ উঠিল, "হে দেৱী! আমি আপোনালৈ পৰামৰ্শ দিবলৈ ইয়ালৈ অহা নাই, আপোনাৰ আদেশ পালন কৰিবলৈ আহিছোঁ আৰু ৰৈ আছোঁ।"

"শুনি বৰ ভাল পালোঁ। আপোনালোক এই ভাৰতভূমিৰ বীৰ কোঁৱৰ। মাতৃভূমিৰ মান ৰক্ষাৰ্থে আপোনালোকে যে আনকি নিজৰ প্ৰাণো অকাতৰে বিসৰ্জিব—সেই কথাত আমাৰ বিশ্বাস শিলহেন দৃঢ়।" ৰাণী লক্ষ্মীবাঈয়ে আবেগপূৰিত হৈ ক'লে।

"সঠিক কথাকে কৈছে, মহাৰাণী। আপোনাৰ আদেশ পালিবলৈ আমি সম্ভম হৈয়েই আছোঁ।" সভাস্থ সকলোটিয়েই মুক্ত কণ্ঠেৰে ক'লে।

"কিন্তু—মাতৃভূমি ৰক্ষাৰ পণ—যাৰ অৰ্থ মৃত্যু। সেই পূত-পৱিত্ৰ মৃত্যুৰ বাবে আপোনালোক সাজুনে?" ৰাণীয়ে সুধিলে।

"এই মৃত্যুক আমি আমাৰ সৌভাগ্য বুলি গণ্য কৰোঁ, ৰাণীমাতা!" সকলোটিয়ে সমস্বৰে মহাৰাণী লক্ষ্মীবাঈদেউৱালৈ চাই ক'লে।

আৰু—এই সভা সমাপ্ত হোৱাৰ লগে-লগেই শত্ৰুৰ পদধ্বনি আৰু স্পষ্ট হৈ উঠিল।

মাত্ৰ দুটা দিনৰ অন্তত—ঝান্সীৰ দেশপ্ৰেমী সৈন্যবাহিনীক দুৰ্গৰ সমুখত সমৱেত কৰোৱা হ'ল। ৰাণী লক্ষ্মীবাঈয়ে তেওঁলোকৰ আগত দৃপ্তভাৱে দণ্ডায়মান হৈ মাতৃভূমিৰ প্ৰতি তেওঁলোকৰ কৰ্তব্যৰ কথা সোঁৱৰাই দিলে আৰু অসংখ্য সৈন্যৰ সমদলৰে সৈতে অশ্বপৃষ্ঠত বহি যুদ্ধক্ষেত্ৰলৈ বুলি ৰাওণা কৰিলে।

সাগ্ৰাম দিন ঘোৰ সংগ্ৰাম চলি থাকিল। সাঁজ লাগি ভাগিল যেতিয়া—তেতিয়া যুদ্ধ স্থগিত হৈ থাকিল। তিমানতে শত্ৰুসৈন্যই—ইংৰাজ সৈন্যই—হোঁহকা দিলে। এই অভাৱিত দৃশ্যলৈ চাই ঝান্সীৰ সৈন্যসকলে ধ্বনিলেঃ "মাতা লক্ষ্মীবাঈ—জিন্দহবাদ!"

ৰাণী লক্ষ্মীবাঈ ৰাজপ্ৰাসাদলৈ গ'লগৈ। শয়ন-কক্ষ পাই তেওঁ তেওঁৰ শয্যাত নিঃচিন্ত মনেৰে টোপনিয়াই থকা দত্তকপুত্ৰটিক দেখা পাই পৰম পৰিতৃপ্তি পালে। তাৰ পাছত তেওঁ আহত সৈন্যসকলক চাবলৈ গ'ল, আহতসকলৰ চিকিৎসাৰ সুবন্দৱস্ত কৰিলে। তাৰ পাছত গ'ল—জখম হোৱা অশ্ববিলাকৰ ওচৰলৈ। পালকহঁতক আহত অশ্ববিলাকৰ বিষয়ে সোধ-পোছ কৰিলে। আৰু—এইদৰেই তেওঁ সেই ৰাতিছোৱা পাৰ কৰিলে।

বেলিয়ে ভুমুকিউৱাৰ লগে লগেই পুনৰ যুদ্ধ আৰম্ভ হ'ল। এতিয়া কেৱল যাঠি-লাঠি হিলৈৰ যুদ্ধ নহয়, তোপ-বৰতোপৰ যুদ্ধ। তথাপি ঝান্সীৰ বাহিনীয়ে হাজাৰ-হাজাৰ

শত্ৰুসৈন্যক তোপেৰে উৰুৱালে। এইদৰে— আনকি সাঁজ লাগি ভগাৰ পাছতো বিপুলভাবে যুদ্ধ চলি থাকিল।

অকস্মাৎ আকাশজোৰা লৌ লৌ কৰে প্ৰকাণ্ড জুইৰ লেলিহান শিখা দেখা গ'ল। ৰাজপ্ৰাসাদত ইংৰাজৰ বৰতোপৰ গোলা পৰিছিল, আৰু তাৰ ফলত এই লেলিহান জুইৰ সৃষ্টি হৈছিল। আৰু স্বয়ং ৰাণীলক্ষ্মীবাঈয়ে এইবাৰ বৰতোপ চলাই ইংৰাজসৈন্যৰ প্ৰধান সেনাপতিক নিহত কৰিলে।

এই আকস্মিক অভাৱিত ঘটনালৈ চাই স্যাৰ হিউ ৰ'জ স্তম্ভিত-বাক্যহত হৈ পৰিল। অলপ পাছত একপ্ৰকাৰে বাধ্যত পৰিয়েই তেওঁ সৈন্যহঁতক পিছ-হুঁহকিবলৈ আদেশ দিলে।

পাছদিনা—নগৰৰ ভিতৰত ঝান্সীৰ সৈন্যবাহিনীৰ আধামানে আক্ৰমণকাৰী ইংৰাজ সৈন্যৰ মুখামুখি হৈ পৰাক্ৰমৰে যুঁজি থাকিল আৰু বাকীখিনি সৈন্য ৰাজপ্ৰাসাদৰ পূব দিশলৈ বুলি আগবাঢ়িল। কিন্তু ঝান্সীৰ সৈন্যবাহিনীৰ ভালেমান উচ্চ বিষয়াই প্ৰাসাদৰ ওচৰে-পাজৰে ক'ত কি হৈ আছে—সেই বিষয়ে একোৱেই নজনা হৈ থাকিল। কিয়নো তেওঁলোকে তেতিয়া কেৱল ঝান্সীৰ ৰাজপ্ৰাসাদৰ সুৰক্ষাত ব্যস্ত হৈ আছিল।

অকস্মাৎ সমগ্ৰ ৰাজপ্ৰসাদ প্ৰচণ্ড ভূঁইকঁপে কঁপাদি কঁপি উঠিল। ৰাজপ্ৰাসাদৰ পূব দিশত —য'ত খাৰ-বাৰুদৰ তোপ-বৰতোপৰ গুদাম আছিল—হিউ ৰ'জৰ প্ৰত্যক্ষ তত্ত্বাৱধানত তাত জুই লগাই দিয়া হৈছিল।

ক্ৰমাত ইংৰাজ সৈন্য ঝান্সীৰ ৰাজপ্ৰাসাদৰ কাষ চাপি আহি থাকিল। ডিক, মেকলে জন্, নানছ, ফক্স আদি ইংৰাজ সৈন্য কেইটামানে প্ৰাসাদৰ বাহিৰৰপৰা দীঘলীয়া জখলা বগাই যেনে-তেনে প্ৰাসাদৰ ভিতৰলৈ সোমাবলৈ চেষ্টা কৰাত সিহঁতক নিমিষতে যমৰ আলহী কৰা হ'ল।

আৰু প্ৰাসাদৰপৰা তৰহে-তৰহে অস্ত্ৰ প্ৰাসাদৰ বাহিৰত থকা ইংৰাজসৈন্যৰ ওপৰত সঁতাধৰা বৰষুণৰ দৰে পৰিবলৈ ধৰিলে আৰু ঝান্সীৰ সেনাপতিসকলে প্ৰাসাদৰ বাহিৰত থকা ইংৰাজ সৈন্যক তৎক্ষণাৎ নগৰ এৰি গুচি যাবলৈ কঠোৰ আদেশ দিলে। [আগলৈ





কথা-কোৱা-ফল

এগৰাকী ৰজাৰ আছিল অগণ্য গাভী। গৰখীয়াহঁতে সেইবোৰ গাভী পাহাৰৰ নামনিলৈ চৰাবলৈ লৈ যায়। তাত দৃষ্টিয়ে মনেমানে কোমলৰো কোমল ঘাঁহ আছে, আছে গো-খাদ্য বিধোবিধ পাত। কিন্তু—গাই চৰাই গধূলিৰ আগে আগে যেতিয়া পুনৰ ৰজাৰ গোহালি পাইছিলহি, তেতিয়া এজনী-দুজনীকৈ গাই কেনেবাকৈ নোহোৱা হৈছিল। ৰজাই তেওঁৰ গাভীকুলৰ বিষয়ে যথেষ্ট সাৱধানতা লৈছিল, কিন্তু তাৰে কোনো সুফল নহৈছিল, প্ৰতিদিনেই এজনী-দুজনীকৈ গাই বিস্ময়কৰভাৱে নোহোৱা হৈছিল।

ৰজাই সোধাত গৰখীয়াহঁতে কৈছিল, "আমি অতি সাৱধানতাৰে গাইবিলাকক আমাৰ দৃষ্টিৰ সীমাৰ মাজতে চৰাওঁ, কেতিয়াও দৃষ্টিৰ বাহিৰ হ'বলৈ নিদিওঁ। কিন্তু তথাপি যে গাই কেনেকৈ নোহোৱা হয়—নাজানো।"

এই ৰহস্যৰ আঁৰত যে কিবা ধৰণৰ কাৰণ আছেই—সেই কথা বুজাত ৰজাই টান নাপালে। তেওঁ তেওঁৰ পুত্ৰ তিনিওকো গাভী-নোহোৱা-হোৱাৰ ৰহস্য কি—জানিবলৈ, আৰু পাৰিলে নোহোৱা হোৱা গাভীবিলাকক উদ্ধাৰ কৰি আনিবলৈ পঠালে।

তিনিও ৰাজকোঁৱৰ ওলাল। গৈ গৈ—পাহাৰৰ নামনিত থকা অটব্য অৰণ্যৰ মাজলৈ সোমাল। অৰণ্যৰ মাজলৈ সোমাই—অৰণ্যৰ মাজত থাক লুংলুঙীয়া বাটেদি দেখাত এজনী অতি কুৎসিত বিকৃতমুখীয়া তিৰোতা বিপৰীত ফালৰপৰা আহি থকা দেখা পালে। সেই কুৎসিত তিৰোতাজনীয়ে ৰাজকোঁৱৰহঁতক সুধিলে, "বোপাহঁত, ক'লৈ যাবানো?"

ৰাজকোঁৱৰহঁতে খেচ খেচাই উঠি উত্তৰ দিলে, "আমি ক'লৈ যাম—তোমাক কিয় লাগিছে? তুমি য'লৈকে গৈ আছা, গৈ

'পঁচিছ বছৰৰ আগৰ চান্দমামাত প্ৰকাশিত কাহিনী'

থাকা। আনৰ খবৰ নকৰিলেও হ'ব।"

তাৰ পাছত ৰাজকোঁৱৰহঁত আগ বাঢ়িল। গৈ গৈ—গৈ গৈ—অৰণ্যৰ সোঁমাজত এটা জহি-খহি পৰাবিধৰ দুৰ্গ দেখা পালে, আৰু দেখা পালে—সেই নোহোৱা হোৱা গাইবোৰ।

সিহঁত সেই জহি-খহি পৰা দুৰ্গৰূপী প্ৰকাণ্ড ঘৰটোৰ ভিতৰলৈ সোমাল। তাত সিহঁতে এজনী অতি বুঢ়ী ৰাক্ষসীক শুই থকা দেখা পালে। তিমানতে মানুহৰ গোন্ধ পাই সেই বুঢ়ী ৰাক্ষসীজনী জাগি উঠিছিল।

ৰাজকোঁৱৰহঁতে বুঢ়ী ৰাক্ষসীক ক'লে, "আইতা, আমি নিবনুৱা, কাম-বন বিচাৰি ওলাইছোঁ। কিবা কাম দিয়া যদি—তোমাৰ ওচ'তে থাকিম।"

এইজনী বুঢ়ী ৰাক্ষসীৰ কবলৰপৰা গাইবোৰক যে হেলাৰঙে লৈ যাব নোৱাৰিব—সেই কথাটো ৰাজকোঁৱৰহঁতে বুজি পাইছিল।

ৰাক্ষসী বুঢ়ীয়েও বুজি পাইছিল যে এই গাইকেজনীক লৈ যাবলৈহে ইহঁত তিনিও ইয়ালৈ আহিছে। বুঢ়ী ৰাক্ষসীয়ে ৰাজকোঁৱৰ তিনিওকো মাৰি পেলাব বুলি খাটাংঙেই কৰিলে। কিন্তু মাৰিম বুলিলেই মাৰিব পৰা নাযায়। সেইহে ভালৰি বোলাই ক'লে, "কামৰনো কি আকাল পৰিল ? ঠিক আছে, তোমালোকে মোৰ এই গাইকেজনীৰ গাখীৰ খীৱাবা, খাবা-ল'বা-শুই থাকিবা—বছ।"

ৰাজকোঁৱৰহঁতে গাখীৰ খীৱালে। ঢেৰ গাখীৰ। তেতিয়া ৰাক্ষসীয়ে ৰাজকোঁৱৰ তিনিওকো ক'লে, "তোমালোকৰ নিশ্চয় ভোক লাগিল। আজি এই ভাটিবেলাতে

আৰুনো কি খাবলৈ দিম। আজি এই গাখীৰকে পি-খাই শুই থাকা, কালিলৈ ৰাতিপুৱাতে বঢ়িয়াকৈ জা-জলপান বনাই দিম, দন টানি খাবা, তেহে সুখ পাবা।"

ৰাক্ষসী বুঢ়ীয়ে তিনিওকো তিনিটা পাত্ৰ দিলে। ৰাক্ষসীয়ে এই পাত্ৰবিলাকতে বিহ সানি দিলে, কিন্তু ৰাজকোঁৱৰহঁতে জানিব নোৱাৰিলে। সিহঁতে পাত্ৰত গাখীৰ বাকি ল'লে, আৰু পেট পূৰাই গাখীৰ পি-খালে।

সেই খাৱনেই খাৱন—সেই খাৱনৰ লগে লগে মৰণ। বিহ-মিহলা গাখীৰ পি-খাই যেতিয়া তিনিও ৰাজকোঁৱৰ মৰিল, তেতিয়া বুঢ়ী ৰাক্ষসীয়ে সিহঁত মৃতদেহবিলাক কাঠৰ চন্দুক এটাত বন্ধ কৰি থৈ দিলে।

তিনিও ৰাজকোঁৱৰবো যেতিয়া গাইৰ দৰে

নোহোৱা হ'ল, তেতিয়া ৰজাই প্ৰমাদ গণিলে। ৰাজকোঁৱৰহঁত হেৰোৱা গাই বিচাৰি ওলাই উভতি নহাৰ কথা শুনি গোবিন্দ নামৰ গৰখীয়া এজনে ৰজাক ক'লেগৈ যে সি ৰাজকোঁৱৰ-সকলক আৰু নোহোৱা হোৱা গায়ো বিচাৰি ওলাব, তাক মহাৰাজে অনুমতি দিয়ক।

ৰজাই গৰখীয়া গোবিন্দক অনুমতি দিলে।

গোবিন্দও সেই পাহাৰৰ নামানিত থকা অটব্য অৰণ্যৰ মাজেদিয়েই গৈ আছিল, আৰু সেই কুৎসিত তিৰোতাজনীয়ে গোবিন্দকো একেদৰেই সুধিছিল, "বোপা, ক'লৈ যাবানো ?"

কিন্তু গোবিন্দই ৰাজকোঁৱৰহঁতৰ দৰে কৰ্ঠুৱা উত্তৰ নিদিলে। গোবিন্দই তিৰোতাজনীক সকলোখিনি কথা ভাঙি-পাতিয়েই ক'লে।

তেতিয়া সেই তিৰোতাজনীয়ে গোবিন্দক ক'লে, "শুনা, আৰু অল'মান আগুৱালেই —গড়ৰ ঘৰ এটা পাবা। তাত আছে এজনী বুঢ়ী ৰাক্ষসী। সেই ৰাক্ষসী অতি বেয়া। তাই মোৰ ভনী এজনীক হিংসা কৰি মাৰি পেলালে। ৰাজকোঁৱৰহঁতকো তায়েই নিশ্চয় মাৰি পেলালে। তুমি যদি তাইৰ তালৈ যোৱা—তোমাকো তাই মাৰি পেলাব।"

"তেনেহ'লে—উপায় কি ?" গৰখীয়া গোবিন্দই তিৰোতাজনীক সুধিলে।

"উপায়—একেবাৰে নথকা নহয়, আছে। মই মোৰ ভুলতে মন্ত্ৰশক্তি হেৰুৱালোঁ। গতিকে—মই নিজে আৰু একো কৰিব নোৱাৰিম। সেই বুঢ়ী ৰাক্ষসীয়েই মোক ভুলাই-ভালাই ভুল কৰাই মোৰ মন্ত্ৰশক্তিক বিনষ্ট কৰিলে। যেই কি নহওক—মোৰ ওচৰত এতিয়াও যি আছে—তাৰেও কাম হ'ব।" এই বুলি কৈ তিৰোতাজনীয়ে সৰু সৰু তিনিডোখৰ পাথৰ আৰু এটা বিশেষ ফল গোবিন্দক দিলে আৰু ক'লে, "এই ফলটো হ'ল—কথা দি কথা লোৱা—কথা-কোৱা ফল। কিবাধৰণৰ বিপদ হ'লে এই ফলে আগতীয়াকৈ কৈ দিব। সেই কথা কেৱল তুমিহে শুনিবা, আনে শুনি নাপাব। আৰু—এই ফলৰপৰা গুটি উলিয়াই সেই গুটি পানীৰে মোহাৰি সেই পানী ৰাজকোঁৱৰহঁতৰ মৃতদেহত ছটিয়াবা—ৰাজকোঁৱৰহঁত পুনৰ জী উঠিব। —শেহান্তৰত যদি সেই হাৰামৰ নেগুৰ হিংসাকুৰীয়া বুঢ়ী ৰাক্ষসীটোক মাৰি পেলাব পাৰা—তেনেহ'লে মই ভাল পাম। তাইক এই পাথৰ তিনি

ডোখৰেৰে মাৰিব পাৰিবা।" এই বুলি কৈ, তিৰোতাজনীয়ে গোবিন্দৰ কাণে কাণে এই পাথৰেৰে সেই ৰাক্ষসীক মাৰি পেলোৱাৰ গুজত উপায় কৈ দিলে।

তাৰ পাছত গৰখীয়া গোবিন্দ সেই ৰাক্ষসী বুঢ়ীৰ কাষ চাপিল, কাম-বন বিচাৰিলে, আৰু বুঢ়ীয়ে গোবিন্দকো ৰাজকোঁৱৰহঁতক মাৰি পেলোৱা দি মাৰি পেলোৱাৰ আঁচনিৰে গাখীৰ খীৰোৱাৰ কাম দিলে, আৰু পাছত এটা পাত্ৰ আনি দিলে গাখীৰ বাকি খাবলৈ।

কিন্তু কথা-কোৱা ফলটোৱে গোবিন্দক কৈ দিলে যে এই পাত্ৰত বিহ সানি থোৱা হৈছে। গতিকে—গোবিন্দই ৰাক্ষসীয়ে নেদেখাকৈ গাখীৰখিনি দলিয়াই পেলালে।

আচৰিত হৈ পৰা ৰাক্ষসী বুঢ়ীয়ে গোবিন্দক শুবলৈ কৈ নিজেও টোপনি মাৰিবলৈ গ'ল, আৰু সেই ছেগতে গোবিন্দই বিৰাট কাঠৰ চন্দুকত থকা ৰাজকোঁৱৰহঁতৰ মৃতদেহত কথা-কোৱা ফলৰ গুটিৰ পানী ছটিয়াই সিহঁতক জীয়াই তুলিলে। ৰাজকোঁৱৰহঁতে গোবিন্দক চিনি পালে, আৰু তৎমুহূৰ্তেই সেই নোহোৱা হোৱা গাইকেইজনীক লৈ অটব্য অৰণ্যৰপৰা ওলাই যাবলৈ খৰকৈ খোজ ল'লে।

লগে লগে ৰাক্ষসী বুঢ়ীও সাৰ পাই গ'ল, আৰু গোবিন্দক আৰু ৰাজকোঁৱৰহঁতকো ধৰি গিলি খাবলৈ সেই বুঢ়ী ৰাক্ষসীয়ে সিহঁতৰ পিছে পিছে কেপেয়া লাখুটিৰ দৰে ঠেং মেলি মেলি আগুৱাই গৈ থাকিল।

তেতিয়া গোবিন্দই সেই তিৰোতজনীয়ে শিকাই দিয়া মতে পাথৰ তিনি ডোখৰ একে একে দলিয়াই বুঢ়ী ৰাক্ষসীক অঠাই পানীত পেলাই দিলে, আৰু এই ছেগতে সাত চেউৰীৰ লৰ দি সেই ভয়ংকৰ অৰণ্য পাৰ হৈ পোনে পোনেই ৰাজপ্ৰাসাদ পাই চাৰিওজনেই মাটিত লুটি খাই পৰিলে।

ৰজাই গোবিন্দক জোখে-জোখাৰে পুৰস্কৃত কৰাৰ উপৰিও ৰাজ দৰবাৰৰ প্ৰধান পৰীয়াৰ পদত মকৰল কৰিছিল।

কিন্তু সেই ৰাক্ষসী বুঢ়ীৰ কি হৈছিল—সেই অঠাই পানীৰপৰাও ওলাই আহিব পাৰিছিলনে নাই—আজিও ৰহস্য হৈয়েই থাকিল। কিয়নো—এই ঘটনাৰ অন্তত সেই বিস্ময়কৰ কথা-কোৱা ফলৰ সকলো শক্তি নোহোৱা হৈ পৰিছিল।

ফোটো-নামকৰণ প্ৰতিযোগিতা : পুৰস্কাৰ ১০০ টকা
পুৰস্কৃত নাম ফেব্ৰুয়াৰী ২০০০ চনৰ সংখ্যাত ওলাব



* ফোটো-নামকৰণ দুই-তিনটা শব্দেৰে হ'পব লাগিব। * প্ৰতিযোগিতা 'কোন মাহৰ বাবে' উল্লেখ কৰিব লাগিব।
* ১৯৯৯ ডিছেম্বৰৰ মাগৰ ২৫ তাৰিখে আমি পোৱাকৈ পঠাব লাগিব। * সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক নামকৰণৰ বাবে ১০০ টকা পুৰস্কাৰ দিয়া হ'ব। * নামকৰণ কেৱল প'ষ্টকাৰ্ডত তিথি আমি যথাসময়ত পোৱাকৈ তলৰ ঠিকনালৈ পঠাব লাগিব।

ঠিকনা : CHANDAMAMA PHOTO-CAPTION COMPETETION (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, CHENNAI-600026.

১৯৯৮ চনৰ ফেব্ৰু-মাৰ্চ সংখ্যাৰ ফোটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

বিজয়ী প্ৰতিযোগী :
পুলকচন্দ্ৰ ৰায়ন
লাইমুখৰা / শিলং / মেঘালয়
বিজয়ী নামকৰণ :
বলৰ বৰতী — নেপুৰ বায়তী
[পুৰস্কাৰৰ ধন এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চান্দমামাৰ বছৰেকীয়া বৰঙনি :

ভাৰতত ১২০.০০ টকা মাথোন
বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :
Chandamama India Limited,
CHANDAMAMA BUILDINGS, 188 N.S.K. SALAI, VADAPALANI, CHENNAI-600 026.



PARAG PRINTS LTD.
222, 223, Ashoka Tower, Ring Road, Surat. Tel. : 91 (0261) 628734.

CHANDAMAMA (Assamese) DECEMBER 1999 Regd No. TN/MS (S) 87/97
Registrar of Newspapers, India RN 30278/76